# পাতিদৰং মহাবিদ্যালয়

# আলোচনী

ঊনবিংশ সংখ্যা
ইং ২০০৮- ২০০৯ বৰ্ষ



তত্বাৱধায়কদ্বয়
তপন কুমাৰ শৰ্মা
পৰমেশ দত্ত

সম্পাদক
ভদ্ৰেশ্বৰ দাস



**Sri Giridhar Sarma**
**Our beloved Principal at his office**




Sitting from left to right (1) Daibya Shakti Deka, Deptt. of History, (2) Abdul Rashid, Political Science Deptt., (3) Tapan Kumar Sarma , Assamese Deptt., (4) Giridhar Sarma, Principal, (5) Jowena Begum, Philosophy Deptt., (6) Kamana Devi, Geography Deptt., (7) Dr. Banalata Kalita, Assamese Deptt., (8) Rashna Kalita, English Deptt.
Standing from left to right (1) Unish Ali, L.D.A., (2) Bhabesh Deka, 4th grade, (3) Umesh Deka, 4th grade, (4) Nizamuddin Ahmed, Arabic Deptt., (5) Paramesh Dutta, English Deptt., (6) Dulal Sarma, Assamese Deptt., (7) Yusuf Ahmed, Economic Deptt., (8) Baharul Islam, Arabic Deptt., (9) Mukutar Rahman, English Deptt., (10) Kalpana Basumatary, Bodo Deptt., (11) Sangita Baishya, Assamese Deptt.
Unseen in the snap- (i) Rani Deka, Education Deptt., (2) Minakshi Sarma, Education Deptt., (3) Dipak Ch. Boro, Philosophy Deptt., (4) Durgeswar Deka, Philosophy Deptt., (5) Shriyam Barkakoti, Economic Deptt., (6) Mukul Bezbaruah, Political Science Deptt., (7) Gajendra Nath Borah, L

# আলোচনী

## পাতিদৰং মহাবিদ্যালয়

*বিংশ বছৰ ঃ উনবিংশ সংখ্যা*

২০০৮-২০০৯ বৰ্ষ

নৱবৰ্ষৰ শুভেচ্ছাৰে—

মাননীয়/ মাননীয়া, ........................................

....................................................................

....................................................................


সম্পাদক

তত্ত্বাৱধায়কদ্বয়
তপন কুমাৰ শৰ্মা
পৰমেশ দত্ত

সম্পাদক
ভদ্ৰেশ্বৰ দাস

PATIDARRANG COLLEGE MAGAZINE

Year - 2008-2009
20th Year :: 19th Issue



# পাতিদৰং মহাবিদ্যালয় আলোচনী

*বিংশ বছৰ ঃঃ উনবিংশ সংখ্যা*

২০০৮-২০০৯ বৰ্ষ

## —ঃ সম্পাদনা সমিতি ঃ—

উপদেষ্টা

শ্ৰীগিৰিধৰ শৰ্মা

তত্বাৱধায়কদ্বয়

শ্ৰীতপন কুমাৰ শৰ্মা, প্ৰৱক্তা

শ্ৰীপৰমেশ দত্ত, প্ৰৱক্তা

সম্পাদক

শ্ৰীভদ্ৰেশ্বৰ দাস

সদস্য

শ্ৰীদুলাল শৰ্মা, প্ৰবক্তা, ড° বনলতা কলিতা, প্ৰৱক্তা,

শ্ৰীকল্পনা বসুমতাৰী, প্ৰৱক্তা

শ্ৰীঅম্বিকা প্ৰসাদ বড়ো, শ্ৰীআনন্দ ডেকা

শ্ৰীৰজেশ স্বৰ্গীয়াৰী

বেটুপাত অংকণ আৰু পৰিকল্পনা ঃ শ্ৰীসমৰজ্যোতি ডেকা

*প্ৰকাশক*

*পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা*

*মুদ্ৰন ঃ অফছেট প্ৰিন্ট পইন্ট, বিহদিয়া*

*দূৰভাষ ঃ ৯৮৫৪৯-১৪১৪৭*

# শুভেচ্ছাবাণী



ড° সমুজ্জ্বল ভট্টাচাৰ্য্য

উপদেষ্টা, সদৌ অসম ছাত্ৰ-সন্থা।

'পাতিদৰং মহাবিদ্যালয়' পাতিদৰং মৌজাৰ একমাত্ৰ উচ্চ শিক্ষাৰ প্ৰতিষ্ঠান। পাতিদৰং মহাবিদ্যালয়ে আৰম্ভণিৰে পৰা আলোচনী প্ৰকাশ কৰি আহিছে।

এনে এখন আলোচনীয়ে ছাত্ৰ-ছাত্ৰীৰ সাহিত্যৰ প্ৰতি অনুৰাগ বঢ়াব বুলি আশা কৰিলো। আলোচনীখনিত অসমৰ বিভিন্ন সমস্যাৰ লগতে ছাত্ৰ-ছাত্ৰীৰ মূল শৈক্ষিক বিষয়ৰ প্ৰতিফলন ঘটিলে প্ৰকৃতাৰ্থত সাৰ্থক হব।

আলোচনীখনি সৰ্বাঙ্গি সুন্দৰ হোৱাৰ বাবে শুভেচ্ছা যাঁচিলো।

ডঃ সমুজ্জ্বল ভট্টাচাৰ্য্য
উপদেষ্টা, সদৌ অসম ছাত্ৰ সন্থা।

# MESSAGE



**Sri Paresh Ch. Boro**
*President*
All Bodo Students Union
Kamrup District / ABSU

It gives me immense pleasure to know that Patidarrang College is being published the 19th Edition of its magazine named "Patidarrang College Magazine" like another years.

This is the age of "Passion for Excellence". So, I am sure that the magazine will play a uital role in promoting the literature and cultural habit among the young students.

I wish the Edition a great success with regards.

Yours sincerely

(Paresh Ch. Boro)
President
Kamrup Dist./ABSU

# সোঁৱৰণ

*যি সকল শ্ৰদ্ধাভাজন ব্যক্তিৰ পৰিকল্পনা, অক্লান্ত শ্ৰম, অপৰিসীম ত্যাগ, নিঃস্বাৰ্থ সেৱা, যোগাত্মক চিন্তা আৰু শুভাশীষত পাতিদৰং মহাবিদ্যালয়খনি স্থাপিত হৈছিল সেই মহান ব্যক্তি সকলক আমি শ্ৰদ্ধাৰে সুঁৱৰিছো।*

*— সম্পাদনা সমিতি*

# ঘোষনা

কোনো লিখনি পূৰ্বে প্ৰকাশিত অথবা নকল বুলি প্ৰমাণিত হলে সম্পাদনা সমিতি দায়ী নহ'ব

# ক্ষমা প্ৰাৰ্থনা

জ্ঞাত-অজ্ঞাত ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছোঁ।

*— সম্পাদনা সমিতি*

# কৃতজ্ঞতা

*পাতিদৰং মহাবিদ্যালয় আলোচনীৰ সমূহ লেখক-লেখিকা, অধ্যক্ষ, প্ৰৱক্তা, ছাত্ৰ-ছাত্ৰী, কৰ্মচাৰী, পাতিদৰং আঞ্চলিক ছাত্ৰ সন্থা, পাতিদৰং আঞ্চলিক যুৱ ছাত্ৰ পৰিষদ, পাতিদৰং আঞ্চলিক বড়ো ছাত্ৰ সন্থা আৰু অফছেট প্ৰিণ্ট পইণ্ট, বিহদিয়াৰ স্বত্বাধিকাৰী তথা কৰ্মীবৃন্দলৈ কৃতজ্ঞতা জ্ঞাপন কৰিলোঁ।*

# অধ্যক্ষৰ কলম...



লিখনিৰ বুলনিতে যিসকল মহান ব্যক্তিৰ ঐকান্তিক প্ৰচেষ্টাত আশাৰ পদুঁম পাতিদৰং অঞ্চলৰ উচ্চ শিক্ষানুষ্ঠান 'পাতিদৰং মহাবিদ্যালয়' নামৰ জ্ঞানৰ বন্তিগচি প্ৰস্ফুটিত হ'ল সেইসকল জ্ঞাত-অজ্ঞাত মহান পুণ্যাত্মালৈ অধ্যক্ষৰ চকীৰ পৰা গভীৰ শ্ৰদ্ধাৰ্ঘ নিবেদিছোঁ। ইয়াৰ লগে লগে তেখেতসকলৰ গভীৰ প্ৰত্যাশাক বাস্তব্যয়িত কৰিবলৈ মই সংকল্পবদ্ধ হ'লো।

'পাতিদৰং মহাবিদ্যায়' নামৰ উচ্চ শিক্ষানুষ্ঠানটিৰ জন্ম হৈছিল ১৯৮৯ চনৰ ৩১ আগষ্টত। জন্মলগ্নৰ পৰা অদ্যাপি অধ্যয়ন কৰা ভালেমান ছাত্ৰ-ছাত্ৰী আজি বিভিন্ন পদবীত অধিষ্ঠিত। সেই সকল ছাত্ৰ-ছাত্ৰীও আমাৰ গৌৰৱৰ থল। পাতিদৰং মহাবিদ্যালয়ত আজি ভালেমান দূৰণিবটীয়া ছাত্ৰ-ছাত্ৰীয়ে অধ্যয়ন কৰি ইয়াৰ জ্ঞানৰ প্ৰসাৰন বৃদ্ধি কৰিছে।

যান্ত্ৰিক সভ্যতাৰ উন্নয়নে আজি গোটেই পৃথিৱীখনক এখন ক্ষুদ্ৰ গাঁওত পৰিণত কৰিছে। ফলস্বৰূপে বৌদ্ধিক আৰু সাংস্কৃতিক দিশত এক উল্লেখনীয় পৰিবৰ্ত্তন হৈছে। কিন্তু তৎস্বত্বেওঁ মানৱ সমাজ আজি যেন কিহবাৰ আশংকাত এস্তমান। গতিকে নৱপ্ৰজন্মক ৰক্ষণাবেক্ষণ দিয়াৰ দায়িত্বওঁ আহিছে বৰ্তমান ছাত্ৰ-ছাত্ৰীৰ। গতিকে ছাত্ৰ-ছাত্ৰীসকল তথাকথিত শিক্ষিত নহৈ বিজ্ঞানসন্মতভাৱে সমাজক সুৰক্ষা দিব লাগিব।

বৰ্তমান যুগটো প্ৰতিযোগিতাৰ যুগ। গতিকে ছাত্ৰ-ছাত্ৰীসকল প্ৰতিযোগীমুখী হৈ আগুৱাই যোৱাটো তেওঁলোকৰ নৈতিক কৰ্ত্তব্য। এই সুযোগতে অধ্যয়নৰত ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যতৰ সুন্দৰ সোণালী পথত অগ্ৰসৰ হ'বলৈ আহ্বান জনালোঁ।

এইক্ষেত্ৰত অৰ্থনৈতিকভাৱে পিছপৰা হলেও শিক্ষক-শিক্ষয়িত্ৰীসকলে কঠোৰ শ্ৰমদান কৰি আহিছে। এই শিক্ষক-শিক্ষয়িত্ৰীসকল মোৰ শলাগৰ পাত্ৰ।

সদৌ শেষত মহাবিদ্যালয়ৰ উত্তোৰত্তৰ উজ্জ্বল কামনা কৰি আৰু মহাবিদ্যালয়ৰ গঠনমূলক দিহা-পৰামৰ্শ বিচাৰি অধ্যক্ষৰ কলমৰ সামৰণি মাৰিলো।

শ্ৰদ্ধাৰে---
*গিৰিধৰ শৰ্মা*
*অধ্যক্ষ*
পাতিদৰং মহাবিদ্যালয়
ইং ২০০৮-২০০৯ বৰ্ষ

# আলোচনীৰ পাতে পাতে ..............

’ সম্পাদকীয়

## চিন্তা শিল্প- (প্ৰবন্ধ শিতান)

’ সমাজৰ বিকাশ আৰু উন্নতিত শিক্ষানুষ্ঠান, সাংস্কৃতিক সংস্থা আৰু উদ্যোগ সংস্থাৰ ভূমিকা

✍ দুৰ্গেশ্বৰ ডেকা /১

’ অসমৰ জনজাতীয় পৰম্পৰাত শিৱ দেৱতাৰ স্থান ✍ সংগীতা বৈশ্য /৬

’ যোগ বিদ্যাৰ প্ৰয়োজনীয়তা ✍ ভৰত ডেকা /৯

’ সাহিত্য সভাৰ সভাপতি ৰং বং তেৰাং আৰু তেখেতৰ জীৱন পঞ্জী সাহিত্য উপন্যাস

✍ জ্যোতিষ ডেকা/১১

’ অসমৰ মহাবিদ্যালয় সমূহৰ ভৱিষ্যত ✍ চন্দনা বৰ্মণ /১৩

’ কবিতা আৰু কিছু কথা— মৃত্যু ✍ ভদ্ৰেশ্বৰ দাস/১৬

’ কবিতা আৰু কিছু কথা— দেশৰ বাতৰি ✍ সতীশ কাকতি /১৭

’ 2012 End of the World : ✍ Paramesh Dutta /১৯

## কথা শিল্প- (গল্প শিতান)

’ ৰহস্যৰ অন্তত ✍ কবিতা কাকতি / ২০ ✔ সপোন ✍ ধনেশ্বৰ বড়ো /২২

’ ডেউকা ভগা পখী ✍ ইংকুমণি ডেকা /২৪ ✔ সপোনৰ অপমৃত্যু ✍ জুৰি নাথ/২৬

’ এখন হৃদয়ৰ সন্ধানত ✍ আনন্দ ডেকা /২৭

## শব্দ শিল্প (অসমীয়া আৰু বড়ো)— কবিতা শিতান

’ জয়তু পাতিদৰং মহাবিদ্যালয় ✍ বানেশ্বৰ বড়ো / ৩০ ✔ পাতিদৰং ✍ মঃ ৰেকিবুদ্দিন আহমেদ / ৩০ ✔ হে আই ✍ শ্ৰীহেমেন কাকতি / ৩০ ✔ তুমি সৰ্বশক্তিমান ✍ নয়নমনি টোৱাৰী / ৩১ ✔ ভগ্ন হৃদয় ✍ দীপক কুমাৰ / ৩১ ✔ বাস্তৱ প্ৰেম ✍ পিংকী ৰাজবংশী / ৩২

✔ মোৰ কবিতা ✍ ৰাজকুমাৰ নাথ / ৩৩ ✔ মই চৰণ পূজাৰী ✍ সৰযু মণি দাস / ৩৩ ✔ বিচ্ছেদ
আদিপাঠ ✍ পম্পী পাটোৱাৰী / ৩৪ ✔ তাইৰ দোকমোকালিত ✍ আনন্দ ডেকা / ৩
✔ ৰেগিং ✍ নিতামণি ডেকা / ৩৫ ✔ মনোৱাৰৰ মইনাজনী ✍ নৱজিৎ দাস / ৩
✔ বাস্তৱিক ✍ ধনেশ্বৰ বড়ো / ৩৬ ✔ বৰষুণ ✍ ধৰিত্ৰী ডেকা / ৩৬ ✔ সিপুৰী যাত্ৰা ✍ জিতুম
কলিতা / ৩৭ ✔ দুৰ্যোধন ✍ ধনদা দেৱী / ৩৭ ✔ তুমি ✍ নিৰঞ্জন ডেকা / ৩
✔ আহিনৰ গীত ✍ জুমি দাস / ৩৮ ✔ মই বিপ্লৱী ✍ মণ্টুৰাম বড়ো / ৩৩ ✔ মোক আৰু পো
নালাগে ✍ ডালিমী বেগম / ৩৯ ✔ বাস্তৱ প্ৰেম ✔ खसाब ✍ जथुनद्वीप महन बैह्लोमुथारी /8
✔ बरज शिखोला ✍ कुन्ज बरो /8० ✔ नोंनिसिम, लिरगा- नै ✍ मिथुन दैमारी/8
✔ नोखो नेनानैनी ✍ गिताञ्जलि बरो/8२ ✔ मोनाबिलि समाव ✍ रानु दैमारी/8२
✔ মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত্ত / ৪৩-৪৪

## প্ৰতিবেদন

✔ উপ-সভাপতিৰ প্ৰতিবেদন / ৪৫
✔ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / ৪৬
✔ সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন / ৪৮
✔ খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / ৫০
✔ সমাজসেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন / ৫১
✔ সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন / ৫২
✔ ছাত্ৰ জিৰণী কোঠাৰ সম্পাদকৰ প্ৰতিবেদন / ৫৩
✔ ছাত্ৰী জিৰণী কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন / ৫৪
✔ পাতিদৰং মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদকসকল/৫৫

***

# সম্পাদকীয়



প্ৰতিবেদনৰ জপনা মুখতে ত্যাগৰ শিখাৰে জ্বলোৱা চিতা জুইত আত্মাহুতি দি উত্তৰ পুৰষৰ বাবে যিসকল অফুৰন্ত প্ৰেৰণাৰ উৎস হৈ ৰ'ল--- যিসকলৰ ত্যাগ, কষ্ট আৰু কৰ্ম উদ্যমেৰে ঐতিহ্য আৰু গৌৰৱ মণ্ডিত পাতিদৰং মহাবিদ্যালয় স্থাপিত আৰু পালিত লগতে ইং ৩০-১০-২০০৮ তাৰিখৰ ভয়াবহ বোমা বিস্ফোৰণ লানিত যিসকল নিৰীহ লোকে প্ৰাণ ত্যাগ কৰিলে সেই সকল মহান ব্যক্তিৰ সোঁৱৰণত স-শ্ৰদ্ধ প্ৰণাম জনালোঁ।

পাতিদৰং মহাবিদ্যালয়ৰ মোৰ শ্ৰদ্ধাৰ সন্মানীয় শিক্ষাগুৰু তথা মৰমৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱী, দাদা-বাইদেউ আটাইলৈ মোৰ আন্তৰিক অভিনন্দন জ্ঞাপন কৰিছো আৰু লগতে মহাবিদ্যালয়ৰ তত্ত্বগধুৰ বিষয় এটিৰ সেৱা আগবঢ়োৱাৰ সুযোগ কণ দিয়াৰ বাবে পাতিদৰং মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীলৈ আন্তৰিক ধন্যবাদ জ্ঞাপন কৰি প্ৰতিবেদনৰ ভিতৰচ'ৰালৈ ঢাপলি মেলিছো।

ভাষা সাহিত্যৰ বিশাল কৃষ্টি পথাৰত অধ্যয়নৰ বীজ সিচি সেউজী শস্যই নতুনৰ আভা বিয়পাই তোলাৰ লেখীয়া সুপ্ত প্ৰতিভা বিকশাই তোলাত আলোচনীৰ ভূমিকা অসীম। কাৰণ সাহিত্যই এখন দেশৰ সভ্যতা, সংস্কৃতি গঢ়ি উঠাত সহায় কৰে। বাস্তৱ জগতৰ সুখ, দুখ, আনন্দ, বিষাদ, অনুভূতি, সৌন্দৰ্য এই সকলোবোৰৰ অনুপস্থিতি সাহিত্য হ'ব তেনে অন্ধকাৰ। কিয়নো আজি এই জৰাজীৰ্ণ কু-সংস্কাৰেৰে ভৰা জাতি এটাক সৰ্বাঙ্গীন উন্নতিৰ পথত আগুৱাবলৈ তথা বিশ্বৰ দুৱাৰ দলিত থিয় দিবলৈ হ'লে সাহিত্যৰ অতি প্ৰয়োজন।

বৰ্তমান বিশ্বায়ন (Globalisation) ৰ যুগত শিক্ষাৰ গতিবিধি বহুতো পৰিৱৰ্তন হ'বলৈ ধৰিছে। বিজ্ঞান প্ৰযুক্তিবিদ্যাই আজি পৃথিৱীখনক হাতৰ মুঠিত আনিছে। বিজ্ঞান আৰু প্ৰযুক্তিবিদ্যাই ইমূৰৰ পৰা সিমূৰলৈ বাৰ্তা লাভকে আদি কৰি বিভিন্ন দিশত সহজ কৰি তুলিছে যদিও আমি অদৃষ্ট, দুখবাদ, নিৰাশা, হিংসা, নাস্তিক এইবোৰ মৰিচিকাৰ পিচে পিচে ঘূৰি মূল্যবান সময় নষ্ট কৰাৰ প্ৰয়োজন নাই। কাৰণ বৰ্তমান অসমীয়া জাতিটো নিজৰ অস্তিত্ব হেৰুৱাৰ পথত। ৰাজনীতিৰ নামত বোঁকা চতিওঁৱাৰ খেলত আজি অসমীয়া জাতিটো থান-বান হৈ সিচঁৰিত হৈ পৰিছে........... কিহঁৰ বাবে............? সেয়েহে আজি বাৰে বাৰে মোৰ হৃদয়ত সুৰৰ ঝংকাৰ ধ্বনিত হৈছে অসমৰ জনজীৱনৰ চিৰবৰেণ্য ব্যক্তি ড° ভূপেন হাজৰিকাৰ এই গীতটি----

আমি অসমীয়া নহওঁ দুখীয়া,
বুলি সান্তনা লভিলে নহ'ব।

....................................

....................................?

এই গীতটিৰ প্ৰতিটো শব্দ কণিকাই যেন অসমৰ বাস্তৱিক চিত্ৰটো দাঙি ধৰিবলৈ সক্ষম হৈছে কিয়নো বৰ্তমান যিবোৰ সমস্যাই গা কৰি উঠিছে সেয়া সঁচাই বৰ দুখজনক। বিশেষকৈ হত্যা, লুণ্ঠন, ধৰ্ষ বোমা বিস্ফোৰণ ইত্যাদিবোৰ সমস্যাই নিঃশেষ কৰিলে ৰূপহী অসমৰ স্বাধীনতা। তেনেহ'লে আজি স্বাধী দেশৰ নাগৰিক বুলি পৰিচয় আছেনে আমাৰ বাৰু? আমিবোৰে ইয়াৰ চিন্তা কৰিবৰ হ'ল। আহকচোন একেলগে এখোজ আগবাঢ়ি যাঁও ................

ঐতিহ্য মণ্ডিত পাতিদৰং মহাবিদ্যালয় লুইতৰ উত্তৰ পাৰৰ পাতিদৰং অঞ্চলৰ চিৰনমস্য জ্ঞানী-গুণী ব্যক্তি সকলৰ এক আশাৰ পদুঁম। কিন্তু বিভিন্ন কাৰণত নতুবা অৰ্থৰ অভাৱতেই হওঁক ঠন ধৰি উঠিব পৰা না কুৰি বছৰ পাৰ কৰাৰ পিছতো।

শেষত মহাবিদ্যালয়ৰ সাহিত্য চৰ্চা পথাৰখনত থিতাপি লোৱা সকলো লেখক-লেখিকাৰ উচ্চ মানদণ্ড লিখনিৰে আলোচনী খনৰ সৌন্দৰ্য বৃদ্ধি কৰিবলৈ যত্ন কৰা হৈছে। সেয়েহে যিসকল লেখক-লেখিকা লিখনি প্ৰকাশ কৰিব নোৱাৰিলো তেওঁলোকৰ ওচৰত ক্ষমাৰ ভিক্ষাৰী হৈ ৰ'লো। এখন সৰ্বাঙ্গ সুন্দৰ মুখপত্ৰ প্ৰকাশ কৰিবলৈ সঁচাকৈ বহু কষ্ট, ত্যাগ, অৰ্থ আৰু সময়ৰ প্ৰয়োজন। তথাপি মোৰ তেনেই সীমিত জ্ঞান অভিজ্ঞতাৰে ২০০৮-২০০৯ বৰ্ষৰ মুখপত্ৰ খন নিখুঁত কৰিবলৈ যত্নৰ ক্ৰটি কৰা নাই। মোৰ অজ্ঞাতে হৈ যো ভুল ভ্ৰান্তিৰ বাবে মাৰ্জনা বিচাৰিলো।

লগতে পুনৰবাৰ আটাইলৈকে শ্ৰদ্ধা, প্ৰীতি আৰু শুভেচ্ছা জনাই "পাতিদৰং মহাবিদ্যালয় আলোচনী"ৰ দীৰ্ঘায়ু কামনাৰে মোৰ প্ৰতিবেদনৰ ইতি ৰেখা টানিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

"জয়তু পাতিদৰং মহাবিদ্যালয় আলোচনী"

ইতি—

শ্ৰদ্ধাৰে

(ভদ্ৰেশ্বৰ দাস)

সম্পাদক, পাতিদৰং মহাবিদ্যালয় আলোচনী

# চিন্তা শিল্প-
# (প্ৰবন্ধ শিতান)

পৃষ্ঠা- ১-১৯

# কথা শিল্প-
# (গল্প শিতান)

পৃষ্ঠা- ২০-২৭

# শব্দ শিল্প
# (অসমীয়া আৰু বড়ো)
# (কবিতা শিতান)

পৃষ্ঠা- ৩০-৪২

# সমাজৰ বিকাশ আৰু উন্নতিত শিক্ষানুষ্ঠান, সাংস্কৃতিক সংস্থা আৰু উদ্যোগ সংস্থাৰ ভূমিকা

শ্ৰীদুৰ্গেশ্বৰ ডেকা
প্ৰবক্তা, দৰ্শন বিভাগ

১। শিক্ষানুষ্ঠানসমূহৰ দাৰ্শনিক ভিত্তিঃ- মানুহৰ প্ৰয়োজনবোধে বিভিন্ন ধৰণৰ শিক্ষানুষ্ঠান গঢ় লয়। যিখন সমাজত যিটো দাৰ্শনিক সিদ্ধান্ত মতে কাম কৰে সেইমতে সমাজত শিক্ষানুষ্ঠানবোৰ গঢ়ি উঠে। সমাজত মূলতঃ দাৰ্শনিক সিদ্ধান্তৰ ভিত্তিত গঢ় লৈ উঠা শিক্ষানুষ্ঠানৰ তিনিটা দাৰ্শনিক সিদ্ধান্তৰ আলোকপাত কৰা হ'ল-

(ক) স্বভাৱবাদঃ- স্বভাৱবাদমতে শিশুৰ বিকাশ আৰু বৰ্ধন স্বাভাৱিক প্ৰক্ৰিয়ামতে নিৰ্ধাৰিণ হয়। এই মতৰ পৃষ্ঠপোষক ৰুছোৰ পৰিপূৰ্ণ সুবিধা আৰু সুযোগ দিয়াই শিক্ষাৰ উদ্দেশ্য হোৱা উচিত। কাৰণ শিক্ষা ব্যৱস্থাত কৃত্ৰিমতা থাকিলে শিশুৰ বিকাশ সাধনত শিক্ষা প্ৰতিবন্ধক হয়। যান্ত্ৰিকভাৱে পাঠ মুখস্থ কৰোৱাই শিক্ষা নহয়। শিশুৰ আৱেগ, ইচ্ছা, অনুভূতি কামনা-বাসনা আদিক শিক্ষক তথা অভিভাৱকে অধিক গুৰুত্ব দিব লাগে। শিশুৱে যিহেতু খেলা-ধূলা, গান-বাজ-না, নাচ আদি ভাল পায়, গতিকে ইয়াৰ মাধ্যমেৰেই শিশুক শিক্ষা দিয়া উচিত।

শিক্ষানুষ্ঠানৰ পৰিবেশষ শিশুৰ বাবে আনন্দদায়ক হ'লে শিশুক গঢ় দিয়াত সহজ হয়। প্ৰকৃতিৰ নিয়ম অনুযায়ী শিশুক শিক্ষা দিয়াৰ একমাত্ৰ উৎকৃষ্ট উপায়। ৰুছোৰ এই মত পেষ্টালেজি, হাবাৰ্ট স্পেন্সাৰ, ফ্ৰোয়েবেল, মণ্টেশ্বৰী আদি শিক্ষাবিদসকলে সমৰ্থন জনাইছে।

(খ) প্ৰয়োগবাদঃ- প্ৰয়োগবাদীসকলৰ মতে শিক্ষাৰ উদ্দেশ্য মানুহৰ জীৱনৰ কাৰ্যকাৰিতাৰ লগত সমিল মিল হোৱাটো বাৰুকৈয়ে প্ৰয়োজন। পাৰ্চ, জেমছ, জন ডিৱি, শচীলাৰ আদিৰ মতে শিক্ষা অভিজ্ঞতাৰ ওপৰত নিৰ্ভৰশীল হোৱা উচিত। মানুহৰ শিক্ষা আৰু অভিজ্ঞতা যাতে গুণগত উৎকৰ্ষ সাধন কৰিব পৰা বিধৰ হয় তাৰ প্ৰতি লক্ষ্য ৰাখিবলৈ শিক্ষানুষ্ঠানবোৰে চেষ্টা কৰিব লাগে। শিক্ষাৰ দ্বাৰাই শিশুৰ ভৱিষ্যত জীৱনৰ গতি পথ নিৰ্ধাৰণ কৰা ক্ষেত্ৰত শিশুৱে অভিজ্ঞতাৰ পুণৰ্গঠন আৰু পুণৰবিন্যাস কৰিব পাৰে লগতে ভৱিষ্যত জীৱন সুখময় আৰু সুন্দৰ কৰিব পাৰে তাৰ প্ৰতি গুৰুত্ব আৰোপ কৰা দৰকাৰ। প্ৰয়োগবাদে অকল পুথিগত শিক্ষাক নুবুজায়। কাৰ্যৰ মাধ্যমেৰে শিক্ষা দিয়াক আচল শিক্ষা বুলি কয়। শিশুৰ কৰ্মকুশলতা যাতে বৃদ্ধি কৰিব পাৰে তাৰ বাবে শিক্ষাৰ প্ৰায়োগিক দিশটোৰ প্ৰতি চকু দিব লাগে। প্ৰয়োগবাদে উপদেশতকৈ আৰ্হি শ্ৰেয় এই সূত্ৰ মানি লয়।

এই সিদ্ধান্তমতে অৱশ্যে যিকোনো আদৰ্শক মানি ললে শিক্ষাৰ আদৰ্শ বা লক্ষ্য হ'ব নোৱাৰে। ইয়াৰ যথোপযুক্ততাৰ ভিত্তিত যাতে নিকি শিক্ষা আহৰণ কৰিলে ভৱিষ্যত অন্ধ আৰু যান্ত্ৰিক নহয় তাৰ বাবে সতৰ্ক হৈ জীৱনৰ গতিপথ নিৰ্ধাৰণত বিজুতি নহয় অৰ্থাৎ ফলপ্ৰসু হ'ব পৰা যায়।

(গ) আদৰ্শবাদঃ- আদৰ্শবাদীসকলৰ মতে মানুহৰ যি সুপ্ত গুণবোৰ আছে সেইবোৰক বিকশিত কৰি পূৰ্ণ সত্তা প্ৰদান কৰাই শিক্ষাৰ উদ্দেশ্য হোৱা উচিত। ব্যক্তিত্বৰ প্ৰকৃত বিকাশ সাধন শিক্ষাৰ প্ৰধান উদ্দেশ্য বা লক্ষ্য হ'ব লাগে। কাৰণ ব্যক্তি যিহেতু বিশ্বচেতনাৰ স্বচ্ছল প্ৰকাশ তাক সাব্যস্ত কৰা শিক্ষাৰ উদ্দেশ্য। গতিকে ক'ব পৰা যায় যে বৈজ্ঞানিক বা প্ৰায়োগিক শিক্ষাৰ লগে লগে আধ্যাত্মিক আৰু নৈতিক

শিক্ষা প্ৰদান কৰা শিক্ষাৰ প্ৰধান উদ্দেশ্য হ'লে মানৱ সমাজৰ অগ্ৰগতি হ'বই। সমাজৰ অগ্ৰগতিত ওপৰৰ তিনিওটা মতবাদৰ সমন্বয় কৰিলে সেই শিক্ষা প্ৰণালী বোধকৰো সৰ্বজন সমাদিত হ'ব। তথাপিও প্ৰয়োগবাদী সিদ্ধান্তটো বৰ্তমান যুগ ধৰ্মৰ পৰিপ্ৰেক্ষিতত বেছি খাপ খোৱা যেন লাগে। কাৰণ মানুহৰ চৰিত্ৰ অৰ্থনৈতিক জীৱনত ব্যক্তিগতভাৱে অথবা সামুহিকভাৱে উন্নতি সাধিবলৈ হ'লে নিজকে কৰ্মক্ষম মানুহৰূপে গঢ়ি তোলা প্ৰত্যেকৰে তথা সমাজৰ লগতে ৰাষ্ট্ৰৰ কৰ্তব্য। তেতিয়াহে সমাজৰ বিশৃঙ্খলতা, অশান্তি, অদূৰদৰ্শিতা, অন্যায়, অবিচাৰ আদি লোপ পাব। কাৰণ মানুহে কৰ্ম কৰিব নোৱাৰিলে জী য়াই থাকিব কেনেকৈ? কৰ্ম কৰিবলৈ কিবা নহয় কিবা ক্ষেত্ৰ বা মাধ্যমৰ প্ৰয়োজন। কাৰণ মাধ্যম দিয়াৰ দায়িত্ব সমাজৰ।

২। সমাজৰ বিকাশ উন্নতিত সাংস্কৃতিক সংস্থাঃ- সংস্কৃতি আৰু জীৱনৰ মাজত নিবিড় সম্পৰ্ক আছে। কাৰণ ব্যক্তিৰ ব্যক্তিত্ব আৰু সাংস্কৃতিক জটিলতাৰ বিষয়ে অধ্যয়ন কৰিলে এই কথা জানিব পাৰোহঁক। আদিম যুগৰ পৰাই মানুহ আৰু সংস্কৃতি এই দুয়োটা বস্তু একেলগে আহি আছে। নৃতত্ববিদ সকলৰ অধ্যয়নৰ পৰা এই কথা ভালদৰে জানিব পাৰি। সংস্কৃতি আৰু জীৱন পৰস্পৰ নিৰ্ভৰশীল।

সংস্কৃতিৰ আৰ্হিৰে ব্যক্তিৰ ব্যক্তিত্ব, ব্যক্তিত্বৰ সীমাৰেখা নিৰ্ধাৰণ হোৱাৰ উপৰিও ব্যক্তি বিশেষ গুণৰ অধিকাৰী হ'ব পাৰে। অৱশ্যে সংস্কৃতিত অপসংস্কৃতি সোমালে সংস্কৃতিৰ আৰ্হি বিনাশ হয়। কাৰণ মানুহৰ জীৱনৰ পৰম শ্ৰেয় লাভৰ সহায়ক হ'ল একমাত্ৰ সংস্কৃতি। সংস্কৃতি নহ'লে মানুহৰ অগ্ৰগতি বিব্ৰত হয়। সত্যম শিৱম সুন্দৰমৰ প্ৰতি অনুৰাগ বৰ্ধনৰ বাবে মানুহক সংস্কৃতিয়ে অৰিহণা যোগায়। সংস্কৃতিত সাহিত্য, সংগীত আৰু কলাৰ অনুশীলন নিহিত থাকে। এইবোৰৰ অনুশীলন নাথাকিলে আমি বধ কৰা পশুৰদৰে হম। সংস্কৃতিক বাদ দিলে মানুহ বৰ্বৰতাৰ স্তৰলৈ যায়। গতিকে সমাজৰ ধৰ্ম আৰু নীতি অনুযায়ী সভ্যতাৰ স্তৰলৈ আগবাঢ়িবলৈ হ'লে সংস্কৃতিৰ অনুশীলন সকলোৰে বাবে প্ৰয়োজন।

সংস্কৃতিয়ে মানুহৰ জীৱন পৰিপূৰ্ণ কৰিব পাৰে আন উপাদান সুখ, স্বচ্ছন্দ আদিয়ে নোৱাৰে। সমাজৰ বিকা[শ] আৰু উন্নতি সাধনত সংস্কৃতিৰ ব্যৱহাৰিক দিশে মানুহৰ জীৱনক নিয়ন্ত্ৰণ কৰে। পুজিবাদী সমাজত সংস্কৃতি অভিমানৰ বস্তু হৈ পৰে। ফলত অপসংস্কৃতিয়ে বাহ ল[য়] আৰু সংস্কৃতিৰ মাধ্যমেৰে সাধাৰণ মানুহক শোষণ কৰে বুজাসকলৰ বাবে সংস্কৃতি একচেতীয়া সম্পদৰ দৰে হয় গতিকে এনে সংস্কৃতিৰ অৰ্থ নাই, প্ৰকৃত জীৱনৰ সম্বন্ধ নাথাকে। ই জীৱন বিহীন হয়। চি এম কেচৰ মতে সংস্কৃতি মানৱ ব্যক্তিত্বৰ কিছুমান বৈশিষ্ট্যৰ পৰিনাম। কাৰণ সংস্কৃতিত ব্যক্তি বা সমাজ অভিজ্ঞতাবোৰৰ সংৰক্ষণ, বিনিময় আৰু সঞ্চাৰণ নিহিত থাকে। ছোৰোকিনৰ মতে বিজ্ঞান, দৰ্শন, ধৰ্ম, কলা, শিল্প বিজ্ঞান আদি সকলোধৰণৰ মানৱ অভিজ্ঞতাবোৰ সংস্কৃতিৰ ভিতৰত পৰে। মেক আইভাৰৰ মতে সংস্কৃতি হ'ল এক সামাজিক বিৱৰ্তন। সমাজ আৰু সংস্কৃতিৰ বিৱৰ্তনৰ মাজৰ নিবিড় আচৰণত ব্যক্ত হোৱা জীৱিকা আৰু চিন্তা চৰ্চাক বুজায়। নিক'ফ আৰু ওগবাৰ্ণৰ মতে প্ৰকৃতিৰ সকলো ধৰণৰ বস্তুৰ দৰে সংস্কৃতিও বিকাশ সূত্ৰৰ অধীন। এওঁলোকৰ মতে সময়ৰ সংস্কৃতি সময়ৰ লগে লগে পুৰঠ হৈ গৈ থাকে। বৰ্তমান আমি যি সংস্কৃতি পাইছো সি অতীতৰ সংস্কৃতিবোৰৰ অৱদানৰ ফল। লা পিয়েৰৰ মতে কোনো সমাজ দলৰ সাংস্কৃতিক গঠনটো অতীতৰ পৰা উত্তৰাধিকাৰীসুত্ৰে পোৱা। পুৰুষ পুৰুষ ধৰি মানুহে আৰ্জি থকা ৰীতি নীতি, ঐতিহ্য অনুষ্ঠান আদিৰ সমাহাৰেই হ'ল সংস্কৃতি। গিটলাৰৰ মতে সমাজ বিজ্ঞান আৰু নৃতত্ব দিশৰ পৰা মানুহে সজা জগতখনৰ নামেই হ'ল সংস্কৃতি। মানুহে জীয়াই থাকিবৰ বাবে সংস্কৃতিৰ বিকাশ প্ৰতীকধৰ্মী কৰি লয়। মাত্ৰ মানুহ আৰু চৰাইৰহে সংস্কৃতি আছে, অন্য জীৱৰ সংস্কৃতি দেখা পোৱা নাযায়।

সমাজৰ বিকাশ আৰু উন্নতিত গীৰ্জা, মন্দিৰ মছজিদ, নামঘৰ, ভাওঁনাঘৰ, সংগীতঘৰ, ৰংগমঞ্চ, কলামঞ্চ, কলামন্দিৰ, ব্যায়ামঘৰ, ছবিঘৰ, নাটঘৰ, অধ্যয়নচক্ৰ, আলোচনাচক্ৰ, তৰ্ক প্ৰতিযোগিতা, প্ৰশ্নোত্তৰ

তিযোগিতা, সাক্ষাৎকাৰ, উপাধি প্ৰদান অনুষ্ঠান, সভা-মিতি আদি সংস্কৃতিৰ ভিতৰত পৰে। এই সাংস্কৃতিক নুষ্ঠানসমূহে বহুতো ধৰণৰ সাংস্কৃতিক কাৰ্যকলাপ হাতত য়। মানুহৰ সাংস্কৃতিক আৰু সামাজিক জীৱন এইবোৰ নুষ্ঠানৰ মাজেৰে মিলিত হয় আৰু মানুহৰ বৌদ্ধিক াধ্যাত্মিক উৎকৰ্ষ সাধন হয়। এইবোৰ অনুষ্ঠানৰ মাজেদি নুহৰ মনৰ ভাৱ মুকলিভাৱে ব্যক্ত হয় আৰু মানুহৰ ্যক্তিত্বৰ সৃজনীশীল দিশটোক সন্তুষ্ট আৰু সম্পূৰ্ণ কৰাত হায় কৰে। এইবোৰে মানুহক পশুৰ শাৰীৰ পৰা প্ৰকৃত নুহ হোৱাৰ প্ৰচেষ্টাত সহায় কৰে। মানৱীয় গুণবোৰৰ ়ধিকাৰৰ বাবেও সাংস্কৃতিক সংস্থা বা সংঘবোৰৰ ভূমিকা লখতলবলগীয়া। সাংস্কৃতিক সংস্থা সমূহে আনুষ্ঠানিকভাৱে নুহক শিক্ষা প্ৰদান কৰে। আমি সকলোৱে জানো যে ীমন্ত শংকৰদেৱে নামঘৰ অনুষ্ঠানৰ মাজেদি মানুহক বষ্ণৱ ধৰ্মৰ দিশত শিক্ষিত কৰিছিল বা কৰিয়েই আছে। নজীৱনৰ বৌদ্ধিক আলোকেৰে আলোকিত কৰাৰ পৰিও সাংস্কৃতিক সংস্থাসমূহে সাধাৰণ মানুহক সচেতন িৰি তোলে। যাৰ ফলত এখন ৰাষ্ট্ৰৰ দেশ শাসনত ালোকৰ বৌদ্ধিক আইন পৰিপূৰ্ণ হয়। দেশখনৰ অপায় মঙ্গল দূৰীকৰণত যথেষ্ট সহায় হয়।

বহুতে কয় যে সমাজৰ উন্নতিৰ আন এটা নাম াংস্কৃতিক প্ৰবাহ। সমাজৰ বিকাশ আৰু উন্নতিত সাংস্কৃতিক ংস্থাসমূহে সংস্কৃতিৰ দ্বাৰা প্ৰকৃত জনসমাজৰ পৰা াংস্কৃতিক জন সমাজলৈ আৱৰ্তন কৰাই সামাজিক অনুদান ৰ্জন কৰ্ত্তব্য পালন কৰে। মানুহৰ জীৱনৰ সৰ্বাত্মক ঐক্য ষ্থিৰ কৰাটোৱেই হ'ল সংস্কৃতিৰ লক্ষ্য। সংস্কৃতিৰ উন্নতিয়ে ্ধানতঃ জ্ঞান, বুদ্ধি আৰু চৰিত্ৰৰ উৎকৰ্ষক বুজায়। মানুহৰ ন্তঃ প্ৰেৰণাই যেতিয়া চিন্তাসমন্বিত ভাৱবেগলৈ উন্নতি য় তেতিয়া মানুহে এইবোৰ কলা-কৃষ্টিৰ মাজেৰে জীৱনৰ বৌদ্ধিক ব্যাখ্যা বিচাৰি পায়। কাৰণ মানুহৰ অন্তঃ প্ৰেৰণাৰ াকাশৰ যি ধাউতি সি বিভিন্ন কলা-কৃষ্টিত ব্যক্ত হয়।

শিক্ষানুষ্ঠানবিলাকে মানুহৰ চৰিত্ৰ গঠনত সহায় ৰে। মানুহে জন্ম লওঁতে কেতিয়াও অপৰাধী হৈ জন্ম নলয়। সমাজেহে তেওঁক অপৰাধী কৰে। গতিকে অপৰাধীসকলক সংস্কাৰ কৰি প্ৰয়োজনীয় সুবিধা প্ৰদান কৰাটো সমাজৰ কৰ্ত্তব্য। শিক্ষা আৰু সংস্কৃতিৰ দ্বাৰা অপৰাধীক সংস্কাৰ কৰিব পাৰি। কঠোৰ শাস্তিয়ে অপৰাধীক বেছি অপৰাধী মুখী কৰে। শাস্তিৰ স্থান যদি শিক্ষা আৰু সংস্কৃতিৰ অনুশীলনে লয় তেন্তে সমাজত অপৰাধীৰ সংখ্যা বহুত কমি যাব আৰু চুৰি, ডকাইত, হত্যা আদি ব্যাধিৰ পৰা হাত সাৰিব পাৰিব।

প্ৰায়োগিক শিক্ষা, আধ্যাত্মিক শিক্ষা, নৈতিক শিক্ষা, জ্ঞানভিত্তিক শিক্ষা, সংস্কৃতিৰ শিক্ষাৰ অনুশীলনৰ আদিৰ দ্বাৰা মানুহক আত্মনিৰ্ভৰশীল আৰু স্বাৱলম্বী কৰাটো শিক্ষাৰ ঘাই উদ্দেশ্য হোৱা উচিত। সাহিত্য সংগীত আৰু কলাৰ অনুশীলনে মানুহক ভাল পথলৈ আনিব পাৰে। মানুহৰ যেতিয়া শুদ্ধ জ্ঞান আৰু অভিজ্ঞতা হয় তেতিয়া তেওঁৰ অসৎ কামৰ প্ৰতি মন নাইকীয়া হয়। শিক্ষা আৰু সংস্কৃতিয়ে মানুহক উপযুক্ত ব্যক্তি কৰি গঢ়ি তোলে, যাৰ ফলত মানুহে স্বাৱলম্বী হৈ জীৱিকা নিৰ্বাহি কৰিব পাৰে। শিক্ষানুষ্ঠানত ছাত্ৰ-ছাত্ৰীবোৰৰ বয়স কম অৱস্থাত থাকে। শিক্ষানুষ্ঠান, সাংস্কৃতিক সংস্থা আৰু সাংস্কৃতিক অনুষ্ঠানৰ জৰিয়তে অসময়ত বাটে ঘাটে ঘূৰি ফুৰা অভ্যাস কৰা, অসৎ মানুহৰ সংগ লোৱা আদিৰ পৰা আতৰাই ৰাখিব পাৰি। তেতিয়া সমাজত বহুতো বেয়া কামৰ পৰা উদ্ভৱ হোৱা ব্যাধিৰ পৰা নিৰাময় পাব পাৰি।

৩। সামাজিক বিকাশ আৰু উন্নতিত উদ্যোগ সংস্থাঃ- ঔদ্যোগিক শ্ৰেণীয়ে সমাজৰ অৰ্থনৈতিক দিশত ৰাজনৈতিক দিশ সমাজৰ নিয়ন্ত্ৰণ ব্যৱস্থা অভাৱ তথা কিছু অৰ্থনৈতিক সমস্যা আদিৰ উন্নতি সাধন কৰে। যেনে- এজন কৰ্মীয়ে যেতিয়া কোনো কলাকাৰৰ যন্ত্ৰপাতি কোনো যুদ্ধৰ বাবে অস্ত্ৰ-শস্ত্ৰ, কোনো খেলৰ সামগ্ৰী বা কোনো বিষয় লৈ উপন্যাস লিখে বা তৈয়াৰ কৰে সেইবোৰ কামে মানুহৰ অৰ্থনৈতিক উন্নয়ন আনে। যিজন মানুহ থাকিব বা খাব বা পিন্ধিবৰ বাবে সৰঞ্জাম বহা সম্পদ তৈয়াৰ কৰে তেওঁৰ কামেহে সমাজৰ বিকাশ আৰু উন্নতি সাধন কৰে।

সৃষ্টিকৰ সমাজ জাতিৰ ৰাষ্ট্ৰৰ ভগৱান স্বৰূপ। তেওঁক কোনোদিনে পাহৰিব নালাগে বা নাপাহৰে। পুজিপতি ব্যৱস্থাত চৰকাৰী কৰ আইনৰ জৰিয়তে ঔদ্যোগিক চৰকাৰী আইন প্ৰণয়ন কৰি শোষণৰ পৰা মুক্ত কৰাটো পৰিলক্ষিত হৈছে। পুজিপতি কৌটিপতি হব পাৰে নিজৰ শ্ৰম আৰু অধ্যাৱসাৰ দ্বাৰা। তাত কাৰো দ্বিমত নাই। যিহেতু তেওঁ লোকে কাকো অন্যায় কৰাৰ নজিৰ নাথাকে। লগে লগে এখন ৰাষ্ট্ৰ তথা সমাজৰো গৌৰৱৰ পাত্ৰ হিচাবে পৰিগণিত হয়। আনদেশতো পুজিপতিৰ উৎপাদনে স্থিতিস্থাপকতা পাব পাৰি।

দাৰ্শনিক আৰু ৰাজনীতিবিদসকলে কয় যে উদ্যোগ সংস্থাবোৰ কোনো সমাজৰ নিয়ন্ত্ৰণাধীন হব লাগে। উদ্যোগিক সংস্থাবোৰ নৈতিক আদৰ্শৰে পৰিপূৰ্ণ হব লাগে। এইবোৰৰ উদ্দেশ্য এনেধৰণৰ হোৱা উচিত যেনে ল'ৰা-ছোৱালীৰ বাবে প্ৰস্তুত কৰা খাদ্য সামগ্ৰীৰ উৎপাদন কৰা স্থানত গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰ কৰা অন্যান্য বস্তুবোৰ খাটি হয় নে নহয় তাক পৰীক্ষা কৰা সকলোবোৰ তৈয়াৰী বস্তু মানুহৰ চাহিদা অনুযায়ী উপযুক্তভাৱে উচিত মূল্যত ৰাইজৰ মাজত উলিয়াই দিয়া আদি। অৱশ্যে এইবোৰ কামত চৰকাৰৰ তৰফৰ পৰা পৰিদৰ্শন আদিৰ ব্যৱস্থা কৰাটো বাধ্যমূলক হব লাগে।

উদ্যোগ পৰিচালকসকলে এটা কথাত সদায় চকু ৰাখিব লাগে যে তেওঁলোকৰ উদ্যোগ প্ৰতিষ্ঠানত কাম কৰা লোকসকলে প্ৰতিষ্ঠানটোৰ প্ৰতি কেনেকৈ ভাল ভাব ৰাখে। মনস্তাত্বিক বাতাবৰণ সৃষ্টি কৰিব নোৱাৰিলে সমাজৰ আদৰ্শত দীক্ষিত নহলে,নিয়ম- নীতি অটুত নেৰাখিলে ঔদ্যোগিক মনোবল নাথাকিলে বনুৱাসকলৰ মন অধিক উৎপাদনৰ প্ৰতি ঢাল নাখায়। বনুৱাসকলক সন্তুষ্ট কৰি ৰাখিব পাৰিলে উদ্যোগ প্ৰতিষ্ঠান নিয়াৰিকৈ চলিব পাৰে আৰু পৰিচালকসকলেও কাম কাজত কোনো বাধা নাপায়। বনুৱাসকলৰ কামক সন্মানৰ চকুৰে নাচালে তেওঁলোক সন্তুষ্ট নহব আৰু তেতিয়া উদ্যোগ প্ৰতিষ্ঠানৰ উৎপাদনত ব্যাঘাত জন্মিব। যি উদ্যোগ প্ৰতিষ্ঠানৰ এনেবোৰ প্ৰতিবন্ধক থাকে তেনেবোৰ উদ্যোগ বা অনুষ্ঠান প্ৰতিষ্ঠানৰ অধোগ হোৱা দেখা যায়। ফলত এইবোৰ দেউলীয়া হোৱা দে যায়। উদ্যোগ অনুষ্ঠান, প্ৰতিষ্ঠান দেউলীয়া বা ভাগোনম হলে সমাজৰ যথেষ্ট ক্ষতি হয়। এইক্ষেত্ৰত পৰিচাল ব্যৱহাৰ বা আচৰণ দুয়োশ্ৰেণীৰ মাজত বন্ধুভাৱ বিৰ কৰা আৰু বিকশিত উন্নয়ন অটুত ৰখাটো সমাজ তথা ৰা গুৰুত্বপূৰ্ণ কৰ্তব্য লগতে দায়িত্ব হিচাবে পৰিগণিত হয়।

মানুহ শিক্ষা, সভ্যতা, সংস্কৃতি, ব্যৱসায় বাণি উদ্যোগ অনুষ্ঠান আৰু প্ৰতিষ্ঠানত চহকী হলে সমাজৰ লগ দেশৰ উন্নয়ন সম্ভৱ হয়। যিখন সমাজত এইবোৰ নাই তে সমাজৰ বিকাশ আৰু উন্নতি হবই নোৱাৰে। বৰং অধোগ হোৱা দেখা যায়। অনৈক্যৰ মাজত ঐক্যতা, সমাজত ত ৰাষ্ট্ৰৰ বাবে বাধ্যতামূলক। একনায়কত্ব কোনো সমাজ চলিলে সেইখন সমাজ সমালোচনাৰ পাত্ৰ হৈ পৰে অ আন আন সমাজ তথা সামাজিক উন্নয়নৰ পৰা পিছু প থাকে। কাৰণ সমাজব্যৱস্থা উন্নত হ'লে সমাজৰ উন্ন হয়। উদ্যোগিত ব্যৱস্থা সম্প্ৰসাৰণ হলেওঁ সমাজৰ অ ৰাষ্ট্ৰৰ অৰ্থনৈতিক স্বাধীনতা উন্নত হয়। তেতিয়া সম তথা ৰাষ্ট্ৰত বিশৃংখলতা আৰু দুখৰ বোজা আতৰ হৈ শৃং আৰু সুখৰ বোজাৰ সুহুৰিয়ে ৰিঙিয়াই মাতে লগতে সমাজ শিক্ষাৰ সম্প্ৰসাৰণ, অপায় অমংগল দূৰীকৰণ অৰ্থনৈতি চাহিদা পূৰণ, সভ্যতাৰ অগ্ৰগতি, সাংস্কৃতিক উন্নতি, মা মানৱ সম্পদ হিচাবে আৱাহন, বিভেদীকৰণ বিনাশ, জাতি উন্নতি আৰু চিৰ স্থায়ীকৰণ, সমাজৰ অন্যায় অবিচাৰন আদি সম্ভৱ হৈ উঠে।

এটা কথা থিক যে বৰ্তমান সময়ত বিশ্ব বাণি কেন্দ্ৰ প্ৰতিষ্ঠাৰ ফলত বিশ্ববেংক ব্যৱস্থাৰে পৃথিৱী প্ৰায়বোৰ ৰাষ্ট্ৰই উদ্যোগিক সংস্থাৰ জৰিয়তে মানুহৰ চাহি অনুযায়ী অভাৱ পূৰণ কৰি বন্ধুত্ব ভাৱ গঢ়িবলৈ সক্ষম হৈছে কাৰণ মানুহৰ লাগতিয়াল সামগ্ৰীৰ চাহিদা পূৰণ কৰিব পা বিশ্বৰ বজাৰত থকা বিভিন্ন কেন্দ্ৰসমূহে। উদাহৰণস্বৰূ ভাৰতত উৎপাদিত সামগ্ৰী একপদ যদি ৰাছিয়াত উৎপা হোৱা নাই তেন্তে বিশ্ববাণিজ্য কেন্দ্ৰৰ নীতি নিয়মৰ মাজে

ৰাছিয়াই পাৰলৈ সক্ষম হব পাৰে। অথবা পৃথিৱীৰ আনদেশবোৰেওঁ পাৰলৈ সক্ষম হব পাৰে। এইক্ষেত্ৰত ৰাষ্ট্ৰসংঘৰ ভূমিকা আৰু বিশ্ববেংকৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ। গতিকে এইবোৰৰ বুজাপৰাৰ জৰিয়তে বিশ্বশান্তি সম্ভৱ হৈছে। বিশ্ববেংক আৰু ৰাষ্ট্ৰসংঘৰ সামাজিক সাৱলীলকৰণ, উদ্যোগিক বিধি আদি আইনৰ জৰিয়তে সমগ্ৰ পৃথিৱী একাকাৰ কৰিবলৈ সম্ভৱ হৈছে। বিশ্ব উদ্যোগিক সংস্থাৰ বিধি আৰু বিশ্ব বাণিজ্য কেন্দ্ৰই মানৱ সমাজক উন্নতিৰ শিখৰলৈ আগবঢ়াব পাৰিছে। ভাৰতৰ পাৰমাণৱিক বোমা আৰু অস্ত্ৰ-সস্ত্ৰ তৈয়াৰ ভাৰতৰ বাবে অন্যতম অৱদান। যিটো পৃথিৱীৰ আন দেশত সম্ভৱ হোৱা নাই। ভাৰতীয় গৱেষণা কেন্দ্ৰৰ ই এক অন্যতম ফল। এনেদৰে আমেৰিকা, ৰাছিয়া, জাপান, চীন, অষ্ট্ৰেলিয়া, চুইজাৰলেণ্ড, ইংলেণ্ড আদি বিশেষ বিশেষ আৱিস্কাৰৰ বাবে পৃথিৱীৰ প্ৰত্যেক সমাজে জানে। সেইদৰে ভাৰতকো পৃথিৱীয়ে জানে। প্ৰয়োজনীয় আৱিস্কাৰ আৰু প্ৰয়োজনীয় সামগ্ৰীৰ উৎপাদন বৰ্ধন মানৱ সমাজৰ বাবে দাপোণ স্বৰূপ। লগতে উন্নতিৰ শিখৰলৈ উঠা এটা বৃহত্তৰ সামাজিক আগমন। সেয়েহে প্ৰত্যেকেই যদি আমি সামাজিক বিকাশ আৰু উন্নতি সাধন কৰাৰ, উদ্দেশ্যৰে যাৰ সক্ষমতা আছে পাৰ্য্যমানে মনোযোগ লগতে আন দহজনৰ তথা সমাজৰ উন্নয়ন হোৱাটো বাধ্যতামূলক। এয়াই হৈছে মানৱ সমাজৰ বিকাশ আৰু উন্নতি সাধনৰ এক আৰ্হিস্বৰূপ। বুদ্ধিবাদী দাৰ্শনিক ৰেনে ডেকাৰ্টে (Rene Descarte) কৈছিল মোৰ অস্তিত্ব আছে যিহেতু মই জীয়াই আছো (I exist whatever I exist) অথবা (Cogito ergo sum)। মানুহৰ বুদ্ধিক সৎ চিন্তাত প্ৰয়োগ কৰিলে নিজৰ উন্নয়ন হব পাৰে, আনৰো উপকাৰ হব পাৰে। অথবা নতুন কিবা আৱিস্কাৰো হব পাৰে। আজৰি সময়ত এনেয়ে থকাতকৈ উপকাৰত অহা কিবা এটা কৰি থকাই ভাল। তেতিয়া নিজৰ লগতে সমাজৰো উন্নতি হব পাৰে। তাকে নকৰি এনেয়ে সময় কটালে নিজৰ লগতে আনৰো অপকাৰ হব পাৰে। নিজেই নিজৰ ভৰিৰ ওপৰত থিয় দিবলৈ যত্ন কৰা উচিত। সেয়া সম্ভৱ হয় সমাজৰ বিকাশত আৰু উন্নয়নত।

সেয়েহে শেষত কব পাৰি যে সমাজৰ বিকাশ আৰু উন্নতিত শিক্ষানুষ্ঠান, সাংস্কৃতিক সংস্থা আৰু উদ্যোগ সংস্থাৰ ভূমিকা অতি গুৰুত্বপূৰ্ণ বুলি মানি লোৱা হৈছে।

# মহৎ লোকৰ বাণী

☛ আমাক এনে শিক্ষা লাগে যাৰ দ্বাৰা আমাৰ সৎ চৰিত্ৰ গঠন হয়, যাৰ দ্বাৰা মানসিক বল বৃদ্ধি পায়, যাৰ দ্বাৰা বুদ্ধিমত্তা প্ৰসাৰিত হ'ব আৰু যাৰ সহায়ত আমি নিজৰ ভৰিত থিয় দি আত্ম নিৰ্ভৰশীল হ'ব পাৰো।

——— স্বামী বিবেকানন্দ

☛ যিয়ে ভয়তে বা লোভত পৰি শত্ৰুৰ হাতত নিজ বংশ বা নিজ দেশ ধ্বংস হোৱা দেখিও সহি থাকে সিয়ে নৰাধম।

——— নীতিশাস্ত্ৰ।

☛ আমি চৰাইৰ দৰে উৰিবলৈ শিকিছো, মাছৰ দৰে সাঁতুৰিব শিকিছোঁ, কিন্তু এখন পৃথিবীত ভাতৃৰ দৰে কাম কৰিবলৈ শিকা নাই।

——— মাৰ্টিন লুথাৰ।

☛ মই সেইজন মানুহকেই মোৰ আটাইতকৈ উপকাৰী বন্ধু বুলি গণ্য কৰো- যিজন মানুহে মই, আগতে নপঢ়া এজন ভাল কিতাপৰ খবৰ মোক দিয়ে। মই জানিবলৈ বিচৰা সকলো কথা কেৱল কিতাপতহে আছে।

—— আব্ৰাহাম লিংকন।

**সংগ্ৰাহক ঃ চুমি বেজবৰুৱা, স্নাতক ৩য় বৰ্ষ**

# অসমৰ জনজাতীয় পৰম্পৰাত শিৱ দেৱতাৰ স্থান

সংগীতা বৈশ্য, প্ৰৱক্ত
অসমীয়া বিভা

হিন্দু ধৰ্মৰ প্ৰাচীন তথা প্ৰধান দেৱতা হিচাপে শিৱ দেৱতাই অতি প্ৰাচীন কালৰ পৰাই উপাস্য দেৱতা হিচাপে স্থান অধিকাৰ কৰি আহিছে। বৈদিক যুগৰ পৰাই দেৱাদিদেৱ শিৱ মহাদেউৰ মহিমামণ্ডিত আখ্যান সমূহে সকলো শ্ৰেণীৰ লোককে আকৰ্ষিত কৰিছিল যদিও জনমানসতো শিৱৰ মাহাত্ম্য তথা প্ৰভাৱ অসীম। কেৱল অসমৰ জনজাতীয় লোকৰ মাজতে নহয় সমগ্ৰ ভাৰতবৰ্ষতে শিৱদেৱতাই জনমানসত এক বিশিষ্ট স্থান অধিকাৰ কৰিবলৈ সক্ষম হৈছিল। সম্ভৱত সিন্ধু উপত্যাকাত শিৱ ধৰ্মৰ ধাৰা প্ৰতিষ্ঠা হৈছিল আৰু কালক্ৰমত ই বিয়পি পৰে সমগ্ৰ ভাৰতবৰ্ষত। বিভিন্ন সময়ত ভাৰতবৰ্ষৰ ভিন্ন ৰাজ্যৰ পৰা ভিন্ন জাতি-উপজাতিৰ লোক অসমত প্ৰৱেশ কৰে আৰু তেওঁলোকৰ পৰাই শৈৱ ধৰ্মৰ খুটিতো অসমৰ মাটিত গজগজীয়াকৈ স্থাপন হয়। সময়ৰ অগ্ৰগতিত 'শিৱ' হৈ পৰে অসমত বাস কৰা ভিন্ন জাতি উপজাতিৰ আপোনৰো আপোন দেৱতা। লিখিত সাহিত্য প্ৰচলন হোৱাৰ পূৰ্বে মৌখিক সাহিত্যৰ যোগেদি শিৱৰ মাহাত্ম্য মানুহৰ মুখে মুখে প্ৰচলিত হৈছিল।

মহাবাহু ব্ৰহ্মপুত্ৰৰ দুয়োপাৰে যুগ যুগ ধৰি বসবাস কৰা অসমৰ খিলঞ্জীয়া লোক বড়ো, কাৰ্বি, তিৱা, মিছিং, ডিমাছা , সোনোৱাল কছাৰী আদি লোকসকলে নিজস্ব কৃষ্টি সংস্কৃতি বহন কৰি দেৱ-দেৱীক পূজা অৰ্চনা কৰি আহিছে যদিও তেওঁলোকে উপাস্য দেৱতা হিচাপে শিৱদেৱতাক মুখ্য স্থান দিছে। তেওঁলোকে বিশ্বাস কৰে শিৱদেৱতাৰ বাহিৰে জগত আৰু জীৱন নিয়ন্ত্ৰ প্ৰভাৱশা দেৱতা দ্বিতীয়জন নাই।

অসমৰ ভৈয়াম অঞ্চলত বাস কৰা ব জনগোষ্ঠীৰ লোক সকলে বাথৌ বা শিৱ মহাদেৱক উপা দেৱতা হিচাপে পূজা অৰ্চনা কৰে। তেওঁলোকে কৰা যিকোনো পূজাতে বাথৌ দেৱতাই এক বিশিষ্ট স্থান ল কৰা দেখা যায়। বড়ো সকলে বাথৌক কৃষিৰ দেৱ ৰূপেও পূজা কৰে। বাথৌ পূজা সাধাৰণতে ফাগুণ চ মাহত পালন কৰা হয়। বড়ো সমাজৰ পবিত্ৰতা অ নীতি নিয়ম ৰক্ষা কৰি এই পূজাত সিজু গছক পূজা ক হয় আৰু বাথৌলৈ থলুৱা ভাৱে তৈয়াৰ কৰা লাউপ আগবঢ়োৱাৰ উপৰিও তেওঁক উদ্দেশ্যি ছাগলী, গাহ কুকুৰা আদি বলি দিয়া হয়। এই পূজাত গৃহস্থক ক কাজৰ ক্ষেত্ৰত ওচৰ-চুবুৰীয়া, ইষ্ট-কুটুম্ব আদিয়ে সহা হাত আগবঢ়ায়। পূজাৰ দিনাখন গৃহস্থৰ ঘৰত ৰাই মিলি মদ-ভাত খাই চিফুং আদি বজাই নৃত্য ক পৰিৱেশটো উৎসৱ মুখৰ কৰি তোলে আৰু বাথৌ দেৱত ওচৰত বহি সকলোৰে মংগল কামনা কৰি প্ৰাৰ্থনা ক এনেদৰে "মৈদেৰ গবৌ অডাল ওডিআৰ, আৰজ গা মানচিআ গথৌ ওডিআৱ।

আইয়া থৈদোং গাৰহৈদৌং আফা থৈদৌং গাৰহৈদৌং

বৌৰায় বথৌ আফাথৌ ফুজিনৌ গাবাথৈ জৌং

(হাতী কান্দে আদাল গছৰ গুৰিত, মানুহে প্ৰাৰ্থনা ক

াথৌৰ গুৰিত। মা মৰিছে সৎকাৰ কৰিছো পিতা মৰিছে ়ৎকাৰ কৰিছো তথাপি বাথৌক আমি পূজিব নেৰো।)

বৰ্তমানেও বড়ো সমাজত বাথৌ পূজাৰ প্ৰচলন াছে যদিও ই অত্যন্ত ব্যয়বহুল হোৱা বাবে ই ীমাবদ্ধতাৰ মাজত সোমাই পৰিছে।

অসমৰ মাটিত বাস কৰা কাৰ্বি জনগোষ্ঠীৰ লাকসকলে তেওঁলোকৰ অধিষ্ঠাতা দেৱতা হিচাপে হেমফু া শিৱ দেৱতাক পূজা অৰ্চনা কৰে। তেওঁলোকৰ দৃষ্টিত হেমফু গৃহ দেৱতা। জোনৰ উৰ্দ্ধমুখী গতি চাই শুক্লপক্ষৰ যিকোনো তিথিত কাৰ্বিসকলে হেমফু পূজা কৰে। এই পূজাত বিৰছ'ৰাছাই নিজৰ চুলিত তুলসীপাতি গুজিলৈ আগলি কলপাত দুখিলা পাৰি গৃহস্থৰ ঘৰত পূজাৰ বাবে বেদী নিৰ্মাণ কৰি তাত বাঁহৰ ত্ৰিশুল পুতি দি তাক শিৱৰ প্ৰতীক হিচাপে গণ্য কৰি কুকুৰা আদি বলি দি তাৰ তেজ বেদীৰ চৌপাশে চটিয়াই গৃহস্থৰ মংগল প্ৰাৰ্থনা কৰে। সেইদৰে তিৱা জনগোষ্ঠীৰ লোকসকলে তেওঁলোকৰ উপাস্য দেৱতা হিচাপে 'ফা-মহাদেউ' অৰ্থাৎ শিৱক পিতৃজ্ঞান কৰি পূজা অৰ্চনা কৰে। তেওঁলোকৰ জীৱন ধাৰণাৰ সকলো আহিলাৰ মূলতে 'ফা-মহাদেউ' বুলি বিশ্বাস কৰে। তিৱা সমাজৰ বিশ্বাস যে কৃষি কৰ্মৰ আৰম্ভণিৰ উৎসৱ 'ছুংখং' মিছাৱাতৰ দিনা-ফা-মহাদেউক পূজা কৰিহে কৃষি কৰ্মত হাত দিব লাগে। ছুংখং পূজা নকৰাকৈ যিসকল তিৱাই খেতিৰ কাম আৰম্ভ কৰে তেওঁলোকক সমাজৰ নিয়ম অনুসৰি জৰিমনা বিহা হয়।

নিজকে শৈৱ বুলি বিশ্বাস কৰা ডিমাচা সকলে যিকোনো শুভকাৰ্যতে শিৱাই দেৱতীক স্মৰণ কৰিহে কাম আৰম্ভ কৰে। জন্ম, মৃত্যু, বিবাহ আদি ক্ষেত্ৰত প্ৰতিটো পদক্ষেপতে মহাদেউ শিৱাইক পূজা কৰিহে আগবঢ়া হয়। তেওঁলোকৰ মতে বাংলা ৰজাৰ ঔৰষত আৰু দৈৰিক পক্ষী অৰিখিদিমাৰ গৰ্ভত জন্মলাভ কৰা ছয় সন্তানৰ ভিতৰত শিৱাই হ'ল জ্যেষ্ঠ সন্তান আৰু সৰ্বশ্ৰেষ্ঠ দেৱতা।

অসমত বাস কৰা অন্যতম জনজাতি ৰাভাসকলৰ পৰম্পৰাত ৰিছি'য়েই হৈছে ইষ্ট দেৱতা শিৱ। তেওঁলোকে হৰ-গৌৰী, শিৱ-পাৰ্বতী আদিৰ যুগল মূৰ্ত্তিক পূজা কৰে। শাক্ত পৰম্পৰাৰ প্ৰতি আগ্ৰহী ৰাভা সকলৰ ধৰ্মবিশ্বাস উবৰ্বা লোক বিশ্বাসৰ ওপৰত আধাৰিত। শ্ৰমজীৱি ৰাভাসকলে মদ প্ৰস্তুত কৰিবলৈ যি বীজ ব্যৱহাৰ কৰে সেয়া 'ৰিছি'ৰ দান বুলি বিশ্বাস কৰে আৰু শিৱপূজাত মদ অৰ্পণ কৰাটো বাধ্যতামূলক। ৰংদানী আৰু মায়তৰী ৰাভাসকলে শিৱক বুঢ়াগোসাঁই হিচাপে পূজা কৰে। এওঁলোকৰ আদিম দেৱতা বুঢ়াগোসাঁই শিৱক গৃহদেৱতা হিচাপে জ্ঞান কৰি তেওঁৰ নামত বৰঘৰৰ ঘাই খুঁটাত প্ৰতিবছৰে নখোৱাৰ দিনা গাহৰি কুকুৰা বলি দি তাৰ তেজ সানি দিয়া হয় আৰু তেওঁলৈ মদ, ভোগ আদি আগবঢ়োৱা হয়। শিৱপূজাৰ মাজেৰে প্ৰকাশিত হয় তেওঁলোকৰ সংস্কৃতিৰ পৰম্পৰা আৰু ভক্তিৰ মাহাত্ম্য।

ইয়াৰোপৰি অসমৰ খিলঞ্জীয়া অধিবাসী সোণোৱাল কছাৰী সকলে খিৰিং ৰজাক বা শিৱ বাইথক উপাস্য দেৱতা হিচাপে পূজা কৰে। এওঁলোকে নিজকে হিৰণ্যকশিপুৰ বংশধৰ বুলি বিশ্বাস কৰে আৰু বিষ্ণুক ত্ৰাণকৰ্তা হিচাপে পূজা অৰ্চনা কৰিছিল যদিও তেওঁৰ হাতত হিৰণ্যকশিপু নিধন হোৱাত সোণোৱাল কছাৰী সম্প্ৰদায়ৰ লোকসকলে বিষ্ণুৰ পৰিৱৰ্তে শিৱক পূজা কৰিবলৈ লয়। এওঁলোকে চ'ত মাহৰ দ্বিতীয়


সপ্তাহত তিনিদিনীয়াকৈ বাইথ’ বা শিৱ পূজা কৰে। ইয়াৰ প্ৰথম দিনটো দেওবাৰ ধৰা হয়। দেওবাৰৰ ৰাতি দেও নমোৱা, সোমবাৰে বলিবিধান, জুজাপাঠ আৰু মংগলবাৰে হয়দাং গীত গাই বাইথশালত বাইথক আসনত বহুৱাৰ পিছত পূজাৰ সামৰণি মৰা হয়। এই পূজাত এওঁলোকে বাইথ মন্দিৰত থকা জামুকৰ খুঁটাক শিৱলিংগ জ্ঞান কৰি মালা দি শিৱ মহাদেউক পূজা কৰে আৰু মন্দিৰৰ বেদীত ৰঙা কুকুৰা দিয়ে। এই পূজাতেই ধেনু কাড়েৰে বৰদৈচিলাক আদৰণি জনাই নতুন বছৰৰ কুশল কামনা কৰা হয়। পূজাৰ সমাপ্তিত মন্দিৰ প্ৰাঙ্গণত হয়দাং গীত গোৱাতো সোনোৱাল কছাৰী সকলৰ এক পৰম্পৰা। হয়দাংগীতৰ মাজেৰেশিৱ বাইথক স্তুতি কৰা হয়, এনেদৰে “হে পৰমেশ্বৰ শিৱ, তোমাকে নিৰঞ্জন, সত্য-সনাতন বুলি মানি, তোমাকে সকলো দেৱতাৰ শ্ৰেষ্ঠজ্ঞান কৰি পূজা অৰ্চনা কৰিছোঁ। তুমি আমাৰ দোষ মৰিষণ কৰিবা।”

ইয়াৰোপৰি বৃক্ষপূজা জনজাতীয় লোকৰ মাজত বৰ্তমানেও প্ৰচলিত হৈ আছে। তেওঁলোকে আহত গছ, সিজু গছ আদিৰ গুৰিক শিৱ বুঢ়াগোঁসাই জ্ঞান কৰি অপায় অমঙ্গল নাশ কৰি মুখ-শান্তি কামনাৰে তেওঁলৈ নৈবদ্য আগবঢ়াই পূজড়া অৰ্চনা কৰে। এনেদৰে জনজাতীয় লোকসকলে শিৱ মহাদেৱক পৃথক পৃথক ৰূপত কল্পনা কৰি পূজা কৰে যদিও তেওঁলোকৰ আৰাধ্য দে এজনেই। ভাৰতীয় হিন্দু ধৰ্মত শিৱ যিদৰে বিভিন্ন না জনাজাত সেইদৰে অসমৰ জনজাতীয় ধৰ্ম বিশ্বাসত যুগে বন্দিত হৈ আহিছে বাথৌ, বুঢ়াগোসাঁই, ফা-মহা হেমফু, শিব্ৰাই, ৰিছি, শিৱবাইথ আদি বিভিন্ন নামে

ভাৰতীয় আখ্যান সমূহত শিৱক ভঙুৱা শি ভোলানাথ নামেৰে জনা যায়। তেওঁ ভাঙৰ প্ৰতি আ আছিল বাবে তেওঁক পূজা-অৰ্চনা কৰোতে ডাঙৰ প্ৰসাদ হিচাপে আগবঢ়োৱা এক পৰম্পৰা হিচাপে কালৰ পৰাই শিৱ মন্দিৰসমূহত চলি আহিছে। সে জনজাতীয় সমাজত ভাঙৰ সলনি থলুৱাভাৱে তৈ কৰা লাউপানী প্ৰসাদ হিচাপে আগবঢ়োৱাটো নিয়ম

জনজাতি সকলৰ মাজত অতীজৰে শৈৱধৰ্মই আধিপত্য লাভ কৰিলেও বৰ্তমান সময়ত শ শৈৱ আৰু বৈষ্ণৱ ধৰ্মৰ সংমিশ্ৰণ হোৱা দেখা যায় কিছুলোকে শৈৱ ধৰ্ম বাদ দি বৈষ্ণৱ, খৃষ্টান আদি দীক্ষা লোৱা পৰিলক্ষিত হৈছে। এনেদৰে ধৰ্মান্তৰিত বাবে তেওঁলোকৰ মাজত শিৱ পূজা হ্ৰাস পোৱা লাগে যদিও পৰম্পৰাৰ প্ৰতি বিশ্বাসী জনজাতীয় সকলৰ দৃষ্টিত শিৱই পৰম শক্তি মংগলময় ত্ৰাণ অনাদি অনন্ত, ভূলোক দ্যুলোক নন্দী।

# কৌতুক



পতি ঃ তুমি আজি গান গাবলৈ এৰি দিলা কিয়?

পত্নী ঃ ডিঙিটোৰ কাৰণে।

পতি ঃ কিয় ডিঙিত কিবা হৈছে নেকি?

পত্নী ঃ নহয়হে, ওচৰৰ মানুহে গান গালে ডিঙি চেপি মাৰিম বুলি কৈছে।

# যোগবিদ্যাৰ প্ৰয়োজনীয়তা

শ্ৰীভৰত ডেকা
স্নাতক ২য় বৰ্ষ

প্ৰাণী মাত্ৰে সুখ কামনা কৰাটো প্ৰবৃত্তি। আনহাতে কোনেও দুখৰ বাঞ্ছা নকৰে। সংসাৰৰ যাতনা, কাতৰ, কিছুমান লোকে আঁতৰি আকৌ আত্মহত্যাৰ পথ বাচি লয়। কিন্তু সুখ কি? এই প্ৰশ্নৰ উত্তৰ সমাজৰ সাধাৰণ লোকে নাপায়। তেওঁবিলাকে মাত্ৰ কাম সম্ভোগত তৎপৰ হৈ ইন্দ্ৰিয়ৰ বৃত্তি সমূহকে পৰম সুখ বুলি মানি চলে। কিন্তু বিজ্ঞানীসকলৰ মতে ইন্দ্ৰিয় সম্ভোগে সুখ নহয়, ই বৰং দুখৰ কাৰণহে। এই সুখ আৰু দুখ কেতিয়াও ভগৱানে আমাক দিয়া নাই, আমি নিজে এই দুখ-যন্ত্ৰণা আৰু ৰোগ আদি জাঁপি লওঁ।

সাধাৰণতে আমাৰ মনত ভাৱ হয় যোগ মানেনো কি? এই যোগ শিক্ষা আগে কোনো ধৰণে লিপিবদ্ধ কৰা হোৱা নাছিল। ইয়াক পতঞ্জলিয়ে তেওঁৰ "পতঞ্জলি যোগ শাস্ত্ৰ"ত লিপিবদ্ধ কৰে, আৰু তেওঁৰ দৃষ্টিত কব পাৰো যে যোগ শিক্ষা এক সুশৃঙ্খল প্ৰক্ৰিয়া বা পদ্ধতি অনুসৰণৰ দ্বাৰা পৰিপক্কতা প্ৰাপ্ত হোৱা অৱস্থাকেই যোগ বুলি ক'ব পাৰি। যোগ শব্দটোৰ ব্যাখ্যা দিয়াটো তেনে সহজ নহয়, ইয়াৰ অৰ্থ অতি বহল।

যোগৰ অৰ্থ বিভিন্ন ধৰণৰ হ'ব পাৰে। যেনে গুৰু আৰু শিষ্যৰ মিলন হৈ এক হোৱা বা আত্মা আৰু পৰমাত্মাৰ মিলনকে যোগ বুলি কোৱা হয়। আকৌ যোগ মানে কেতিয়াও ১+১ = ২ নহয়, ১+১= ১ হে হয়। যেতিয়া মানুহৰ অষ্টাংগ পূৰ্ণ বা সিদ্ধি হ'ব তেতিয়া যোগ শিক্ষাৰ সমাধি বা মোক্ষ লাভ হ'ব। কাৰণ আঠটা সমন্বয়তহে যোগ পূৰ্ণাংগ হয়। পতঞ্জলিয়ে কৈছে যে যোগৰ অংগ কেইটা হ'ল- যম, নিয়ম, আসন, প্ৰাণায়াম, প্ৰত্যাহাৰ, ধাৰণা, ধ্যান আৰু সমাধি আদি অষ্ট অংগ।

দৰ্শন বিজ্ঞানৰ লগত যোগ শাস্ত্ৰৰ কিছু মিল থকা দেখা যায়। এই ফালৰ পৰা যোগ বিদ্যাকো যোগদৰ্শন বুলি কব পাৰি। অভ্যাস আৰু বৈৰাগ্য পূৰ্বক চিত্ত-বৃত্তি নিৰোধ কৰা মানে হ'ল যোগ। মনত এটা মাত্ৰ জ্ঞান জগাই ৰাখি আন সকলো জ্ঞানকে নিৰোধ্য কৰা মানে চিত্ত-বৃত্তি নিৰোধ্য। আনহাতে ভাৰতীয় সংস্কৃতিৰ মূল্যবান ভাণ্ডাৰ হৈছে যোগ। যোগ হৈছে ক'লা। যোগ হৈছে উচ্চ স্তৰৰ দৰ্শন আৰু একে ধাৰে উচ্চ মানদণ্ডৰ আধ্যাত্মিক ক'লা। যোগ হৈছে মানৱ সভ্যতাৰ শাৰীৰিক, মানসিক আৰু বৈদিক বিকাশৰ প্ৰধান বাহন। মানৱ সভ্যতাৰ কাৰণে যোগ উচ্চ স্তৰৰ প্ৰমূল্য বিষয়। যদি এই যোগ সংস্কৃতি দেশে-বিদেশে সকলোতে বিয়পি পৰে তেতিয়া মানৱ সভ্যতাৰ উপকাৰ সাধিত হ'ব বুলি মোৰ ধাৰণা।

এজন ছাত্ৰৰ অধ্যয়নত মনৰ স্থিৰতা নাথাকিলে তেওঁ কৃতকাৰ্যতা লাভ কৰিব নোৱাৰে। এই যোগৰ দ্বাৰাই এজন বিজ্ঞানীয়ে তেওঁ বিজ্ঞান গৱেষণাত কৃতকাৰ্যতা লাভ কৰিব পাৰে। শিক্ষকে যোগৰ মাধ্যমেৰে শিক্ষাদান কৰে। কলাকাৰে ছবি আঁকিব পাৰে আৰু লিখকে সাহিত্যৰ সৃষ্টি কৰিব পাৰে এই যোগ শিক্ষাৰ দ্বাৰাই।

যোগ মানে এক প্ৰকাৰ সমাধি আৰু সেই দৰে চিত্ত-বৃত্তি নিৰোধ যোগৰ অৰ্থ। মানুহৰ নিজ শৰীৰ, মন, প্ৰাণ আৰু বুদ্ধিক সামান্য অৱস্থাত ৰখাৰ সৰল প্ৰক্ৰিয়াক যোগ বুলি কব পাৰি। গীতাত কৈছে- সমতাৰ নাম যোগ,

"যোগস্থঃ কুৰু কৰ্ম্মাণি সঙ্গং ত্যক্তা ধনঞ্জয়।
সিদ্ধ্যসিদ্ধোঃ সমো ভুত্বা সমত্বং যোগ উচ্যতে।।"

যোগে কৰ্মত কুশলতা প্ৰদান কৰে। গীতাত

কৈছে-

"বুদ্ধিযুক্তো জহাতীহ উভে সুকৃত দুস্কৃতে।
তস্মাদ যোগায় যুজ্যস্ব যোগঃ সৰ্ম্মসু কৌশলম।। ২/৫০

ঈশ্বৰৰ প্ৰতি একান্ত ভক্তি অনুৰাগৰ দ্বাৰাও সিদ্ধি হয়। সেই দৰে গীতাত আকৌ কৈছে-

"ময্যাবেশ্য মনো যে মাংস নিত্যযুক্তা উপাসতে।
শ্ৰদ্ধয়া পৰয়োণেতাস্তে মে যুক্ততমা মতাঃ।।" ১২/১২

সেই কাৰণে আমাক দেহ-মনটোক সুস্থ সবল কৰি ৰাখিবলৈ যত্ন কৰিব লাগে আৰু তাৰ কাৰণে আমি প্ৰত্যেক দিনা পুৱা বা গধূলি কমেও ১৫-৩০ মিনিট সময় ছাত্ৰ-ছাত্ৰীৰ লগতে সকলো ব্যক্তিয়ে ব্যায়াম, আসন, মুদ্ৰা আদি কৰিব লাগে। যাৰ ফলত মানুহে সদায় সুস্থ আৰু নিৰোগী হৈ থাকিব পাৰিব। অভ্যাসৰ ফলত শিশুৰ দৈহিক, মানসিক উন্নতি সাধন হ'ব।

এই দৰ্শন শাস্ত্ৰৰ পৰাই ভাৰতবাসীয়ে যোগবিদ্যা অলৌকিক মহিমাৰে এদিন সভ্যতাৰ উচ্চ স্তৰত আৰোহ কৰিব পাৰিছে। যদিও বিভিন্ন সময়ত বিভিন্ন কাৰণত এ শাস্ত্ৰৰ প্ৰভাৱ কমি গৈছে। কিন্তু ভাৰতবাসীয়ে এই হেৰুৱ ৰত্ন পুণৰ উদ্ধাৰৰ চেষ্টা অব্যাহত ৰাখিছে। স্কুল-কলেজ পাঠ্যপুথিৰ লগত যোগ শিক্ষা অন্তৰ্ভুক্ত হ'ব বুলি আমা ধাৰণা। বজাৰৰ পৰা কিনি খোৱা বিষাক্ত ঔষধ আৰু বিভি মাদক দ্ৰব্যৰ আসক্তিৰ পৰা ছাত্ৰ-ছাত্ৰী সকলৰ লগতে অভিভাৱক সকলো হ্ৰাস পাব, যাৰ ফলত আজি যুৱ সমা বিপথে পৰিচালিত হোৱাৰ পৰা হাত সাৰিব পাৰিব।।

❋ ❋ ❋

# মানুহৰ কোষ থকা ভেড়া ছাগলী

ভালেমান বছৰৰ গৱেষণা আৰু পৰীক্ষা নিৰিক্ষাৰ অন্তত এদল জীৱ বিজ্ঞানীয়ে মানুহৰ দেহৰ কোষ ভেড়া শৰীৰত সংস্থাপন কৰি 'চিমেৰা' নামৰ প্ৰথমটো বৰ্ণসংকৰ প্ৰাণী সৃষ্টি কৰাত সক্ষম হৈছে। পৰীক্ষামূলক ভাৱে সৃষ্টি কৰ এই ভেড়া বিধৰ শৰীৰত ১৫ শতাংশ মানুহৰ কোষ আৰু বাকী ৮৫ শতাংশ কোষ হয় ভেড়াৰ। এনেদৰে সৃষ্টি কৰ প্ৰাণীবোৰৰ শৰীৰৰ বিভিন্ন অংগ পিছলৈ প্ৰয়োজন অনুসৰি মানুহৰ দেহত সংস্থাপন কৰিব পৰা হ'ব।

নেভাদা বিশ্ববিদ্যালয়ৰ ইৰাণিয় জীৱ বিজ্ঞানী ইছমাইল জানজানীয়ে যোৱা ৭ বছৰ ধৰি একানপতীয়াকৈ এ বিশেষ গৱেষণাটো চলাই আছিল আৰু গোটেই পৰীক্ষালানীত প্ৰায় ৫ নিযুত পাউণ্ড খৰচ হৈছে। ইতিমধ্যে বিজ্ঞানী গৰাকীয়ে অধিক মাত্ৰাত মানুহৰ শৰীৰৰ কোষ সোমোৱাই দি ভেড়াৰ যকৃত এটা তৈয়াৰ কৰি উলিয়াইছে আৰু তেও আশা কৰে যে অচিৰেই এনে আৰু ভেড়া সৃষ্টি কৰাটো সম্ভৱ হ'ব। ফলত, মানৱ শৰীৰত বিভিন্ন অংগ সংস্থাপনৰ ক্ষেত্ৰত এক নতুন দিগন্তৰ সুচনা হ'ব বুলি তেওঁ লোকে মত প্ৰকাশ কৰিছে।

*সংগ্ৰাহক ঃ- শ্ৰীকিশোৰ কুমাৰ ডেক*
*স্নাতক প্ৰথম ব*

❀❀❀

# সাহিত্য সভাৰ সভাপতি ৰংবং তেৰাং আৰু তেখেতৰ জীৱন পঞ্জী সাহিত্য উপন্যাস

জ্যোতিষ ডেকা
স্নাতক প্ৰথম বৰ্ষ

১৯৩৭ চনত কাৰ্বি আংলং জিলাৰ ালীয়াঘাটৰ লাং বুধিংপিত জন্মা সেই সৰু ল'ৰাটো এদিন অসম সাহিত্য সভাৰ সভাপতি হ'ব কোনোবাই া পাইছিলনে সেই সৰু ল'ৰাটো অৰ্থাৎ এতিয়াৰ অসম হিত্য সভাৰ সভাপতি, বিখ্যাত সাহিত্যিক, গল্পকাৰ, ৱন্ধকাৰ আৰু কাৰ্বি সাহিত্য সভাৰ অন্যতম প্ৰতিষ্ঠাপক ইজনেই হ'ল ৰংবং তেৰাং। এইজন কাৰ্বি সন্তান াদৰ্শ পুৰুষৰ দেউতাক হ'ল ৰূপচিং তেৰাং আৰু মাক ল বা ইক ৰাংহাপি।

১৯৫৭ চনত লংকা হাইস্কুলৰ পৰা মেট্ৰিক ৰীক্ষাত উত্তীৰ্ণ হৈ ১৯৬২ চনত নগাঁও কলেজৰ পৰা সমীয়াত অনাৰ্চসহ স্নাতক ডিগ্ৰী লাভ কৰি গুৱাহাটী শ্ববিদ্যালয়ৰ পৰা স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰে ১৯৬৬ াত।

স্নাতকোত্তৰ ডিগ্ৰী লাভ কৰি নিজে পঢ়া স্কুলখনৰ পৰিও কাকী হাইস্কুল, ডিফু বালিকা হাইস্কুল আদিত ক্ষকতা কৰে। তাৰ পিচত স্কুলৰ শিক্ষকতা বাদ দি ডিফু ৱকাৰী কলেজৰ অসমীয়া বিভাগৰ স্থায়ী প্ৰৱক্তা হিচাপে াগদান কৰে।

এই কাৰ্বি সাহিত্যিক জনে প্ৰথমে কাৰ্বি, অসমীয়া, ৰাজী ত্ৰিভাষিক অভিধান 'কাৰ্বি লখতাছাম' প্ৰণয়ণ কাশ কৰে আৰু ইয়াৰ পাছ বছৰৰ পিচত ১৯৮১ চনত কাৰ্বি সংস্কৃতিৰ ছবি পৰিস্ফুট হোৱা বিখ্যাত উপন্যাস 'ৰংমিলিৰ হাঁহি' প্ৰকাশ কৰে, আৰু এইখন উপন্যাসৰ বাবেই ১৯৮২ চনত অসম সাহিত্য সভাৰ পৰা বিষ্ণুপ্ৰসাদ ৰাভা বঁটা লাভ কৰে। ইয়াৰ পিচতে কাৰ্বি পাহাৰৰ বিশাল মহিৰূপ গৰাকীৰ অনবদ্য বৰঙণি হ'ল 'শ্ৰীমদ্ভাগৱত গীতা' ক কাৰ্বি ভাষালৈ অনুবাদ। ইয়াৰ জৰিয়তে তেওঁ কাৰ্বি শিক্ষিত সমাজত বিশেষভাৱে জনপ্ৰিয় হয়।

অসম সাহিত্য সভাৰ বিষ্ণুপ্ৰসাদ ৰাভা বঁটাৰ পৰা ক্ৰমান্বয়ে ১৯৮৯ চনত ভাৰত চৰকাৰৰ পৰা 'পদ্মশ্ৰী' সন্মান, ২০০৮ চনত মাধৱদেৱ বঁটা আৰু অসম সাহিত্য সভাৰ বাসুদেৱ জালান বঁটা লাভ কৰে। ইয়াৰ উপৰিও অসম প্ৰকাশন পৰিষদ বঁটা, অসম উপন্যাস বঁটা লাভ কৰে। ডিফু চহৰৰ দৰে পাহাৰীয়া চহৰখনত বাস কৰা ৭১ বছৰীয়া সাহিত্যিক গৰাকীয়ে ২০০২ চনত চাকৰিৰ পৰা অৱসৰ গ্ৰহণ কৰি সম্পূৰ্ণৰূপে সাহিত্য চৰ্চাত মনোনিবেশ কৰে।

অসম সাহিত্যসভাৰ সভাপতি হোৱাৰ আগতে তেখেতে কাৰ্বি সাহিত্য সভাৰ ১৯৬৬ চনৰ পৰা ১৯৮৩ চনলৈ সুদীৰ্ঘ ১৭ বছৰ কাল সম্পাদক হৈ আছিল, যিটো অতি বিৰল। এই মহান ব্যক্তি গৰাকীয়ে ২০০৮ চনৰ ডিচেম্বৰ মাহত অসম সাহিত্য সভাৰ সভাপতি হিচাপে নিৰ্বাচিত হয়।

তেখেতৰ আদৰ্শ ব্যক্তি হ'ল গান্ধী। ৰং বং তেৰাঙে ছাত্ৰ অৱস্থাতে 'আদৰ্শ ব্যক্তি' মহাত্মা গান্ধীৰ আত্মজীৱনী 'মোৰ সত্য অন্বেষণৰ কাহিনী' কাৰ্বি ভাষালৈ অনুবাদ কৰে। গান্ধী দৰ্শনে আলোড়িত আৰু আলোকিত কৰা ব্যক্তি ৰং বং তেৰাঙে কয় ''গান্ধী দৰ্শনে কেৱল এটা কালৰ সম্পদ নহয়, ই হ'ল সৰ্বকালৰ মহান পথ প্ৰদৰ্শক। সহানুভূতি আৰু সহধৰ্মিতা এইবোৰ দিশ হ'ল গান্ধীৰ জীৱন দৰ্শন। যিবোৰ এই অস্থিৰতা সময়ত আমাৰ অতীৱ প্ৰয়োজনীয়। এইখিনি কথাতে গম পায় ৰং বং তেৰাং কেনেকুৱা শব্দৰ যাদুকৰ। আৰু তেখেতে কয় যে পৃথিৱীৰ ইতিহাসৰ যিকোনো অস্থিৰতাৰ সময়তেই হৈছিল বিখ্যাত সাহিত্যবোৰ। সেয়ে দেশৰ কোনো অস্থিৰতা, কোনো ৰাজনীতি কোনো ব্যক্তিয়ে তেখেতৰ কলমক বাধা দিব নোৱাৰে।


এই গৰাকী অতুলনীয় ব্যক্তিত্বৰ গৰাকী ৰং বং তেৰাঙেই হ'ল অসম সাহিত্য সভাৰ সভাপতি। সুদূৰ পাহাৰীয়া জিলাখনৰ পৰা আহি অসমীয়া সাহিত্য সভাৰ মঞ্চ শুৱনি কৰিছে লগতে তেখেতে সোঁৰৰাই দিছে অস জাতি, জনজাতিৰ মিলন।

এই গৰাকী ব্যক্তিৰ দ্বাৰা ৰচিত উপন্যাসৰ সং হ'ল ১৫ খন আৰু প্ৰায়
৭০০ ৰো অধিক গল্প। তেখেতৰ প্ৰকাশিত একাংশ গ হ'ল কাৰ্বি সাহিত্য সংস্কৃতিৰত এভুমুকি (প্ৰৱন্ধ), সম প্ৰবাহ (প্ৰৱন্ধ), ৰংমিলিৰ হাঁহি (উপন্যাস), ক্ৰান্তিকা অশ্ৰু, নীলা অৰ্কডি, দলা আলুন, জাক হেৰোৱা প লাংছলি এতৰ কাক্সুং, স্মৃতিৰ পাপৰি (গল্প সংকলন বনফৰিঙৰ গীত, শ্ৰীমদ্ভাগৱত গীতা (অনুবাদ) ইয়াৰ উপৰি বিভিন্ন আলোচনীৰ পাতত সিঁচৰিত হৈ থকা উপন্য হ'ল ডিফু হল তোমাৰ নাম, টিকক জুৰিৰ ছাখি জুমলতীৰ পৰল, কেঁচামাটিৰ পৰশ, অপৰাহ্নৰ গী অৰণ্যৰ প্ৰেম, অশ্ৰুভৰা উপন্যাস (যন্ত্ৰস্থ), এপিটাফ, উৰ পঁজাৰ কাব্য, তানহিদিৰ অশ্ৰু।

সদৌ শেষত সেই ব্যক্তি জনলৈ শ্ৰদ্ধা নিবেদি আৰু তেখেতৰ দীৰ্ঘায়ু কামনা কৰিলোঁ।

❀❀❀

## —ঃ অকথ্য কথা ঃ—



- পেটক সন্তুষ্ট কৰিব পাৰিলেও চকুক সন্তুষ্ট কৰিব নোৱাৰি।
- গাধৰ পিঠিত কিতাপৰ বোজা দিলে গাধটো জ্ঞানী হৈ নুঠে।
- এলেহুৱা মানুহ মৰা মানুহৰ দৰে, মৰা মানুহক অকণমান ঠাইৰহে প্ৰয়োজন। কিন্তু এলেহুৱাই বহু ঠাই দখল কৰে।
- খঙেৰে খেদোৱা বস্তু হাঁহিৰে আনিব নোৱাৰি।
- ন- চহকীৰ ধন ধাৰ কৰিলে মৰণ।

সংগ্ৰাহকঃ- শ্ৰীঅৰ্চনা বৰুৱ
স্নাতক ২য় ব

# অসমৰ মহাবিদ্যালয়সমূহৰ ভৱিষ্যত

চন্দনা বৰ্মণ
স্নাতক ৩ য় বৰ্ষ

শিক্ষানুষ্ঠানসমূহক মানৱ সম্পদ তৈয়াৰ কৰা কাৰখানা অথবা জ্ঞান-উদ্যোগ বুলি অভিহিত কৰা হয়। ঠিক তেনেদৰে শিক্ষক-শিক্ষয়িত্ৰী আৰু ছাত্ৰ-ছাত্ৰীসকলক জ্ঞানকৰ্মী বুলি গণ্য কৰিব পাৰি। এখন দেশৰ উন্নতি আৰু অধ্যোন্নতি প্ৰধানকৈ এই জ্ঞান উদ্যোগ আৰু জ্ঞানকৰ্মী সকলৰ ওপৰত নিৰ্ভৰ কৰে। আনহাতে আধুনিক বিচাৰত ক্ষমতাৰ প্ৰধান উৎস হ'ল জ্ঞান।

ইতিহাসৰ পাত লুটিয়ালে এটা কথা স্পষ্ট হৈ পৰে যে সমগ্ৰ পৃথিবী যেতিয়া অজ্ঞান অন্ধকাৰত ডুব গৈ আছিল তেতিয়া ভাৰতবৰ্ষ জ্ঞানৰ আলোকেৰে সূৰ্যৰ দৰে উজ্বল হৈ আছিল। দেশ-বিদেশৰ পণ্ডিত ভাৰতবৰ্ষৰ বিশ্ববিদ্যালয়ত জ্ঞান অৰ্জন কৰি নিজ নিজ দেশত সেই জ্ঞান বিস্তাৰ কৰিবলৈ চেষ্টা কৰিছিল। নালন্দা আৰু তক্ষশিলা বিশ্ববিদ্যালয় পৃথিবীৰ প্ৰাচীনতম বিশ্ববিদ্যালয় পদ্ধতি পৃথিবীৰ ভিতৰতে উত্তম বুলি সৰ্বজনবিদিত আছিল।

অসমত প্ৰায় ২০০ খনৰ ওচৰা ওচৰি মহাবিদ্যালয় আছে। ইয়াৰে কিছুমান বেচৰকাৰী মহাবিদ্যালয়ো আছে। এই মহাবিদ্যালয়সমূহত কেনেদৰে শিক্ষাদান আৰু শিক্ষাগ্ৰহণ কৰা হৈছে সেই সম্পৰ্কে এটি আলোচনা দাঙি ধৰা হ'ল।

অসমত মাত্ৰ কেইখনমান নগৰীয়া মহাবিদ্যালয়ৰ বাহিৰে প্ৰায়বোৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰীৰ মান (হাইস্কুল শিক্ষান্ত পৰীক্ষাৰ মুঠ নম্বৰৰ শতাংশ অনুসৰি) যথেষ্ট পুতৌজনক। এহাতেদি গুৱাহাটী মহানগৰৰ মহাবিদ্যালয়ত উন্নত মানৰ ছাত্ৰ-ছাত্ৰীৰ ভিৰ হোৱাৰ তুলনাত অন্যান্য সৰু নগৰ বা গ্ৰাম্য অঞ্চলৰ মহাবিদ্যালয়সমূহ নিম্নমানৰ ছাত্ৰ-ছাত্ৰীৰে ভৰি থকা বাবে এনেবোৰ মহাবিদ্যালয়ত শিক্ষাদানৰ মানো নিম্ন হোৱাটো স্বাভাৱিক হৈ পৰিছে। যিবোৰ মহাবিদ্যালয়ত উন্নত মানৰ ছাত্ৰ-ছাত্ৰীয়ে নামভৰ্ত্তি কৰে তেনে মহাবিদ্যালয়তো শিক্ষক-শিক্ষয়িত্ৰীয়ে (অৱশ্যে সকলোৱে নহয়) টিউশ্যন কৰি টকা ঘটাত বেছি গুৰুত্ব দিয়ে।

সামগ্ৰিকভাৱে অসমৰ মহাবিদ্যালয়সমূহৰ শৈক্ষিক পৰিবেশ তলত দিয়া ধৰণৰ-

১। দু পৰীয়া ঠিক এক বজাৰ লগে লগে (কেইখনমান মহাবিদ্যালয়ৰ বাদে) প্ৰায় সকলো মহাবিদ্যালয় জনশূণ্য হৈ পৰে।

২। শ্ৰেণীকোঠাত উপস্থিত থকাতকৈ ছাত্ৰ-ছাত্ৰীয়ে গছৰ তল, পুখুৰীৰ পাৰ, কেন্টিন নাইবা অন্যান্য ঠাইত বহি থাকি ভাল পায়।

৩। শ্ৰেণীকোঠাত বহুতো ছাত্ৰ-ছাত্ৰীয়ে শিক্ষকৰ বুজনি সম্পৰ্কত কোনো ধৰণৰ প্ৰতিক্ৰিয়া প্ৰকাশ নকৰি নিৰ্লিপ্তভাৱে বহি থাকি ভাল পায়। অৱশ্যে দুই এজনে প্ৰশ্ন নকৰাকৈ নাথাকে।

৪। ছাত্ৰ একতা সভাৰ নিৰ্বাচনসমূহৰ জাকজমকতা দিনক দিনে বৃদ্ধি পাইছে।

৫। শিক্ষকসকলেও পাঠদানত ৰস নোপোৱা হৈছে, বৰ্তমান জ্ঞানৰ বিস্ফোৰণৰ যুগতো পঢ়া-শুনাৰ লগত সম্বন্ধ নথকা শিক্ষকৰ সংখ্যা বাঢ়ি গৈছে। ফলত সদায়েই একে সোপাকে কিমান বুজাম ধৰণৰ আমনিয়ে শিক্ষকসকলৰ বহুতকে গ্ৰাস কৰিছে।

৬। বাস্তৱ জগত তথা ভৱিষ্যত জীৱনৰ লগত সম্বন্ধ নথকা পাঠ্যক্ৰম চলাই থকাৰ ফলত ছাত্ৰ-ছাত্ৰীয়ে ডিগ্ৰী লাভ কৰাৰ পাছত কাৰ্যক্ষেত্ৰত খোপনি পুতিব নোৱাৰি হাহাকাৰ কৰিব লগা হয়।

৭। মহাবিদ্যালয়সমূহত কেৰিয়াৰ সম্পৰ্কে বা

ভৱিষ্যত ছাত্ৰ-ছাত্ৰীয়ে কোন পথে গতি কৰা উচিত সেই সম্পৰ্কে কোনো ধৰণৰ আলোচনা নহয়।

৮। শিক্ষক সকলৰ একাংশই মহাবিদ্যালয়ত শিক্ষাদান কৰাতকৈ টিউশ্যন কৰাতহে গুৰুত্ব প্ৰদান কৰাৰ বাবে শ্ৰেণীকোঠাত ছাত্ৰ-ছাত্ৰীয়ে মাত্ৰ বাধ্যত পৰিহে বহি থকাৰ দৰে হৈছে।

৯। সৰু নগৰ আৰু গ্ৰাম্য অঞ্চলত নিম্ন মানৰ ছাত্ৰ-ছাত্ৰীসকলৰ বাবে পাঠ্যক্ৰম বোধগম্য নোহোৱাত পৰীক্ষাগৃহত ব্যাপক নকলৰ প্ৰচলন আৰু অকৃতকাৰ্য হোৱা ছাত্ৰ-ছাত্ৰীৰ সংখ্য ক্ৰমে বৃদ্ধি হৈ গৈ আছে।

ওপৰত উল্লেখ কৰা পৰিস্থিতিৰ বাবে তলৰ কাৰণসমূহকে জগৰীয়া কৰিব পাৰি-

১। মহাবিদ্যালয়ৰ অধ্যক্ষসকল বিদ্যায়তনিক আৰু প্ৰশাসনিক দিশত অত্যন্ত দক্ষ আৰু সৎ হোৱা উচিত। বিদ্যালয়তনিক দিশত অধ্যক্ষজনে সকলোকে নেতৃত্ব দিব পাৰিব লাগিব। কিন্তু বৰ্তমান মহাবিদ্যালয়সমূহত এনে গুণৰ অধিকাৰী অধ্যক্ষ অতি দুৰ্লভ।

২। জ্যেষ্ঠতাক অধিক গুৰুত্ব দি যোগ্যতাক নাকচ কৰা নীতি বেছিভাগ ক্ষেত্ৰত প্ৰচলন হৈ থকা দেখা যায়। জ্যেষ্ঠ শিক্ষক এজনৰ বিদ্যালয়তনিক দিশত থকা জ্ঞান আৰু অৱদানৰ পৰিমাণ শূণ্য হ'লেও আৰু কনিষ্ঠ এজন দক্ষ হ'লেও জ্যেষ্ঠজনেহে সকলো ক্ষেত্ৰত অগ্ৰাধিকাৰ পায়।

৩। মহাবিদ্যালয়ৰ শিক্ষকসকলৰ দৰমহা বা অন্যান্য প্ৰাপ্যসমূহ চৰকাৰে কোনো দিনেই বিনা আন্দোলনে দিয়া নাই। ছাত্ৰ-ছাত্ৰীৰ ব্যাপক ক্ষতি কৰি হ'লেও শিক্ষকসকলে প্ৰতিটো ক্ষেত্ৰত নিজৰ প্ৰাপ্য বিচাৰি আন্দোলনৰ পথ ল'ব লগা হয়।

৪। গৱেষণা কৰিবলৈ মহাবিদ্যালয়সমূহত গৱেষণাগাৰ আৰু উপযুক্ত আহিলাৰ সুবিধা নাই। আনকি বিভিন্ন বিভাগৰ নিজাকৈ পুথিভঁৰাল আৰু কোঠাও নাই। ফলস্বৰূপে শিক্ষক-শিক্ষয়িত্ৰীয়ে কমনৰুমত বহি কথা পাতি সময় কটাব লগা হয়।

৫। চৰকাৰে মহাবিদ্যালয়সমূহৰ উন্নতিৰ বাবে কোনো পৰিকল্পনা হাতত লোৱা নাই। উচ্চশিক্ষাৰ প্ৰতি চৰকাৰে কৰা অৱহেলাই অসমৰ মহাবিদ্যালয়সমূহৰ ভৱিষ্যত ন... কৰিছে বুলি ক'ব পাৰি।

মুঠতে ক'ব পাৰি যে মহাবিদ্যালয়সমূহে কোনে... নিবিচৰা ক'তো কামত নহা এসোপা স্নাতক বা স্নাতকোত্ত... উৎপাদন কৰি সাক্ষৰতাৰ হাৰ বৃদ্ধি কৰাৰ বাদে বিশে... একো কৰিব পৰা নাই।

অসমৰ মহাবিদ্যালয়সমূহত কোনো বিষয়... শেহতীয়া জ্ঞানৰ বিষয়ে জানিবৰ উপায় নাই। কিয়নে... কেইখনমান মহাবিদ্যালয়ত কম্পিউটাৰ আছে যদি... সেইবোৰ আওপুৰণি হোৱাৰ বাবে যিটো উদ্দেশ্যে... কম্পিউটাৰ কিনা হৈছিল সেইটো উদ্দেশ্য কোনো কালে... পূৰণ নহ'ব। কোনোবাখন মহাবিদ্যালয়ত যেনি... কম্পিউটাৰ এতিয়াও আহি পোৱা নাই। তদুপৰি... মহাবিদ্যালয়সমূহৰ পুতৌজনক কাৰ্য সম্পাদন কৰাত মুঠে... সহায় নকৰে।

অসমৰ সাম্প্ৰতিক মহাবিদ্যালয় পৰ্যায়ৰ... শিক্ষাজগতত বৰ্তি থকা অৰাজকতাৰ অৱসান ঘটোৱা... বাবে অতি সোনকালে নিম্নলিখিত পদক্ষেপ গ্ৰহণ কৰ... উচিত।

১। শিক্ষক নিযুক্তিৰ ক্ষেত্ৰত বৰ্তমান চলি থকা ব্যাপক দুৰ্নীতিৰ (ৰাজনৈতিক নেতা আৰু চৰকাৰী বিষয়া... এই কাম কৰে) অৱসান ঘটাব লাগিব।

২। শিক্ষকসকলৰ দৰমহা আৰু অন্যান্য প্ৰাপ্য সমূহ যথাসময়ত নিয়মীয়াকৈ দিয়া উচিত। মহাবিদ্যালয়ৰ শিক্ষকসকলৰ দৰমহাৰ নিশ্চয়তা প্ৰায়েই নাথাকে।

৩। ৰাজনৈতিক প্ৰভাৱৰ পৰা মুক্ত, নিকা, জ্ঞানী দক্ষ আৰু প্ৰখৰ বুদ্ধিমত্তাৰ অধিকাৰী ব্যক্তিকহে মহাবিদ্যালয়ৰ অধ্যক্ষ হিচাপে নিযুক্তি দিয়া উচিত। অসমত এনে ব্যক্তিৰ অভাৱ এতিয়াও হোৱা নাই।

৪। বাস্তৱ জগতৰ লগত সংগতি থকা পাঠ্যক্ৰম প্ৰস্তুত কৰিবলৈ উন্নত শিক্ষা ব্যৱস্থাৰ বিষয়ে পাঠ্যক্ৰম প্ৰস্তুত কৰা ব্যক্তিসকল ধাৰাবাহিকভাৱে পৰিচিত হৈ থকা উচিত।

ছাত্ৰ-ছাত্ৰীক ভৱিষ্যত পথ প্ৰদৰ্শনৰ বাবে প্ৰতিখন ়াবিদ্যালয়ত "Information and Career uidance Cell" জাতীয় একোটা সক্ৰিয় কেন্দ্ৰ স্থাপন া উচিত।

মহাবিহ্দ্যালয় সমূহত ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক - ক্ষয়িত্ৰীসকলৰ মাজত শিক্ষা সম্বন্ধীয় সভা সমিতি ্ষ্ঠিত কৰা প্ৰয়োজন। ছাত্ৰ-ছাত্ৰী আৰু শিক্ষক-শিক্ষয়িত্ৰীৰ ৃস্পৰৰ সমস্যাসমূহৰ বিষয়েও এনে সভাবোৰত লোচনা কৰি পৰস্পৰৰ মাজত থকা ব্যৱধান দূৰ ৰিবলৈ চেষ্টা কৰা উচিত।

আনহাতে প্ৰতি পযেকৰ মূৰে মূৰে বিভিন্ন বিষয়ত কাখনকৈ আলোচনা চক্ৰ অনুষ্ঠিত কৰি ছাত্ৰ-ছাত্ৰী আৰু ক্ষক-শিক্ষয়িত্ৰীৰ উপস্থিতি বাধ্যতামূলক কৰিলে সুফল াৱা যাব।

শিক্ষাধিকাৰ কাৰ্য্যলয়টোৰ ব্যাপক দুৰ্নীতিৰ ়সান ঘটোৱা উচিত। কাৰ্যালয়টোৰ ব্যতিক্ৰমীসকলক া দি প্ৰায় সকলোৱেই দুৰ্নীতিত পোত গৈ আছে। এই ৰ্চাৰী আৰু বিষয়াসকলৰ সা-সম্পত্তি আদিৰ হিচাপ লৈ পক অনুসন্ধান কৰাটো বৰ্তমান সময়ত দেশক ভালপোৱা কাৰ এখনৰ পবিত্ৰ কৰ্তব্য হোৱা উচিত।

জ্ঞান-উদ্যোগ হিচাপে মহাবিদ্যালয়সমূহৰ প্ৰধান নকৰ্মী হ'ল শিক্ষকসকল। এই শিক্ষকসকলক চৰকাৰে ়লো ধৰণৰ প্ৰাপ্য সা-সুবিধা প্ৰদান কৰাত যেনেকৈ াৰ্পণ্য কৰা একেবাৰে অনুচিত, ঠিক তেনেকৈ ক্ষকসকলেও নিজৰ কৰ্তব্যত অৱহেলা কৰা অনুচিত। স্ত মহাবিদ্যালয়ত ইয়াৰ ওলোটা হয়।

বয়স আৰু অভিজ্ঞতা বাঢ়ি যোৱাৰ বাবে কাৰীয়েও হওঁক বা বেচৰকাৰীয়েই হওঁক আন বিভাগ সংগঠনত এজন বিষয়াৰ দৰমহা বাঢ়ি যোৱাৰ লগে গ দায়িত্ব আৰু কামৰ পৰিমাণো বাঢ়ি যাব।

আনহাতে একেদিনাই ১০০/১৫০ খন পৰীক্ষাৰ ী চোৱা শিক্ষক যেনেকৈ নথকা নহয়, ঠিক তেনেকৈ সিমান সংখ্যক বহী একে দিনাই চাবলগীয়া পৰিস্থিতিৰো সৃষ্টি নোহোৱা নহয়।

এনেদৰে ছাত্ৰ-ছাত্ৰীৰ ভৱিষ্যত জীৱনৰ লগত হেতালি খেলাটো একেবাৰে নাইকিয়া কৰাত সকলো পক্ষই গুৰুত্ব দিয়া প্ৰয়োজন।

শেষত ক'ব লাগিব যে বৰ্তমান মহাবিদ্যালয়সমূহে সফলতা লাভ কৰিবলৈ হ'লে অধ্যক্ষ, শিক্ষক-শিক্ষয়িত্ৰী, ছাত্ৰ-ছাত্ৰী. চৰকাৰ আদি সকলোৱে নিস্বাৰ্থভাৱে নিজৰ কৰণীয় কৰ্তব্যখিনি কৰিব লাগিব। জ্ঞানকৰ্মীসকলে প্ৰশংসনীয় কাম কৰিলে বা বিদ্যালয়তনিক দিশত অৱদান আগবঢ়ালে জ্ঞান উদ্যোগটোৰ মুৰব্বী অধ্যক্ষই প্ৰশংসা পত্ৰ দি প্ৰেৰণা প্ৰদান আৰু অভিনন্দন জনোৱা উচিত। National Assessment and Accreditation Council চমুকৈ (NAAC) এ মহাবিদ্যালয়সমূহৰ শৈক্ষিক মান নিৰ্ণয় কৰাৰ সময়ত শিক্ষক-শিক্ষয়িত্ৰীসকলৰ বিদ্যায়তনিক কাম-কাজৰ খতিয়ান প্ৰত্যক্ষভাৱে শিক্ষক-শিক্ষয়িত্ৰীসকলৰ পৰাহে বিচৰা উচিত। বিভাগীয় মুৰব্বীসকলৰ পৰাহে জ্যেষ্ঠতাৰ ভিত্তিতহে নিয়োজিত হৈছে, তেখেতসকলৰ বহুতেই এইবোৰ কাম-কাজৰ আভাষ নাপায়। সেইবাবে যোগ্য ব্যক্তিয়ে প্ৰাপ্য সুবিধা বা প্ৰেৰণা তথা স্বীকৃতিৰ পৰা যাতে বঞ্চিত নহয় ইউ. জি. চি. য়ে সেইটো বিচাৰ কৰাটো প্ৰয়োজন। তেতিয়াহে অসমৰ মহাবিদ্যালয়সমূহৰ ভৱিষ্যত উজ্বল কামনা কৰিব পাৰি।

বিঃদ্ৰঃ- ড° যতীন্দ্ৰনাথ শইকীয়াৰ "জ্ঞান উদ্যোগ হিচাপে অসমৰ মহাবিদ্যালয়সমূহ" নামৰ প্ৰবন্ধৰ আলমত।

# কবিতা আৰু কিছু কথা

## মৃত্যু

শ্ৰীভদ্ৰেশ্বৰ
স্নাতক তৃতী

জন্ম, বিবাহ, মৃত্যু, বিধিৰ বিধান হলেওঁ নিয়তি ইমান নিষ্ঠুৰ হ'ব পাৰে ই কল্পনাতীত। সেয়েহে কবিতাৰ ভাষাৰে কবিয়ে ব্যক্ত কৰিছে-

"মৃত্যুওটো এটা শিল্প
জীৱনৰ কঠিন শিলত কটা,
এক নিৰ্লোভি ভাস্কৰ্য্য ..................।"

সেয়েহে ক'ব পাৰি মৃত্যু সত্য। কিন্তু সকলো ক্ষেত্ৰতে এই সত্য মানি লোৱা অসম্ভৱ, মানি লব নোৱাৰি। কাৰণ এচাম মানুহে আজি মৰিলেও অমৰ হৈ ইতিহাসৰ বুকুত সোণালী আখৰেৰে যাৰ নাম জিলিকি আছে, যিয়ে নিজৰ স্বাৰ্থৰ সমভাগী নহৈ, সমাজৰ হৈ, দেশৰহৈ প্ৰাণ ত্যাগ কৰিছে, সেইসকল মহান দেশ প্ৰেমিক, সমাজ সেৱক সকল কিন্তু আজি মৰিও অমৰ হৈ আছে। এইটো দিশৰ পৰা চালে মৃত্যু সত্য বুলি মানি লোৱা অসম্ভৱ। কিন্তু যি এচাম মানুহ আছে যাৰ মৃত্যু হোৱাৰ পিছত কেইদিনমানলৈ মানৱ সমাজখনত জীয়াই থাকে। তাৰ পিছত মৃত্যুক আঁকোৱালি লৱ লগা হয়। সেইচাম মানুহৰ বাবে মৃত্যু কিন্তু চিৰসত্য।

সেয়েহে নলিনীবালা দেৱীয়ে কবিতাৰ ভাষাৰে কৈছে—

"কোন কাৰ মৰমৰ কোন কাৰ চেনেহৰ
চকুৰ চিনাকী দুদিনৰ।
অসমীৰ ৰূপ-তৃষ্ণা সসীমত বুৰ যাব
সহি গ'লে জৰি মৰমৰ।"

সঁচাকৈয়ে এই দুদিনৰ চিনাকীতে আমি বহুতে বহুতৰ আপোন হৈ পৰো। মৰম চেনেহৰ দোলেৰে বান্ধ খাই সুখ-দুখৰ সমভাগী হওঁ। কিন্তু কালৰ নিষ্ঠুৰ সোঁতে সেই বান্ধ ছিঙি দিয়ে নিমিষতে চকুৰ পলকতে হেৰায় চিনাকীৰ আপোনজন। সেয়েহে বহুতৰে মনত প্ৰশ্ন "মৃত্যু" মানে কি?

ঠিক তেনে এক সন্ধিক্ষণত মোৰো মনত প্ৰশ্নটিয়ে শিহৰণ জগাই তুলিছে। কাৰণ জীৱনৰ পৰম হ'ল মৃত্যু। মৃত্যুক একো কৰিব নোৱাৰি, কেৱল ইয়াক অনুভৱহে কৰিব পাৰি। এই অনুভৱ বৰ স্পৰ্শকা এই অনুভৱ এক বিচ্ছিন্ন বিষাদৰ। এই অনুভৱে হৃ কোনত লুকাই থকা অলেখ স্মৃতিৰ খণ্ডিত টুকুৰাৰ অস্পষ্ট চিত্ৰ মনলৈ আনি সৃষ্টি কৰে এক শূণ্যতা বৰ ভ এই শূণ্যতা।

হয়, এনেকৈয়ে আহে মৃত্যু। সংগোপনে নি হেৰায় যায় চিনাকীৰ এজন। তেনেই সহজ কথা। মৃ কাৰো বাধা নামানে। সেয়েহে একেটা সুৰতে সুৰ মিলাই ময়ো ক'ব বিচাৰো কবিতাৰ ভাষাৰে—

"জনমৰ আদিম পুৰাৰে পৰা
অভিনৱ চিনাকী মাথোন
নিমিষতে হেৰায় যায়
চিনাকীৰ আপোন,
সেয়েহে সকলোৰে বাবে
মৃত্যু, শিল্প, সপোন।"

❀❀❀

# কবিতা আৰু কিছু কথা
# দেশৰ বাতৰি

শ্ৰীসতীশ কাকতি
স্নাতক প্ৰথম বৰ্ষ

কিয় নাই
ীল আকাশৰ বুকুত তৰালিৰ মেল
জোনাকৰ হাঁহি, ৰামধেনুৰ সাত ৰঙৰ
ছবি?
কিয়, কিয় নাই
াছৰ ডালত কুঁহিপাত
গোলাপৰ গোন্ধ
সোনোৱালী শস্য
শিশুৰ মুখৰ হাঁহি?
হে অসমৰ জাগৰ মূৰ্ত্তি! দেশৰ কাৰণে
মুক্তিৰ হকে অন্যায় ৰোধী বীৰ!
দেশৰ কাৰণে তাহানি এদিন
যাচিলা নিজৰ শিৰ।
দেশৰ বাতৰি শুনিবানে বীৰ?
নিদিওঁ তোমাক ফাঁকি,
তোমাৰ অসম আজি আৰু নাই
ভকাটোহে তাৰ বাকী।
"জাতিত আমি
মানুহে বিশাল
পৃথিৱী আমাৰ ঘৰ
পৰস্পৰে ভাই ভাই
নাই ভিন পৰ।"
সেই ————

একতাৰে আঁতডাল কাহানিবাই ছিঙিল। আমি হবলৈ শিকিলো ব্যক্তিকেন্দ্ৰিক, সৃষ্টি কৰিলোঁ মালিক শ্ৰমিক, দৰিদ্ৰ-পুজিপতি, শাসন-শোষন, মগনীয়া ইত্যাদি ইত্যাদি। শ্ৰেষ্ঠ হোৱাৰ লোভত ক'ত কাক কি কৰিছো ক'লৈ গৈছো আমি জানিও নজনাৰ মুখা পিন্ধিছো। কোনোবা বিভীষণৰ চক্ৰান্তত ৰাৱণ বধৰ ভাওনা পাতিছো। এচামে আকৌ ভাতৃৰ নিধনযজ্ঞ, ঈশ্বৰ-আল্লাৰ মাজত শক্তিৰ প্ৰতিযোগিতা পাতি কেঁচা তেজৰ ধল বোৱাইছে।

আঁৰ কাপোৰৰ আঁৰে আঁৰে অসংখ্য বিদ্ৰোপৰ হাঁহি, স্বাৰ্থৰ মহাজাল, লগতে সত্যক বন্দী কৰাৰ শিকনি। জন অৰণ্যৰ কবলত হেৰাই গ'ল জীৱনৰ মানৱতা। প্ৰতি খোজতে কপে আজি হৃদয়, ভয়, এচাম নৰ জন্তুলৈ। কেঁচা তেজৰ উৎকট গোন্ধত নাচে নৰ কংকাল, শান্তিৰ কপৌজনী পলাই বাৰুদৰ শব্দত, ঘুমন্ত শিশুৰো ভাগে ঘুমটি। দুৰ্নীতিয়েই আজি নীতি, স্বজন-তোষণ আৰু শোষণ তাৰেই ভৰত থৰক-বৰক দেশৰ ভেটি। শিশুৰ মুখৰ হাঁহি ধূলিত মিলে, ধেমালীৰ পথশোণিতে ঢাকে। জন্ম লৈয়ে নৱজাতকজনে শুনিবলৈ পায়— হত্যা, লুণ্ঠন-ধৰ্ষণৰ প্ৰথম বাতৰি।

দেশৰ বাতৰি শুনিবানে বীৰ? নিদিওঁ, নিদিওঁ তোমাক ফাকি—

স্বদেশ প্ৰেমৰ কোৱাল সোঁতত দেশ আজি টল-মল। বক্তৃতা দি আকাশ কপাই চিএঞৰত টেটু ফালি। চাৰি পাঁচজন লগ হৈ দল এটি গঢ়িছে, খোৱা-কামোৰাকৈ আপোনজনক মাৰিছে, টুকুৰা টুকুৰে অসমখন ভাঙিছে।

লুইতৰ এই বিশাল পাৰত নাই আৰু অসমীয়া মৰি হাজি ঢুকাল সকলো চিনচাব নাইকিয়া। আকৌ অসমৰ এই ভূমি বিদেশী। বঙালেৰে ভৰিছে, অনেক কথাত খুপনি পুতিছে। স্বদেশৰ মানুহ নেখাই মৰিছে, খৱৰ কোনে ৰাখে, নেতা-পালিনেতাই বিদেশীৰ মান আৰু আদৰ বঢ়োৱাত গুৰুত্ব দিছে।

দুখৰ কাহিনী কিমান শুনিবা? নহ'ব তাৰ শেষ! দেশৰ মানুহ! তুমিতো বুজিছা স্বদেশৰ এই গ্লানি, তুমিতো দেখিছা মৰণৰ ছাঁ অসম আকাশ ছানি।

অসমীয়া সাৱধান
শুনা মোৰ অভয় বাণী——

অসমৰ অস্তিত্ব ৰক্ষাৰ বাবে অসমীয়াৰ জাতীয় প্ৰাণ বিলোপৰ হাত সাৰিবলৈ, থলুৱা বুলি পৰিচয় দিবলৈ, আমাৰ প্ৰেৰণা, গৌৰৱ, একাগ্ৰতা, সাহস, তেজ, ত্যাগ, শান্তি, সমাধান সকলোৰে মূলমন্ত্ৰ "মাতুল ঘাটক নবী" অৰ্থাৎ লাচিতৰ আদৰ্শ আৰু বাণী।

সংঘবদ্ধ হৈ সদৌ অসমবাসী দেশ ৰক্ষাৰ মন্ত্ৰত একমুখী হোৱাৰ অতিকৈ আৱশ্যকতা হৈছে। শৰাইঘটীয়া দেশ প্ৰেমেৰে আজিৰ সমস্যাৰ মীমংসা নকৰি আন উপায় নাই।

ইতিহাস আছে বুৰঞ্জী আছে
আছেনো কি তাত
লুটিয়াই যাও ভালদৰে
আদৰ্শ আছে বাণী আছে
প্ৰেৰণা, গৌৰৱ, একাগ্ৰতা আৰু মোৰ দেশমাতৃৰ
বীৰসকল
সোণালী আখৰেৰে জিলিকি আছে।
নৱ জোৱান আমি, নৱ জোৱাৰেৰে জ্বলাম
দেশ মাতৃৰ বন্তি চাকি
পুৰণি ইতিহাস সামৰি
নতুন ইতিহাস ৰচো আজি।

দেশৰ কাৰণে আজিওঁ বিনায় হেজাৰ ডে
হিয়া, দেশৰ সেনানী! আকৌ মাথোন এবাৰ হুকুম দি
আকৌ এবাৰ ওলোৱা তোমাৰ ৰণ-আহ্বান বাণী, আ
এবাৰ ৰঙা কৰি মৰো লুইতৰ বগা পানী।

সাহস আছেনে বুকুত তোমাৰ? এবাৰ অতী
ঘুৰি চোৱা আৰু হাতে হাত মিলাই ওলাই আহা। ন
ফকিৰৰ দৰে কৰিম দেশৰ কাম, থৈ যাম আমাৰ নাম ধৰ্
বুকুত। শ্বহীদ খৰ্গেশ্বৰৰ দৰে চি-আৰ-পিৰ আগত গৈ
দিম লাঠিৰ কোবত। কনকলতা হৈ বিজয়ৰ পতাকা উ
প্ৰাণ দিম বন্দুকৰ গুলীত। খুদি মণি কুশল হৈ ফাঁচি কা
ওলমিম, অসমবাসীক কন্দুৱাম।

দেশৰ কাৰণে, মুক্তিৰ হকে অন্যায়ৰোধী
সকলক মই অজস্ৰ মৰম চেনেহ আৰু শ্ৰদ্ধাঞ্জলি জ্ঞা
কৰিছো।

হে মোৰ দেশ মাতৃৰ
ত্যাগৰ মূৰ্ত্তি
তোমাক হেজাৰ হেজাৰ
প্ৰণাম ..............
উঠা — জাগা আৰু জগোৱা
ঐ অসমীয়া ডেকা-গাভৰু
দেশ ৰক্ষাৰ মন্ত্ৰত একমুখী
গাঁও জয়সুৰীয়া গীত
আমি শৰাইঘটীয়া ডেকা দল।

---

☛ দৃঢ় সংকল্প নহ'লে কোনো ভাল কাম কৰা সম্ভৱপৰ নহয়। ——— মহাত্মা গান্ধী।

☛ আশা আছে বাবে পৃথিবীখন ইমান ধুনীয়া। ——— হেম বৰুৱা।

☛ কৰ্মকৈ খোৱা, শান্ত হৈ থকা আৰু আনন্দপূৰ্ণ জীৱন যাপন কৰা। এই তিনিটাই হ'ল পৃথিবীৰ সৰ্বশ্ৰেষ্ঠ চিকিৎসক। ——— জোনাথন চুইকম।

☛ ভালপোৱাই হ'ল স্বাৰ্থপৰতা। যিসকলে আত্মাক জানি বুজি ভাল পায় তেওঁলোকৰ ভালপোৱাৰ কোনো বন্ধন নাই। তেওঁলোক পৰম জ্ঞানী। ——— স্বামী বিবেকানন্দ

# 2012- End of the World

Paramesh Dutta
Lecturer, Dept. of English

December 21, 2012 end of the orld is a controversial subject and people ιve different ideas and beliefs about this ophecy. It is the most unidely socaussed mysterioecs year as per the search made by many scientists. Some ople believe that it could be due to human acts, while others believe that the ulnate culmination could be due to come tural phenomenon such as earthquakes, lcanic eruption and son on.

Few Facts

he Mayan Calendar.

The Mayans were the first people predict that the year 2012 untill be the d of life on the planet. The Mayors were tremely skitiled at building accurate aslogical apparates from stone and sacriing vergins. These great astrologists, the ayans, have discovered 3 thoeus and ars ago, that the Earth's are oscitlates and anges its position every 26 thousand ars and as a result the positions of the ighbouring stars change all the time.

olar Flairs Peak

In general, solar storms have been tering the earth with lots of radiation ergy, thereby knocking the power grids well as destroying satellites. This parcular activity is predicated to get even orse and this problem will reach its top n December 21, 2012

olcano Catastrophe

olcanic eruptions are predicated to be the ajor natural disaster that will end life on arth. The Yellostone Volcano in United States is said to have an erupting pattern for every 650,000 years. The presence under this volcano is building continuously. Many geologests foresee that this volcano is ready for a massiue bang in the year 2012.

Atom Smasher

Scientists in Europe have been building the world's largest particle accebrator. It is a 27 Km tunnel designed to somsh atoms together to find out what will be fired up for its first serious experment in 2012, the world could get creshed into a super dense blob, the size of a bosket ball.

Bible

Interpretations of the christian Bible reveals that the date for Armageddon, the final bottle between Good and Evil, has been sat down as 2012.

Scientists

We all know that tha Earth is surrounded by a magnetic field that protect us from most of the sun's variation. The magnetic force we call morth and south have a habit of swapping places every 75,000 years. Scientists have noted that the poles are drifting apart each year. While the pole shifts, the magnetic field is disrupted thees affecting life on earth. They say that the cumiax will be in 2012.

What will happen? Is the "End of the world 2012" the prophecy really true? We don't knew for sure because the facts are a little ambiguous, We will just have to wait and see.

# ৰহস্যৰ অন্তঃ

শ্ৰীকবিতা কা
স্নাতক তৃতীয়

জীৱনৰ স্বপ্নিল আশাবোৰ বুকুত বান্ধি অভিজিৎ চলিহাই আজি ডিব্ৰুগড় অভিমুখে ৰাওঁনা হৈছে। দুখ-যাতনাৰে অতিবাহিত দিনবোৰৰ যৱনিকা পেলাই নৱদিনৰ আৰম্ভণিতে উৎফুল্লিত হৈ এটি সুখৰ শ্বাস পেলাইছে। অভিজিত আজিৰে পৰাই ডিব্ৰুগড় College ৰ অসমীয়া বিভাগৰ প্ৰৱক্তাৰ চাকৰিটোত জইন কৰিব। সঁচাকৈ অভিজিতৰ গুণ-ৰূপ চৰিত্ৰৰ বৰ্ণনা এনেদৰে দিবলৈ কঠিন হব। মুঠতে তেখেত এজন সু-স্বাস্থ্যৰ, সু-গুণৰ লগতে আদৰ্শৱান যুৱক।

অভিজিতৰ মনত চাকৰিটো পাই যিমান আনন্দ লাগিছিল হয়তো তাতোকৈ বেছি আনন্দ লাগিছিল তেখেতৰ মাকৰ মনত। অভিৰ চাকৰিতোৰ আৰত লুকাই আছে মাকৰ অজস্ৰ কষ্ট-চেষ্টা আৰু ধৈৰ্য্য। কুৰি বছৰত ভৰি নিদিওঁতে অৰ্থাৎ ক'ব পাৰি গাভৰু বয়সৰ পৰাই অভিৰ মায়েকে ভূগিব লগাত পৰিছিল অলেখ মন্ত্ৰণাত। সঁচাকৈ ভগৱান তুমি ধন্য। এনেকৈ ভাৱি ভাৱি ডিব্ৰুগড় কলেজৰ গেট পালেহি অভিজিতে।

কিছুসময়ৰ পাছত চলিহাই Office Room ত সোমাই আৰু সকলোৰে লগত চা-চিনাকী হয়। জইনৰ প্ৰথম দিন বাবে প্ৰথমে স্নাতক প্ৰথম বৰ্ষতে Principal ছাৰে Class এটা কৰিব দিলে। এক-দুই-তিনি-চাৰি দিনকৈ সময়ৰ সোঁতত এমাহ বাগৰিল অভিজিতৰ।

সচাঁকৈ College খনলৈ আহি খুৱে ভাল লাগিছে। ছাত্ৰ-ছাত্ৰীসকলৰ লগতে Principal ছাৰ, প্ৰৱক্তা মণ্ডলী সকলোৰে সৈতে অতি সোনকালে সহজ হ'ব পাৰিছো। তাতোকৈ ভাল লাগিছে Philosophy lecture মৃদুলাৰ সৈতে আৰু সহজ হ'ব পাৰি। অভিজিতে ডিব্ৰুগড় কলেজৰ ওচৰৰ চহৰখনতে Room ভাৰা কৰি থাকে। অভিৰ Room ৰ পৰা অলপ আঁতৰত মৃদুলা চলিহাৰ কোৱাৰ্টাৰ। অভিজিত আৰু মৃদুলা দুয়োজনে প্ৰায় একেলগে College লৈ অহা-যোৱা কৰে।

এদিন কলেজৰ পৰাই উভতি গৈ থাকোতে অভিজিতে মৃদুলাক ক'লে, যোৱা কালি মাৰ চিঠি এ পালো। চিঠিখনত লিখিছে- মাৰ হেনো অকলে অ থাকিবলৈ বৰ বেয়া লগা হৈ আহিছে। কম দিনৰ ভিত মোৰ বিয়াখন পাতিব খুজিছে। মৃদুলা মই বৰ বিপা পৰিছো বুজিছা। মাৰ কথা পেলাব বা মাৰ মনত দুখ মই কেতিয়াও নিবিচাৰো। কিন্তু এতিয়া কথা হ'ল- আ গাঁৱৰ পৰিবেশ বা মোৰ লগত মিলা, মাৰ লগত মি চলিব, কাম-বন, কথা-বতৰা, স্বভাৱ-চৰিত্ৰৰ অৰ্থা ধৰিব পৰা ছোৱালী এজনী ইমান সোনকালে পাওঁনো ক তোমাৰ যদি মোৰ লগত মিলা বান্ধৱী আছে চাবাচো

হ'ব জিত দা। কিন্তু আপোনাৰ ঘৰত কোন আছে সেই কথাটোকে আজিলৈকে খুলি নকলে। কোৱা মাৰ বাহিৰে নিজৰ বুলিবলৈ কোনো নাই। জিত আজি কবই লাগিব আপোনাৰ পৰিয়ালত কোন আছে?

মৃদুলা ক'লেও তুমি বিশ্বাস নকৰা। সঁচাকৈ কেৱল মাথো আছে মা। মা জীয়াই আছে মোৰ মৰো জীয়াই আছো একমাত্ৰ মাৰ বাবে।

কিন্তু জিতদা, আপোনাৰ দেউতা বা কোনোৱা অতীতত আছিলনে নাই?

ইমান আগ্ৰহী তুমি মোৰ ঘৰৰ কাহিনী শুনি সঁচাকৈ ভৱিষ্যতে ছাগে তোমাৰ বাহিৰে দ্বিতীয়জন মা মোক এনেদৰে প্ৰশ্ন নকৰিবই। শুনা তেন্তে- মোৰ মোৰ গাঁও মানে বৰ্ত্তমান মামাহঁতৰ গাঁৱতহে আ মামাহঁতৰ গাঁওখনৰ পৰাই ছয় (৬) কিলোমিটাৰমান দূ মাৰ বিয়া হৈছিল। দেউতাই ৰেলৱে' চাকৰি কৰিছিল। ক আইতা, দেউতা আৰু মা এয়াই আছিলে এখন সু পৰিয়াল। পিছে দেউতা যে এজন মুখা পিন্ধা ভদ্ৰ আছিল, সেই কথা আইতা-ককা, মা কোনেও বুজিব নাছিল। মাক বিয়া কৰোৱাৰ ছয়মাহ মানলৈকে দুয়োজ সম্পৰ্কটো ভালেই আছিল। তাৰ পিছত হঠাৎ আৰম্ভ হৈ মাৰ ওপৰত দেউতাৰ দুৰ্বাৰ অত্যাচাৰ। ভালকৈ নেমা

থাই প্রতি চিদিৰ, নিশা লাঠী, গুড়ী, চৰ আদি নানা ধৰণে ত্যাচাৰ। সময়ত এদিন কৈ পেলালে যে তুমি মাৰাইঁতৰ ৰলৈ গুচি যোৱা, মই আন এজনীকহে তোমাতকৈ বেছি াল পাওঁ। সেইজনীক বিয়া কৰাই মোৰ কোৱাৰ্টাৰতে াখিম। ৰাখিম মানে মোৰ ইতিমধ্যে সেইজনীৰ লগত কপ্রকাৰ বিয়া হৈ গৈছেই। তেতিয়া মই মাৰ গৰ্ভত াতমহীয়া সন্তান। দেউতাৰ কথাত যেন মাৰ মূৰৰ ওপৰতে শাল আকাশখন ভাঙি পৰিল। কিন্তু কি কৰিব। উপায় হৰাই গ'ল। তাৰ পিছতো হেনো মা এমাহমান আছিল। ইফালে আকৌ দেউতাই খবৰ-বাতৰি লোৱা দূৰৰ কথা, ৰলৈকে নহা হ'ল। তেতিয়া বোলে মাই ককা আৰু াইতাক কৈ মিলি মামাইঁতৰ ঘৰলৈ গুচি আহিল। আইতা-কাই বেছি বাধা নিদি ভগৱানক ধিয়াই চকুৰ পানী টুকি কছিলে- "মা তোৰ মূল মানুহটোৱেই যেতিয়া কাষত নাই ই ঘৰখনতনো কাক লৈ থাকিবি।" তাৰ পিছতে মামাইঁতৰ ৰত মোৰ জন্ম হয়। মামাইঁতৰ ঘৰতো মামাৰ বাহিৰে কানো নাছিল। আইতা-ককা মোৰ জন্মৰ আগতে কাইছিল। মামাইঁতৰ ঘৰৰ অৱস্থা একেবাৰে বেয়া আছিল। বেলা দুমুঠি খোৱাৰে চিন্তা। তথাপিতো মাই ভাগৰি নপৰি পটৰ সন্তানক লালন-পালন কৰিবলৈ ল'লে। মাই কথাই থাই প্রতিজ্ঞা, আৰ্শীবাদ আৰু দাবী কৰি মোক প্রতিদিনে ক আহিছিল যে অভি তই ভাল মানুহ হ'ব লাগিব। দহজনৰ ানত আদৰ্শৱান, নাম জ্বলা হ'বই লাগিব। দেউতাৰে তোৰ ন্মৰ আগতে আমাক এৰা দিলে। গতিকে তই মোৰ নাম াখিব পাৰিবই লাগিব।

মাৰ কথামতে বেছি ডাঙৰ মানুহ হ'ব নোৱাৰিলেও আজি এজন College ৰ প্রৱক্তা হলো। সেয়েহে মাক মই এতিয়া একোতে দুখ দিব নিবিচাৰো। াই মন কৰিছে যেতিয়া গাঁৱলীয়া পৰিৱেশত চলিব পৰা, ছোৱালী এজনী পালে ভাল হয়।

জিত দা, সঁচায় আপোনাৰ জীৱনৰ ৰহস্যময় কাহিনী শুনি মই অতিশয় ক্লান্ত। আপুনি আপোনাৰ মাক বোৱাৰী হিচাপে দিব পৰা এজনী ছোৱালী পাইছো। কিন্তু আপোনাৰ মতামতৰ ওপৰতহে সকলো নিৰ্ভৰ। কওঁনে কোন? কোৱা আকৌ ———

যদি কওঁ ময়ে আপোনাৰ মাৰ হ'বলগীয়া বোৱাৰী হ'ব বিচাৰো। তেন্তে আপুনি কি কব?

মৃদুলা, ধেমালী কৰিছা নে মোক ঠাট্টা কৰিছা? নাই জিত দা, সঁচাই কৈছো। আপোনাক প্রথম দেখা দিনাৰেপৰা ভাল লাগিছিল। কিন্তু হৃদয়ৰ কথাষাৰ খুলি ক'ব পৰা নাছিলো।

I Love You Really আপুনি আপোনাৰ মাৰ লগত আমাৰ ঘৰলৈ যাব পাৰে। মা-দেউতাই মোৰ পছন্দ মতে বিয়া দিব।

মৃদুলাইঁতৰ ঘৰখনত এটা আনন্দৰ পৰিৱেশ। জীয়েকৰ পছন্দৰ ল'ৰাৰ লগতে মাকো আহিব বিয়াৰ দিন-বাৰ থিক-থাক কৰিবলৈ। মৃদুলাৰ মাক ভাত-পানী বনোৱাত ব্যস্ত। মৃদুলাই চাহৰ কাপ-প্লেট সজোৱাত ব্যস্ত। মৃদুলাৰ দেউতাকে গৌৰৱ বোধ কৰি অপেক্ষা কৰি আছে প্রৱক্তা জোঁৱাইক আদৰিবলৈ। দেউতাকে Office ৰ দুই-এজনকো নিমন্ত্রণ কৰিছে জোঁৱাইক চাবলৈ। জীয়েক মৃদুলা এজনী কলেজৰ প্রৱক্তা আৰু জোঁৱাইজনো একেখন কলেজৰ প্রৱক্তা। মৃদুলাই ল'ৰা পছন্দ কৰিব জানিছে। এইফালে আকৌ চলিহা বংশৰে ল'ৰা।

এনেদৰে ভাবি-গুনি থাকোতে মাৰুতি কাৰ এখন সজোৰেৰে আহি মৃদুলাইঁতৰ দুৱাৰ মুখত ৰাখি দিলে। অপেক্ষাৰ অন্তত মৃদুলাৰ দেউতাকে আগবঢ়াই নিবলৈ ওলাই আহিল। কিন্তু ৰহস্য আৰু ৰহস্য! গাড়ীখনৰ ভিতৰৰ পৰাই ওলাই আহিছিল তেখেতৰ প্রথমা পত্নী আৰু লগত গহীন-গম্ভীৰ ডেকা এজন।

চকুত চকু পৰিল অভিজিতৰ মাক আৰু মৃদুলাৰ দেউতাকৰ। বহু বছৰৰ মূৰত দেখা দেখি হলেও দুয়ো-দুয়োকে চিনিবলৈ বাকী নাথাকিল।

অভি, তই এইবিলাক কি কৰিব ওলাইছা? মুখা পিন্ধা ভদ্রলোকক তইঁতে আজিও চিনিব নোৱাৰিলি? কাৰ ঘৰত কাৰ স'তে তোৰ সম্পৰ্ক স্থাপন কৰিব বিচাৰিছা? অসভ্য, নীচ, পশুটোৰ স'তে তোৰ আকৌ চিনাকী হ'ল কেনেকৈ?

অভিজিতৰ বুজিবলৈ সময় নালাগিল। এই ফালে আকৌ অভিৰ মাকৰ চিঞৰত, ব্যৱহাৰত, মৃদুলাৰ মাক আচৰিত ভাৱে থৰ লাগিল।

❀❀❀

# সপোন

শ্ৰীধনেশ্বৰ ব
স্নাতক প্ৰথম

যোচেফ কে. ই সপোন দেখিছিল।

খুব সুন্দৰ ৰাতিপুৱা। ইমান ফৰকাল ৰাতিপুৱাটো দেখি তাৰ অলপ মুকলিলৈ আহি ফুৰাৰ ইচ্ছা হ'ল। কেইখোজমান দিয়াৰ পাচতে কবৰস্থান এখনত উপস্থিত হ'লহি। ইয়াৰ বাট-পথসমূহ বৰ অকোৱা-পকোৱা পকীবিহীন। অকনোৱেই বিজ্ঞানসন্মতভাৱে তৈয়াৰী নহয়। তথাপি, এনেধৰণৰ হোৱা সত্বেও একপ্ৰকাৰ জঁপিয়াই ৰাস্তাটো পাৰ হ'ল সি, যিদৰে শিলৰ ফাকেৰে জুৰিৰ পানী জঁপিয়াই জঁপিয়াই আগুৱাই আহে, ক'তো থমকি নৰয় অথবা ভাৰসাম্য হেৰুৱাই নেপেলায়। দূৰৈত কৱৰ এটা চকুত পৰিল তাৰ, এটা নতুন কৱৰ। তাৰ ইচ্ছা হ'ল যেন কৱৰৰ কাষলৈ গৈ বহিব কৱৰ-চূড়াটোৰ নিৰ্মাণ কৌশলে তাক আকৰ্ষণ কৰিলে, কিন্তু কৱৰটোৰ কাষলৈ যোৱাটো যে বৰ কষ্টসাধ্য হ'ব, সেই কথাও সি বুজি পালে। ধীৰে ধীৰে কবৰটো তাৰ দৃষ্টিৰে অগোচৰ হ'বলৈ ধৰিলে, কিয়নো জোপোহা আৰু গছ-পাতৰ হেন্দোলনিত বাৰে বাৰে আঁৰ হৈ গৈছিল কৱৰটো আৰু পাতবোৰ সঁচাকৈয়ে জোৰেৰে দুলিবলৈ ধৰিছিল ক্ৰমশঃ। স্বাভাৱিকতে এনেধৰণৰ পৰিস্থিতিত কবৰটোক দৃষ্টিৰ ভিতৰত ৰখাটো কাৰো পক্ষেই সহজ-সাধ্য নহয়। গছডালৰ কেৱল পাতবোৰহে দেখা গৈছিল আৰু পাতবোৰে যিদৰে নাচি-বাগি আছিল, ভাৱ হৈছিল যেন উৎসৱহে আৰম্ভ হৈছে।

অলপ কষ্ট কৰিলেই তেওঁ কৱৰ -চূড়াটো অতিক্ৰম কৰিব পাৰিলেহেঁতেন। অথচ তাৰ ভাৱ হৈছিল- তেওঁ হয়তো বহু দূৰৈৰ পৰা এই কৱৰ-চূড়াটো অৰ্দ্ধনিৰ্মিত চকুৰে লক্ষ্য কৰিছে কথাটো ভ ৱাৰ লগে লগে তেওঁ ৰাস্তাৰ পৰা কবৰৰ কাষলৈ গৈ সেউজীয়া ঘাঁহৰ ওপৰত বহি পৰিল। কিন্তু তেতিয়াও তেওঁৰ ভৰিৰ তলৰ ৰাস্তাটো আৰু অধিক দূৰলৈ প্ৰসাৰিত হৈছিল, তেওঁ আৰু শৰীৰৰ ভাৰসা ৰক্ষা কৰিব নোৱাৰিলে। হামখুৰি খাই ঠিক কৱৰৰ সম্মু বাগৰি পৰিল। দুজন মানুহে সেই মুহূৰ্ত্তত কৱৰৰ পিছফা থিয় হৈ আছিল। মানুহ দুজনে শিলৰ ফলক এখন কৱৰটো চুড়াৰ ওপৰলৈ তোলাৰ যত্ন কৰিছিল। কে. ই ঠাই টুকু উপস্থিত হোৱাৰ লগে লগেই মানুহ দুজনে ফলক মাটিতেই ধাক্কা মাৰি আগুৱাই দিলে ফলকখন কিছুদুৰ বাগ এনেদৰে বৈ গ'ল যে কে. ৰ এনে লাগিল। যেন ফলক চিমেণ্টৰে মাটিৰ সৈতে গাঠি পেলোৱা হৈছে। আচম্বি কাষৰ জোপোহা এটাৰ পৰা আৰু এজন মানুহ ওল আহিল। কে. ই এই মানুহজনক দেখি এজন শিল্পী বু সহজেই চিনাক্ত কৰি পেলালে। শিল্পীৰ গাত মলি পায়জামা আৰু বিশৃংখলভাবে বুতাম লগোৱা এটা কামি মূৰত ভেলভেটৰ টুপি। হাতত এপাত সাধাৰণ তুলিকা শূণ্যত এখনি ছৱি অঁকাৰ চেষ্টা কৰি কৰি সমুখলৈ আগুৱ আহিছে। শিল্পীয়ে কৱৰ চুড়াটোৰ ওপৰত আৰোহন কৰি সেই কথাই তুলিকাৰ সহায়ত বুজাব বিচাৰিলে।

শিলৰ ফলকখন আছিল বেছ দীঘল। গতি শিল্পীয়ে তললৈ অধিক হাউলি পৰাৰ প্ৰয়োজন নাছিল যদি তেওঁ হয়তো সামান্য আগলৈ শৰীৰ দোৱা পাৰিলেহেঁতেন। কাৰণ কৱৰৰ চুড়াটো যাৰ ওপৰত তে ভৰি দিবলৈ সংকোচবোধ কৰিছিল, সেইটো এতিয়া তে আৰু শিলৰ ফলকৰ মধ্যৱৰ্ত্তী স্থানতে অৱস্থিত। সেয়ে তে গোৰোহা তুলি দিক্ দিয়াৰ চেষ্টা কৰিলে আৰু শিল ফলকখনৰ ওপৰত বাঁও হাতেৰে শৰীৰৰ ভাৰসাম্য ৰক্ষ কৰি নিজকে থিয় কৰাই ৰাখিলে। তাৰ পিছত অসাধাৰ দক্ষতাৰে তেওঁৰ সাধাৰণ তুলিকা পাতেৰেই ফলক আখৰবোৰ সোণালী ৰঙেৰে উজ্জ্বল কৰি তুলিলে। তে

খলে- ইয়াতে শুই আছে। প্ৰতিটো আখৰেই সুন্দৰ আৰু
টি গোট। উজ্জ্বল সোণালী ৰঙেৰে বোলোৱা। শব্দকেইটা
খাৰ পিছতে শিল্পীয়ে কে.ৰ ফালে কান্ধ ঘুৰাই দৃষ্টি দিলে।
. ই পৰৱৰ্ত্তী শব্দকেইটা কি হ'ব পাৰে, সেই কথা ভাবি
গ্ৰীৱ হৈ উঠিছিল। উপস্থিত কোনো মানুহৰ প্ৰতি কে.
কানো মনযোগ নাছিল। তাৰ দৃষ্টি আৰু ভাৱনা নিবদ্ধ
ছিল শিলৰ ফলকখনৰ ওপৰত। শিল্পীপুণৰ লিখিবলৈ
্যত হ'ল, কিন্তু কোনোমতে তেওঁ লিখা আৰম্ভ কৰিব
ৱাৰিলে। কিহ্বাই যেন তেওঁক বাৰে বাৰে বাধা দি
খছে। তেওঁ তুলিকা পাত ৰঙৰ পাতত ডুবাই ৰাখি পুণৰ
. লৈ চালে। কে. য়ো দৃষ্টি ফলকৰ আখৰবোৰৰ পৰা
তৰাই আনি শিল্পীৰ ফালে চালে। কে. ৰ ভাব হ'ল-
ল্পী হতাশাত ভাগি পৰিছে, কিন্তু ইয়াৰ সঠিক কাৰণটো
ওঁ বুজিব পৰা নাই। কিছু সময় আগৰ শিল্পীৰ
নোচ্ছলতা হঠাতে যেন অন্তৰ্দ্ধান হৈ পৰিছে। কে. ও
গি পৰিল আৰু দুয়োজনে পৰস্পৰে পৰস্পৰৰ সৈতে
হায় দৃষ্টি বিনিময় কৰাত লাগিল। দুয়োজনৰ মাজত
ৎ এটা ভয়ংকৰ ভুল বুজাবুজিৰ সৃষ্টি হ'ল,যাক কাহানিও
াপৰালৈ অনাটো সম্ভৱ নহয়। এই অসময়তে এটি
প্ৰয়োজনীয় ঘণ্টা কবৰস্থানৰ গীৰ্জাত বাজিবলৈ আৰম্ভ
ৰিলে। কিন্তু শিল্পীজনে হাতেৰে ইংগিত দিয়াৰ লগে লগেই
টাধ্বনি পুণৰ বন্ধ হৈ গ'ল। কিছুসময়ৰ পিছ ত আকৌ
জি উঠিল ঘণ্টাটো। কিন্তু এইবাৰ শিল্পীজনে কোনো
গিত দিয়াৰ চেষ্টা নকৰিলে। তথাপিও অলপ পাচতেই
দ্ধ হ'ল ঘণ্টা-ধ্বনি। ঘণ্টাটো এনেদৰে স্তব্ধ হ'ল। কে.ৰ
ৱ হ'ল যেন বাজেনে নাবাজে সেই কথা পৰীক্ষা কৰি
লৈকে ঘণ্টাটো বজাই চোৱা হৈছে। শিল্পীৰ এই অসহায়
স্থাটো দেখি কে. ইয়ে বাৰ বাৰ অস্বস্তি অনুভৱ কৰিলে।
ওঁৰ কান্দোন ওলাই আহিল। তেওঁ উচুপি উঠিল আৰু
সময় ধৰি দুহাতেৰে মুখ ঢাকি কে. ই ফোপাই থাকিল।
.ৰ অস্থিৰ অৱস্থা প্ৰত্যক্ষ কৰি শিল্পীয়ে থিৰাং কৰিলে
যিহেতু উভয়ৰে এই অসহায় অৱস্থাৰ পৰা মুক্ত হোৱাৰ
কোনো পথ নাই, সেয়েহে এতিয়া পুণৰ কামত মনোনিৱেশ কৰাই ভাল হ'ব। কামত ব্যস্ত হ'লে হয়তো কে. ওঁ কিছু সকাহ পাব। শিল্পীৰ তুলিকাৰ প্ৰথম আঁকটোতেই কে. ই মনটো পাতল অনুভৱ কৰিলে। কিন্তু শিল্পীয়ে তেওঁৰ কামত প্ৰাণ ঢালি মনোযোগ দিব পৰা নাছিল। ফলত বাকী কামখিনি নিখুঁত আৰু সুন্দৰ হৈ নুঠিল। সুন্দৰ পৰিসমাপ্তিৰ সম্ভৱ নহ'ল। এই অদ্ভুত সোণালী ৰঙৰ শিল্প সৃষ্টিৰ মাজত যেন খুঁত বৈ গ'ল। বৰ ম্লান আৰু বিশৃংখল হৈ গ'ল শব্দৰ শৰীৰ। ভাৰসাম্য হীন হৈ পৰিল কোনোটো আখৰ সৰু হ'ল কোনোবাটো ডাঙৰ। আখৰবোৰৰ মাজত আছিল এটা 'য'। লেখা প্ৰায় শেষ নৌহওঁতেই হঠাৎ শিল্পী ক্ষিপ্ৰ হৈ উঠিল। ক্ষোভত কঁপি উঠিল তেওঁ এটা প্ৰচণ্ড গোৰ শোধালে শিলৰ ফলকটোৰ গাত। ফলকটোৰ গাৰ পৰা চাৰিওফালে ধূলি ছিটিকি পৰিল। অৱশেষত বহুসময়ৰ অন্তত শিল্পীক কে. ই বুজিবলৈ সমৰ্থ হ'ল। কিন্তু ক্ষমা বিচাৰিবলৈকো তেতিয়া বহু বিলম্ব হৈ গৈছে। তেওঁ ক্ষোভত অস্থিৰ হৈ আঙুলিৰে মাটি আঁচুৰিবলৈ ধৰিলে। অথচ এই মাটিয়ে তাৰ কোনো কামত ব্যাঘাত জন্মোৱা নাছিল। কে. নিশ্চিত হ'ল যে এতিয়া এনে এক ঘটনা ঘটিব, যিটো পূৰ্বতেই সু-নিৰ্দ্ধাৰিত হৈ আছিল। এই সমস্ত দৃশ্য প্ৰত্যক্ষ কৰাৰ বাবে মাটিৰেই পাতল স্তৰ এটা নিৰ্মাণ কৰা হৈছে। পিচ মুহূৰ্ত্ততে সেই স্তৰৰ তলত আৱিস্কিত হ'ল এটা বিশাল গাঁত— যাৰ মুখখন ধীৰে ধীৰে মুকলি হৈ পৰিল। জলসিক্ত সেই গাঁতৰ ভিতৰ কে. মৃদু সোঁতৰ সৈতে উটি যাবলৈ ধৰিলে আৰু যেতিয়া কে. ক এক অজান গভীৰতাৰ মাজলৈ লৈ যোৱা হ'ল, তেতিয়াও তেওঁ যেন মূৰ দাঙি চাবলৈ বিচাৰিছে আৰু চুকত পৰিছে ক বৰৰ চুড়াটো। য'ত আঁবি থোৱা শিলৰ ফলকত দ্ৰুতভাৱে লিখা হৈ গৈছে তাৰেই নাম।

দৃশ্যটো দেখি মুগ্ধ হোৱা যোচেফে কে. ৰ নিদ্ৰা ভাঙি গ'ল।

# ডেউকা ভগা পখী

শ্ৰীইংকুমণি
স্নাতক তৃতীয়

আহিনৰ জোনাক নিশা নিলীম আকাশত তৰাৰ জিলিকণি, জোনাকৰ পোহৰত যেন তৰাবোৰে জিক্‌মিকাই আছে, ইটোৱে সিটোক যেন মনৰ কথা কৈ আছে। জোনাকী পৰুৱাবোৰে যেন ইটোৰ পিঠিত সিটো উঠি জোনাকৰ দেশলৈ যাব বিচাৰিছে।

ফৰকাল আকাশৰ মাদকতা লোৱাতো যে তৃষ্ণাৰ শৈশৱৰ পৰাই হেঁপাহ। তাই যেন বহুত দুখৰ পৰা সকাহ পাই এই মাদকতাত।

গধুলি প্ৰায় আঠ বাজিছে তৃষ্ণাই চকী খনত বহি নানা কথা মনৰ ভিতৰতে পাগুলি আছে, ইফালে নাম ঘৰত কীৰ্ত্তন পাঠৰ ৰিণি-ৰিণি শব্দ তাইৰ কাণত বাজিছে। আনফালে ওচৰতে থকা ৰেডিঅ'টো অনুৰোধৰ গীত দি আছে। হঠাৎ তাই শুনিবলৈ পালে (তুমি আহিছিলা চেনাই মোৰ পদুলিলৈ বুলি তল ভৰি সৰা বকুলৰে ফুল গছকি...........) গীতটো তাইৰ বৰ প্ৰিয়। তাই চকীখনত মূৰটো গুজি দিলে। তাইৰ মনত পৰিল সঁচাই এদিন তাইৰ পদুলিৰ তল সৰা বকুল গছকি তাইৰ জীৱনলৈ আহিছিল অমিত।

তাই অমিতক বহুত ভাল পাইছিল। হয়তো নিজৰ জীৱনতকৈয়ো বেছি। সেই ভালপোৱা তাইৰ প্ৰেম নে কি? যদি প্ৰেম হয় তেতিয়া হ'লে তাই তেতিয়াৰ পৰাই প্ৰেম কৰিছিল, যেতিয়া জনা নাছিল প্ৰেম মানে কি? তৃষ্ণাই ভাল পাইছিল অমিত বৰুৱাক। ভাল পাইছিল অমিতৰ প্ৰত্যেকটো কথা। সি গোৱা গীতবোৰ, সি লিখা কবিতাবোৰ আৰু তাৰ মিচিকিয়া হাঁহিটো।

অমিত বৰুৱা আছিল তৃষ্ণাহঁতৰ গাঁৱৰ এজন খেতিয়কৰ ল'ৰা। সি সদায় হাল বোৱাৰ আখৰা কৰি জীৱনত ডাঙৰ মানুহ হোৱাৰ কল্পনা কৰি আছিল।

অমিতেও তৃষ্ণাক সিমানেই ভাল পাইছিল, যি তৃষ্ণাই অমিতক ভাল পাইছিল। তাই স্কুলৰ পৰা অহা সম সি সদায় বাটত ৰৈ আছিল। সি তৃষ্ণাৰ ফালে চাই কৈ অলপ ৰৈ যোৱা ৰ'দত তোমাৰ দুগাল ৰঙা পৰিছে। তৃষ্ণ তলমূৰকৈ আহিছিল। তৃষ্ণাই সদায় ভাবে অমিতক বহুত কথা কব। কিন্তু অমিতৰ ওচৰ পালে তাইৰ নোলায়।

অমিত এইবাৰ স্নাতকোত্তৰ হ'ল। তৃষ্ণ ভগৱানৰ ওচৰত প্ৰাৰ্থনা কৰে তাইৰ অমিতে যেন হলেওঁ এটা সংস্থাপন পায়। তাইৰ প্ৰাৰ্থনা ভগৱানে শু ললে। অমিতে এইবাৰ প্ৰাইভেট কাম এটা পালে অ ঘৰখনৰ একমাত্ৰ ল'ৰা। সি ঘৰ খনৰ লাহে লাহে উন্ন কৰিলে। দুই চাৰিবিঘা মাটি বন্ধকত ৰাখিলে। ঘৰটো চ গুচাই টিন লগালে।

অমিতৰ দেউতাকৰ অসুখ বিচনাত পৰি আ দেউতাকৰ শেষ ইচ্ছা অমিতৰ বাবে ঘৰলৈ বোৱাৰী অ অমিতৰ মাকে এদিন অমিতক কথাটো ক'লে। অমি লাজ লাগিছিল যদিও মনে মনে ভালো লাগিছিল। গোটেই ৰাতি তৃষ্ণাক লৈ সপোন দেখিলে। সি ভনীয়েক তৃষ্ণা আৰু তাৰ সম্পৰ্কৰ কথাটো ক'লে আৰু সি যেকে তৃষ্ণাকে লগৰী কৰিব।

মাক-দেউতাকে অমিতৰ কথাটো গম পা দেউতাকে অমিতক ক'লে, "বোপাই লিখাই-পঢ়াই তে এজন ডাঙৰ মানুহ কৰিলো। এতিয়া তোৰ পৰা এনে এ কথা শুনি বৰ দুখ পালো। চা অমিত, তৃষ্ণাক যদি বিয়া কৰাব তেতিয়া হ'লে তোৰ দেউতাৰাৰ মুখ কো দিনে নেদেখ কাৰণ সেই ভাতৃহীনা ছোৱালী জনীক মোৰ বোৱাৰী কৰিব নোৱাৰো।"

অমিতে মাক-দেউতাকক বহুত বুজালে- "চোৱা দেউতা ভাতৃহীনা হোৱাটো তৃষ্ণাৰ পাপ নে? মাক-দেউতাক কোনো পধ্যেই ৰাজি নহ'ল। শেষত অমিত ভাগি পৰি পৰি তৃষ্ণাৰ ওচৰ পালে।"

তৃষ্ণাই সকলো কথা গম পাইছে। তাই অমিত অহা দেখা পাই ক'লে- "অমিত দা, আহা ইয়াতে বহা। ভাল খবৰ এটা শুনিছো তোমাৰ বোলে বিয়া।" অমিত "তৃষ্ণা, তুমি তেনেকৈ নক'বা। মই তোমাক ভাল পাঁও তৃষ্ণা। তোমাক লৈ যাম দূৰ-দিগন্তলৈ সকলো বান্ধ গুচাই ইমান দিনে আমি দুয়ো কল্পনা কৰা ঘৰখনি সাজিম।"

তৃষ্ণা- "নাই অমিত দা, মোৰ কল্পনাৰ ঘৰবোৰ বৰ ঠুনুকা আছিল ভাগি গ'ল। মই মোৰ জীৱনক সার্থক কৰিবলৈ মনৰ আশা পূৰাবলৈ কোনোবাই তুলি-তালি অতি কষ্টৰে ডাঙৰ কৰা, সাঁজোনে কাঁচোনে বোৱাৰী আদৰিবলৈ ৰৈ থকা পিতৃ-মাতৃৰ পৰা তোমাক কাঢ়ি আনিব নোৱাৰো অমিত দা।

তুমি বিয়া কৰোৱা


মোৰ শপত, তুমি বিয়া কৰোৱা কোনোবা অনামিকাক। সদায় মোৰ কপালে আশা কৰা সেন্দুৰৰ মুঠি তুমি অনামিকাৰ কপালত ঢালি দিবা। তুমি এইবোৰ কি কৈছা তৃষ্ণা। সঁচাই অমিত দা, মই তোমাৰ ওচৰত ভিক্ষা মাগিছোঁ তুমি মোৰ পৰা আঁতৰি যোৱা।

তুমি বিয়া পতা তোমাৰ বিয়াৰ দিনা মোৰ কবিতাই তোমাক ছাতি ধৰিব। তুমি যোৱা, বিয়ালৈ শুভেচ্ছা থাকিল। আজি অমিতৰ বিয়া। তৃষ্ণাক আমনি কৰিছে অতীতৰ স্মৃতিবোৰে। তাই এতিয়া যন্ত্ৰনাত ছাটি-ফুটি কৰি থকা এটি "ডেউকা ভগা পখী"।

# কেইটামান জানিবলগীয়া কথা

**প্ৰথম ভাৰতীয় মহিলা ঃ**

মহাকাশচাৰী- কল্পনা চাওলা (১৯৯৭)
জ্ঞানপীঠবঁটা বিজয়ী-আশাপূৰ্ণা দেৱী (প্ৰথম প্ৰতিশ্ৰুতি ১৯৭৬)
আই. পি. এছ্- কিৰণ বেদী
বিশ্ব সুন্দৰী– ৰীতা ফাৰিয়া (১৯৬৬)
মিছ্ ইউনিভাৰ্ছ- সুস্মিতা সেন (১৯৯৪)
এভাৰেষ্ট শৃংগ বিজয়িনী– বাছেন্তী পাণ (১৯৮৪)
ৰাষ্ট্ৰদূত – বিজয় লক্ষ্মী পণ্ডিত (ছোভিয়েট ৰাছিয়া)



**প্ৰথম ভাৰতীয় পুৰুষঃ**

অস্কাৰ বঁটা বিজয়ীঃ ভানু আটাইয়া (১৯৪২)
স্নাতকঃ বংকিমচন্দ্ৰ চট্টোপধ্যায় আৰু যদুনাথ বসু।
অক্সফৰ্ডঃ বিশ্ববিদ্যালয়ৰ অধ্যাপকঃ ডঃ সৰ্ব্বপল্লী ৰাধাকৃষ্ণণ
এডভোকেট জেনেৰেলঃ বি. ভি. আয়েংগাৰ
এভাৰেষ্ট শৃংগ বিজয়ী ঃ টেনজিং নৰকে
মেগছেছেবঁটা বিজয়ীঃ আচাৰ্য বিনোবা ভাৱে (১৯৫৪)
'নাইট' উপাধি লাভ কৰোতা ঃ চন্দ্ৰ মাধৱ ঘোষ

ভাৰতৰ প্ৰথম উপগ্ৰহটোৰ নাম- আৰ্যভট্ট (১৯৭৫ চন)
ভাৰতৰ সৰ্বাধিক ব্যস্ত ৰেল ষ্টেচন– শিয়ালদাহ ষ্টেচন
ভাৰতৰ ১৮৪৮ত মুম্বাইত প্ৰথমে ক্ৰিকেট খেলৰ আৰম্ভণি হয়।
পেলেষ্টাইনৰ জৰ্দান নদীত মাছ নাই।
ভাৰতৰ শকুন্তলা দেৱীক মনুষ্য কম্পিউটাৰ বুলি কোৱা হয়।
তাজমহলৰ প্ৰথম কাৰিকৰজনৰ নাম ওস্তাদ ঈশা।
এণ্ডোৰ দেশত কৰ নাই, সৈন্য নাই, পুলিচ নাই।
মোজাম্বিক দেশৰ ৰাষ্ট্ৰীয় পতকাত AK-47 ৰাইফলৰ প্ৰতীক আছে
'ইন্দ্ৰসভা' নামৰ অসমীয়া বোলছবিত আটাইতকৈ বেছি গীত আছে (৭১ টা)

সংগ্ৰাহক- শ্ৰীনিৰঞ্জন ডেকা, সমাজসেৱা সম্পাদক

**কৌতুক**

শিক্ষকঃ বুবুল ক'চোন বাৰু গৰু আৰু মানুহৰ মাজত পাৰ্থক্য কি?
বুবুল ঃ ছাৰ, মানুহক গৰু বুলি ক'ব পাৰি, কিন্তু গৰুক মানুহ বুলি ক'ব নোৱাৰি।

সংগ্ৰাহক ঃ শ্ৰীবন্দিতা কাকতি স্নাতক তৃতীয় বৰ্ষ

# সপোনৰ অপমৃত্যু

শ্ৰীজুৰি ন
স্নাতক তৃতীয়

ঃ নাই নাই জিতে মোক এৰি যাবই নোৱাৰে। কেতিয়াও নোৱাৰে। কেতিয়াও.....................।

বাউলী হৈ পৰিল নয়না। তাইক আগুৰি বহি থকা মানুহবোৰ মুক হৈ পৰিল। সান্তনাৰ ভাষা হেৰাই গ'ল সকলোৰে। তিনিমহীয়া কেঁচুৱাটো সাবটি বহি আছে নয়নাৰ শাহুৱেক। তেওঁ কান্দিব পৰা নাই। কন্দাৰ শক্তিকণ এক অদৃশ্য শক্তিয়ে কাঢ়ি লৈ গৈছে। মাতৃৰ চকুৰ আগত পুত্ৰৰ হিম চেঁচা শৰীৰ।

অভিজিতে অসমখনক সোণৰ অসম কৰাৰ সপোনেৰে মাক-দেউতাক আৰু ভনীজনীৰ সৈতে সিহঁতৰ সুখী পৰিয়ালটোক নানা হাৰাশাস্তিৰ মাজলৈ ঠেলি দি ভৰ্ত্তি হৈছিল উগ্ৰপন্থীত। দলীয় খেলি-মেলিৰ কাৰণে জেদী অভিজিত চৰকাৰৰ ওচৰত আত্মসমৰ্পন কৰি ঘুৰি আহিছিল ঘৰলৈ। যি আদৰ্শৰে উদ্বুদ্ধ হৈ অভিজিত উগ্ৰপন্থীত ভৰ্ত্তি হৈছিল সেই আদৰ্শৰ অতি কম সময়ৰ ভিতৰতে কক্ষচ্যুত হৈছিল। ঘৰলৈ ঘুৰি অহাৰ পিছত অভিজিতে চালফা নাম পাইছিল। অভিজিত ঘুৰি আহিছিল মাক-দেউতাককলৈ এটা স্থায়ী সপোনৰ উপহাৰ হৈ। নিজে এটা জীয়া সপোন বুকুত বান্ধি আৰম্ভ কৰিছিল এটা নতুন জীৱন। গাঁৱৰে ছোৱালী নয়নাৰ প্ৰেমত পৰি নয়নাহঁতৰ ঘৰৰ অমতত লৈ আহিছিল। অভিজিতৰ মাকহঁতে বাধা দিয়া নাছিল। ভাবিছিল একমাত্ৰ পুত্ৰ ঘৰলৈ উভতি আহি এখন ঘৰ পাতি যাপন কৰক এটা সুস্থিৰ জীৱন। নয়নাক নিজৰ জীৱ দৰে আপোন কৰি লৈছিল।

অভিজিতৰ বহল বুকুখনত সপোনৰ আলফুল ছবি আঁকি নয়নাই হেঁপাহেৰে বুটলি লৈছিল এটা এটাকৈ সমস্ত নাৰীময় পূৰ্ণতা। এগৰাকী নাৰীৰ বাবে পুৰুষৰ অসীম ভালপোৱা, মৰমৰ অতিশয্যা আৰু গভীৰ প্ৰত্যয়ভৰা আ কিমান যে সুখকৰ। জিত আৰু নয়নাৰ আশা আৰু সপো পূৰ্ণ ৰূপ পাইছিল 'মন'ৰ মাজেদি। জিতেই নাম থৈছি 'মন'। অভিজিতৰ সম্পূৰ্ণ ৰূপ পাইছিল মনে। এযুৰি গভী দীপ্ত চকু য'ত অনবৰতে সপোনে খেলা খেলি থাকে শান্ত সমাহিত নদীৰ পানীত ৰাতিপুৱাৰ টলবল সূৰ্য্যৰ দৰে সুখৰ এই সৌন্দৰ্য্যই ভৰাই পেলাইছিল নয়নাক, জিত আৰু জিতৰ মাক-দেউতাকক। ধুমুহাৰ পিছৰ শান্ত অপৰ প্ৰকৃতিৰ দৰেই থান-বান হোৱা ঘৰখনে লাভ কৰিছিল পা সুখৰ এই অতিশয্যা।

সকলোৰে পৰা হাঁহি কাঢ়ি আজি অভিজিত গ'লগৈ। য'ৰ পৰা উভতি আহিব নোৱাৰে। আলফাৰ স হোৱা মত-বিৰোধৰ পৰিণাম স্বৰূপে আৰু বৰ্তমানৰ স্বচ্ছ জীৱনটোৱে অভিজিতৰ জীৱনলৈ নমাই আনিলে মৃত্যু ঘৰলৈ অমানিশা।

থিৰেৰে থাকিব পৰা নাই নয়না। অসত্য জিতৰ মৃত্যু। এই যেন জিতে চকু মেলি চাব। নয়না কোলাৰ পৰা মনক লৈ নিচুকাব। হাঁহিব। বগা কাপোৰে ঢাকি থোৱা ফুলৰ মাজত ডুবি থকা সেইজন জিত নয়নাৰ জিত নহয়। নয়নাৰ হাতখন সাৱতি সদায়েই জি টোপনি যায়। কিন্তু সেই হাত দুখন আজি যে নিথৰ পৰিছে, চেঁচা হৈ পৰিছে। নহয় নহয় সেইজন নয়নাৰ জি নহয়। সংজ্ঞাহীন হৈ মাটিত ঢলি পৰিল নয়না।

# এখন হৃদয়ৰ সন্ধানত

শ্ৰীঅনন্দ ডেকা
স্নাতক ২য় বৰ্ষ

শ্ৰীমদন কলিতা এসময়ৰ এল. পি. স্কুলৰ প্ৰধান শিক্ষকৰ এজনে পুতেক। তাৰ বাহিৰে আগলৈও নাই পিছলৈও নাই। পুতেক এজন নাম জ্বলা ডাক্তৰ। নিজৰ ঘৰ মাটি কৰি এতিয়া চহৰতে থাকে। বৃদ্ধ মাক দেউতাক গাঁৱৰ ঘৰতে থাকে। আগতে মাক দেউতাকলৈ মাহে পইচা পাতি পঠিয়াই আছিল। লৈছিল খা-খবৰ। কিন্তু এবছৰ মানৰ পৰা পইচা পাতিটো বাদেই খবৰ খাতি লবলৈও বাদ দিলে। বৃদ্ধ মদন কলিতাই পেঞ্চনৰ পইচাৰে টানি টুনি চলি আছে। কিন্তু বৰ্তমান বস্তুৰ যি মূল্য বৃদ্ধি, সেই পেঞ্চনৰ টকাকেইটাৰে কেনেকৈনো চলে তেওঁলোকে? তথাপি চলিছিল কোনোমতে। কিন্তু ঘৈনীয়েক মালতী বেমাৰত পৰাত ঔষধ পাতি কিনোতে হাতৰ আটাইখিনি পইচা শেষ হয়। সেয়েহে মদন কলিতাই চহৰত থকা পুতেকৰ ঘৰলৈকে যাবলৈ মন মেলিলে। ঘৈনীয়েকে ক'লে, "বোলে যাবলৈ নালাগে দিয়ক, শুনিছেনে। পো-বোৱাৰী দুয়ো বৰ ব্যস্ত। আপোনাক লৈ সিহঁত হালৰ আহুকাল খনহে হব।"
ঃ "কিয় হব হে আহুকাল? মই কিবা কেঁচুৱা নেকি? মই ৰাতি পুৱাই পেপাৰ খনলৈ বহি যাম। কাকো দিগদাৰ নিদিও নহয়। বাৰু দিলোৱে যেনিবা, সিও

টিং টিং.................। কলিং বেলটো সজোৰে [...]জ উঠিল। কিছু সময়ৰ পিছত দুৱাৰ খুলি এজনী [...]দৰী মহিলা ওলাই আহিল।
[...]অ' দেউতা দেখোন? ইমান অসময়ত যে? মানে [...]খেত ঘৰত নাই আৰু ময়ো ক্লাৱলৈ যাব ওলাইছোঁ। [...]পুনি তেখেতক ডাঃ দীনেশ হাজৰিকাৰ ঘৰত গৈ [...] কৰক। একে উশাহতে মহিলা গৰাকীয়ে কথাখিনি [...] শেষ কৰিলে।
[...]হ'ব দিয়া বোৱাৰী, মই তালৈকে যাওঁ। এতিয়া [...]ান পৰে বাহিৰত থিয় দি থকা বৃদ্ধজনে কলে। [...]তিয়া বিষন্ন মন লৈ বৃদ্ধজনে নিজৰ পুতেকৰ ঘৰৰ [...]ৰা ডাঃ হাজিৰকাৰ ঘৰ মুখে খোজ ল'লে।
[...]উণ্ডিটো শুকাই গৈছে। একাপ চাহ খাব পৰাহেঁতেন।" [...]ন্তু এতিয়া চাহ খালে হাতত থকা পইচাকেইটা যদি [...]ওলৈ যাব নোযোৱা হয়, বৃদ্ধই মনে মনে ভাবি চাহ [...]াৱাৰ আশা সিমানতে বাদ দিলে।
[...]অ ৰিক্সাৱালা ভাই ডাঃ দীনেশ হাজৰিকাৰ ঘৰ চিনি [...]াৱানে?
[...]ও চিনি পাওঁ।
[...]বলা তেনেহলে।

মোৰহে পো। মই তাৰ বাবে কি কৰিলো।"

ঃ হ'ব দিয়ক মহাভাৰতখন মেলিব নালাগে এতিয়া, যাই যদি সোনকালে যাওঁক। ঘৈনীয়েকে ক'লে।

এইবোৰ ভাবি ভাবি কেতিয়া ড° দীনেশ হাজৰিকাৰ ঘৰ পালে তেওঁ ধৰিবই নোৱাৰিলে।

ঃ "বাবু এইটোৱেই ঘৰ, নামক।" ৰিক্সাচালকজনৰ মাততহে তেওঁ জ্ঞান ঘূৰাই পালে। বা ইমান ডাঙৰ ঘৰ। যেন ৰাজ অট্টালিকাহে, মদনে ভাবিলে। গেটখনেৰে সোমাব খোজোতেই এজন পুলিচৰ পোছাক পিন্ধি থকা লোকে আগ ভেটি ধৰিলে।

ঃ এ...ই এই ক'ত সোমাবা? বাপেৰৰ ঘৰ পাইছা নেকি? বগা কামিজ আৰু ধূতি পৰিহিত মদন কলিতাৰ পিনে চাই সি ক'লে।

ঃ "বোপা মই বয়সত তোমাতকৈ বহুত ডাঙৰ। ইমান ডাঙৰ কৰ্তব্যত থাকি তুমি সামান্য সৌজন্যখিনি শিকি লব পৰা নাই নেকি?

ঃ এই বুঢ়া চুপ থাক পাঠ পঢ়াব আহিছা ইয়াত? ইঃ মোক পাঠ পঢ়াব আহিছে। ওলা ওলা ইয়াৰ পৰা। প্ৰায় চিঞৰি উঠিল পুলিচজনে। কথা বিষম দেখি মদনে ক'লে- "মই ডাঃ অসীম কলিতাক লগ ধৰিবলৈ আহিছোঁ, মই তাৰ বাপেক।" অসীম কলিতা বুলি কৈ মদন কলিতাৰ কিবা আচহুৱা আচহুৱা লাগিল। ঘৰত যে 'ধন' বুলিহে মাতিছিল। মদন কলিতাৰ কথা শুনি পুলিচজনে ৰঙা পৰিল। সি ক'লে-"যাওঁক তেখেত ভিতৰতে আছে। গেট খুলি মদন কলিতা ভি সোমাই গ'ল।

ভিতৰখন দেখি কলিতাই নিজৰ চকুকে কৰিব নোৱাৰিলে। সেইখন যেন এখন সপোনপুৰী। তাৰ মানুহবোৰেই চাবা নে লাইট চাবা। চুট পৰিহিত সকলোবোৰ একোজন ভদ্ৰ চিৰিয়াখানাৰ সকলোৱে তেওঁক জন্তু চোৱাদি ধৰিলে। তেওঁৰ নিজৰ সন্দেহ হ'ল। "আৰে মই কাপোৰ পিন্ধি অহা নাই নেকি? কিন্তু ঠিকেইটো ধূতি চোলা পিন্ধিছোতো। হ'ব পাৰে টাপলি মদনে নিজকে নিজে ক'লে। তেনেতে চুক এটাত পুতেকক কথা পাতি থকা দেখি হাতত সৰগ পালে। এক প্ৰকাৰ দৌৰি যোৱাদিয়ে পুতেকৰ পালে। "ধন" মানে পুতেকক সাৰটি মদনে কৈ

আ..... আৰে তুমি কি কৰিছা। ইয়াৰ আহিছা? এতিয়া তুমি যোৱা ইয়াৰ পৰা। ইমান অ যে অহা। মই তোমাক বাহিৰত লগ কৰিম। পু দেউতাক মদনক লাহেকৈ ক'লে। মদন হতভ পৰিল। এনে আচম্বিতে অপমান তাকো পুতেকৰ তেওঁ সপোনতো এনেকুৱা হ'ব বুলি আশা কৰা ন অকস্মাতে এটা অসম্ভৱ বিষে তেওঁৰ বুকুখন হেঁ ধৰিলে। তেওঁ দুখে অপমানে জৰ্জৰিত হৈ আহিবলৈ ল'লে। সেইখিনি সময়তে তেওঁৰ বাৰে ঘৈনীয়েক মালতীৰ কথা মনত পৰিব ধৰিলে।

তেওঁৰ পুতেকৰ কথা এষাৰি কানত পৰিল। "এ আমাৰ কাষতে থাকে। এল. পি. স্কুলৰ শিক্ষক আছিল।" মদনৰ দুচকুৰে অবিৰলধাৰে চকুপানী ব'ব ধৰিলে। তেওঁ নিজৰ ওপৰতেই ধিক্কাৰ জন্মিল। এইবোৰ শুনিবৰ বাবেইটো তেওঁক ভগৱানে জীয়াই ৰাখিলেনে? নিজৰ পুতেকেই আজি দেউতাক বুলি চিনাকি দিবলৈ কুণ্ঠাবোধ কৰা হ'ল। নিজৰ পো হ'ল কি হ'ল? সিওঁ আনবোৰৰ দৰে এজন মুখা পিন্ধা ভদ্রলোকহে। এইমাত্র লগ পোৱা পুলিচজন আৰু তেওঁৰ পুতেকৰ মাজত কোনো পাৰ্থক্যই উলিয়াব নোৱাৰিলে প্ৰাক্তন শিক্ষক মদন কলিতাই। আচলতে সিহঁতৰ হৃদয়েই নাই। সঁচাকৈ আজিৰ যুগত কাৰো পৰা আশা কৰিব নোৱাৰি।

ঃ আৰে ছাৰ, আপুনি ইয়াত? মই নিজৰ চকুকে বিশ্বাস কৰিব পৰা নাই। মোৰ যে কি সৌভাগ্য আপোনাৰ দৰে মহান ব্যক্তিজনে মোৰ ঘৰত ভৰি দিছে।

চকুপানীবোৰ ততাতৈয়াকৈ মচি মদনে ভদ্রলোকজনৰ পিনে চালে। বোপা তুমি......? মদন কলিতাই তেতিয়া হাঁহিবই নে কান্দিবই একো ঠিৰাং কৰিব নোৱাৰিলে। তেওঁ চাৰিওফালে চকু ফুৰালে। আৰে এইবাৰো দেখোন সকলোৱে তেওঁকেই চাই আছে। জন্তুৰ দৰে নহয় সন্মানেৰে। আৰু চকুৰে চালে তেওঁ তল মূৰ কৰি থকা পুতেকক।

এক অনাবিল সুখত তেওঁৰ দুচকুৰে অশ্রু বৈ আহিল। হয়, আজিৰ যুগতো এনে মানুহ আছে যাৰ হৃদয় আছে মদন কলিতাই ভাবিলে।

❀❀❀

# মহৎ লোকৰ বাণী

☛ ছাত্র অৱস্থাত জাতীয়তাৰ দ্বাৰা অনুপ্ৰাণিত হ'ব নোৱাৰিলে ছাত্র জীৱন ব্যৰ্থ।
——— তৰুণৰাম ফুকন।

☛ কেতিয়াবা যদি পৃথিৱীত শান্তি হয়, সি হ'ব বহল একতাৰ পৰা। ——— নবীন চন্দ্ৰ বৰদলৈ।

☛ বিচৰা বস্তুটো নোপোৱাটো ব্যৰ্থতা নহয়, বিচৰা বস্তুটো পাবলৈ কৰা সংগ্ৰাম এৰি দিয়াটোহে প্ৰকৃত ব্যৰ্থতা——— জৰ্জ ইলিয়ট

সংগ্ৰাহক ঃ- শ্ৰীবন্দিতা কাকতি
স্নাতক তৃতীয় বৰ্ষ

❀❀❀

# কবিতাঃ জয়তু পাতিদৰং মহাবিদ্যালয়

শ্ৰীবানেশ্বৰ বড়ো
স্নাতক ৩য় বৰ্ষ



জন্ম হৈছিল ১৯৮৯ চনৰ
৩১ আগষ্টত
পাতিদৰং মৌজাৰ আশাৰ পদুঁম
পাতিদৰং মহাবিদ্যালয়খন।
আমি হওঁ, এইখন মহাবিদ্যালয়ৰ
ছাত্ৰ-ছাত্ৰী
উদ্দেশ্য আমাৰ মহাবিদ্যালয়খনৰ
সুনাম অনাৰ, দেশৰ ভৱিষ্যত গঢ়াৰ।
কৰ্তব্য আমাৰ জাতি-ধৰ্ম-বৰ্ণ নিৰ্বিশেষে
সাহিত্য, কলা-সংস্কৃতিৰ বিকাশ ঘটাই
সমাজ, শিক্ষানুষ্ঠান আৰু দেশৰ
সৰ্বাঙ্গীন উন্নতি কৰাৰ।
জয়তু পাতিদৰং মহাবিদ্যালয়।

❋ ❋ ❋

# কবিতাঃ পাতিদৰং

মঃ ৰেকিবুদ্দিন আহমেদ
স্নাতক ৩য় বৰ্ষ

কৃষ্ণচূড়াৰ ৰঙেৰে ৰঙীণ
পাতিদৰং মোৰ সপোনৰ পাতিদৰং।
কিহৰ উছৱৰ ৰাগীত উতলা
তোমাৰ বুকুৰ ফুল বাৰী।
তোমাক লগ পোৱাৰে পৰা
মোৰ সাহসৰ নাওখনৰ গতি।
দ্ৰুতৰ পৰা দ্ৰুততৰ হ'ল
মই এতিয়া নাওখনৰ টিঙত।
দুচকুত মোৰ সদায় পৃথিবী
গঢ়া সপোন।

❋ ❋ ❋

# হে আই

শ্ৰীহেমেন কা
স্নাতক ১ম

হে আই
তোমাৰ বাগিচাতে
ফুলা ফুল
প্ৰয়োজন হ'বনে কেতিয়াবা
পূজাৰ বাবে।
বহু আশাৰে সৃষ্টি কৰিলা
এখনি ফুলৰ বাগিচা।
বহু বাধা বিঘিনী
নেওঁচিও তুমি
পৰিচালনা কৰি আছা
হে আই
পাৰনে কেতিয়াবা
তোমাৰ সৃষ্টিয়ে পূৰ্ণতা
দিবনে কেতিয়াবা বৰষুণ
তোমাৰ বাগিচাত।
অকালতে মৰহি যাব
ধৰা ফুলবোৰ
আকৌ সজীৱ হ'বলৈ।

❋ ❋ ❋



# তুমি সৰ্বশক্তিমান

শ্ৰীনয়নমণি পাটোৱাৰী
স্নাতক ২য় বৰ্ষ

তুমি যে সৰ্বশক্তিমান প্ৰভু
অন্ধকাৰৰ মাজতো জ্যোতি বিলোৱা
এই জগতৰ শ্ৰেষ্ঠতম তুমি
প্ৰথমে তোমাক প্ৰণামিছো অতি শ্ৰদ্ধাৰে
অধৰ্মৰ গ্লানি গুচাই
ধৰ্মক জয় কৰা এই ধাৰাৰ মাজতে।
এই মহান বীৰত্বৰ প্ৰশংসাৰ পাত্ৰ
অকল তুমিয়েই প্ৰভু।
তোমাৰ যে ৰচিত সংবিধানখন
কিমান যে ধাৰা উপধাৰা আছে সন্নিবিষ্ট।
কিমান দিন ৰাখিবা সংসাৰখনি,
সংশোধনৰ নাই যে প্ৰয়োজন
তোমাৰ যে কৰুণ অপাৰ মহিমা
যেতিয়া যি বিচাৰিছা তাকেই কৰিছা
পৃথিবীত এনে কোনো শক্তি নাই
যিয়ে পাৰে তোমাৰ বিৰুদ্ধে থিয় দিবলৈ।

❊ ❊ ❊




# ভগ্ন হৃদয়

(২০০৮ ৰ ৩০ অক্টোবৰত হোৱা
বিস্ফোৰণত নিহতসকলৰ স্মৃতিত)

শ্ৰীদীপক কুমাৰ
স্নাতক ১য় বৰ্ষ

তৰংগিত ঢৌৰে চুই গ'ল
বৃহৎ চাৰি চহৰ
৩০ অক্টোবৰ ২০০৮ সেই দিন
কুঁৱলী সৰা নিশা এটাত
অৱশেষত বুকুতে শিল এটা থলো
শোণিতেৰে ভৰি পৰিল
ক'ত জনতাৰ অশেষ আশা
বৈ গ'ল বুকুত বান্ধি ৰখা
সপোনৰ অলেখ লেখ কথা।
সিহঁত যেন মাংসভোজী
নাই অকণো দয়া মমতা
পানীৰ পিয়াহত খাৰ খোজে
শোণিতেৰে ভৰা মৃতদেহ
দিনৰ পিছত দিন ধৰি
মৃত্যুক লৈছে আঁকোৱালি
অলেখ সাঁধু জনতাই।
বৈ গ'ল কাৰোবাৰ কণমানি শিশু
কাৰোবাৰ প্ৰেমেৰে ভৰা সংসাৰ
অন্ধকাৰত পৰি ৰ'ল
ক'ত মাতৃৰ হৃদয়!

❊ ❊ ❊



# বাস্তৱ প্ৰেম

শ্ৰীপিংকী ৰাজবংশী
স্নাতক ৩য় বৰ্ষ

আজিৰ ডেকা গাভৰুৰ
হিয়া দিয়া নিয়াৰ কথা
ভাবিলে বৰ হাঁহি উঠা।
নাই তাহানিৰ জংকি পানৈ
লেইলা মজনুৰ দৰে
সঁচা মৰম ভাল পোৱা।
নাই প্ৰেমিকাই প্ৰেমিকৰ বাবে
সাঁচি ৰখা
ফুলাম গামোচাখনি।
নদীৰ পাৰত বহি
প্ৰেমিক প্ৰেমিকাই
সপোন সাগৰত ডুবি থকা
সেই দিন নাই।
পঢ়া টেবুলত বহি
লুকাই চিঠি লিখাৰ
দিন নাই।
এতিয়া সময় সলনি হ'ল
আজিৰ ডেকা গাভৰুই
প্ৰেম কৰে
পাৰ্ক আৰু ডেন্স বাৰলৈ গৈ।
চিঠিৰ পৰিৱৰ্তে মোবাইলত
My sweet heart darling বু
আজিৰ ডেকা-গাভৰুই
প্ৰেম কৰে কামনা বাসনাৰ বাবে
নাই যে সিহঁতৰ প্ৰেমত
কোনো স্থবিৰতা।
প্ৰতি দিনে এজন এজনীকৈ
প্ৰেমিক প্ৰেমিকা সলাই
সিহঁতে ৰোমাঞ্চ কৰিবলৈ।
নাই যে সিহঁতৰ হৃদয়ৰ
কোনো সঁচা
মৰম ভাল পোৱা।
এয়ে আজিৰ নৱ-প্ৰজন্মৰ
যুৱক-যুৱতীৰ
হিয়া দিয়া নিয়াৰ কথা।

❊ ❊ ❊



# মোৰ কবিতা

শ্ৰীৰাজকুমাৰ নাথ
স্নাতক তৃতীয় বৰ্ষ

মোৰ কবিতাবোৰ মোৰ জীৱনৰ
এটি এটিকৈ বহুতো মধুৰ ক্ষণ
ই যে মোৰ জীৱনৰ গীত
যিবোৰ কবিতাৰ সুৰেৰে
মোৰ কলমটিয়ে .................
অহৰ নিশে গাই আহিছে
সুখ দুখেৰে ভৰা মোৰ
জীৱনৰ গীত।
কবিতা বোৰত আছে মোৰ
অতীতৰ হৃদয়ৰ বতৰা,
নিজান পৰত আওৰাওঁ।
সেইবোৰে
পাহৰাই ৰাখে মোৰ
এসময়ৰ বেদনা
কবিতাতে আছে মোৰ নিথৰ দেহাটিৰ প্ৰাণ
এই প্ৰাণতে আছে স্মৃতিৰে গঠা বহুটো কাহিনী
সুখ, দুখৰ লগৰী
মোৰ কবিতাবোৰক শুনাও
মোৰ অতীত কাহিনী।
সুখৰ লগৰী গোটেই পৃথিৱী
নাই কোনো দুখৰ লগৰী।
কবিতাৰ লগতে পাতিছো সখী
সুখ-আনন্দৰ মুহূৰ্ত্তবোৰ
তেতিয়া হৈ উঠে সুখকৰ আনন্দময়ী।
কবিতাই মোৰ জীয়াই থকাৰ উৎস
কবিতাতে বিচাৰি পাওঁ..........
মোৰ চিৰসেউজীয়া ইতিহাস।
মিলি যাম এদিন সময়ৰ আহ্বানত
নীলিম আকাশৰ বুকুত বৈ যাব
মোৰ হৃদয়ৰ স্পন্দনবোৰ..........
কবিতাৰ মাজত।।

✿✿✿

# মই চৰণ পূজাৰী

শ্ৰীসৰযূ মণি দাস
স্নাতক ১ম বৰ্ষ

প্ৰথমে মেলি
মোৰ চকু যুৰি
কাতৰ চিএৰ ধৰিছিলো
তোমাৰ বুকুত পৰি।
অলপ আশা আৰু
এটি পূৰ্ণ শৰীৰ লৈ
আহিছিলো তোমাৰেই
চৰণ পূজাৰী হৈ।
তোমাৰ পূজাৰ মৰ্মে
বিচাৰি ফুল মৰতত
ভকতিৰে পূজিম আই
তোমাৰ চৰণত।
'ঘি' তেল ঢালি
জ্বলাম শান্তিৰ চাঁকি
মনতেই লম আই তোমাৰ
ছবিখনি আঁকি।
ধূপ-ধূনা জ্বলাই
বিলাম সুগন্ধি,
কাঁইট থাকিলেও ভাঙি
উলিয়াম সন্ধি।
এই মোৰ জীৱনটো
তোমাৰেই দান
আই তোমাৰ চৰণতেই
ত্যাগিম মোৰ প্ৰাণ।
যেতিয়াই বন্ধ হ'ব
মোৰ জীৱন ঘড়ী
যাবগৈ লাগিব
পূজা আধৰুৱা কৰি।
পঠালে আহিব আকৌ
দুপাহি ফুল লৈ
তোমাৰ চৰণত
চৰণ পূজাৰী হৈ।

❋❋❋

# বিচ্ছেদৰ আদি পাঠ

শ্ৰীপম্পী পাটোৱাৰী
স্নাতক ৩য় বৰ্ষ

আকাংক্ষিত কলিজা ফালি
ওলাই আহিব খোজে ক্ষোভিত তেজবোৰ
জীৱন যুঁজত অক্লান্ত হৈ
পৰি থকা এটি নিথৰ দেহৰ পৰা
দুৰ্ভিক্ষ অন্তৰৰ দোষত
কটাব লাগিছিল নেকি?
বেশ্যাময়ী জীৱনৰ শোকাকুল ৰাতি?
সেয়ে নিষ্ঠুৰ শূণ্যতাত জিভা পাক খাই
ওলাই আহিছিল মোৰ অশ্লীল শব্দবোৰ
কিয় বাৰু......?



তই ইয়াৰ কাৰণো সহজভাৱে ক'ব পাৰিছিলি
কাৰণ তোৰ মুখৰ
চিটিকি পৰা বিষাক্ত শব্দ কণিকাই
নিঃশেষ কৰি দিছিল মোৰ,
হৃদয়ত সাঁচি ৰখা
একো একোটা স্মৃতিৰ টুকুৰা



কিমান যুঁজ দিম আৰু
অঘৰী পোহৰৰ লগত,
সেয়েহে আৱিস্কাৰ কৰিছিলো
এখন অন্যমনস্ক আকাশ
মাত্ৰ এটা উপাধিৰ আশাত
বিক্ৰী কৰিছো নিজ সত্বাক
সেয়ে জাগ্ৰত হৈছোঁ
অন্য এক ৰূপত।
এতিয়া তই চাগে সুখী
মোৰ এই "পাগল" উপাধিত।

❊ ❊ ❊

# তাইৰ দোকমোকালি

শ্ৰীআনন্দ দে
দ্বিতীয় বৰ্ষ (ক

আজি পুৱাই আহিল তাই।
অপৰাহ্নলৈ লহিওঁৱা সপোন এটি লৈ .........
চকুৰে-মুখে বাসন্তী ৰ'দৰ তিৰবিৰণি।
মোৰ ক্লান্তমনত এটি সেউজীয়া সুৰ।
তাই কোনো দিনেই কোৱা নাই
মোক গান গাবলৈ।
নতুবা কোৱা নাই
তীব্ৰতৰ হৈ অহা ৰেলৰ উকীৰ পিনে চাবলৈ
মই নৈশব্দৰ কোলাহল বিচাৰি তাইৰেই স'তে
যোৱাবেলি বানত শব্দবোৰ উটি গ'ল।
হেৰাই গ'ল মোৰ সপোনৰ কবিতাটি।
তাই দেখিওঁ একো নামাতিলে।
তাইৰ মাতত আজি শব্দবোৰ ঘুৰি অহা হ'লে।
মোৰ শৈশৱৰ বোকাবোৰ
তাৰ ওপৰৰ বগা চোলাটো
নাইবা জাকৈত থকা মৰমবোৰ
সকলোতেই লাগি তাইৰ অনুভৱ।
জিৰাব বিচাৰ তাইৰ ওঁঠত বোৱা এটি গান।
মোৰ জোকে খোৱা ভৰিৰ পতাত
তাইৰ কান্দোনৰ বসন্ত।
ভাবিছোঁ আজি নামাতো তাইক
ভয়বোৰ কিজানি আঁতৰি যায়
বতাহত ফুলি অহা মেঘবোৰ
কিজানিবা নীলাবোৰত লুকায়।
তাইৰ এটা সুৰৰ সূৰ্য উঠা হ'লে!


❁❁❁

# ৰেগিং

শ্ৰীনীতামণি ডেকা
স্নাতক প্ৰথম বৰ্ষ

(ঁ চিন্তমণি বৰদলৈৰ সোঁৱৰণত স্নাতক
প্ৰথম বাৰ্ষিক ডিমৰিয়া কলেজ)

'ৰেগিং' নামৰ পৰম্পৰাৰ বলী হোৱা অচিন বন্ধু-
ন্তমণি,
আহিছিলা তুমি, চিৰাকাঙ্খিত মনৰ
হতাশা পূৰাবলৈ।
পোহৰ বিচাৰি, আতৰাবলৈ অন্ধকাৰ
নৰকঙ্কালেৰে সৃষ্ট পিশাচৰ দেহ
কি জানো ................! তৃষ্ণা সিহঁতৰ........
চাই কেঁচাই মঙহ খোৱা আৰু তেজ পিয়াৰ .!!!
এতিয়া তুমি!
আছানে শুই সৰগত
বিদ্যাৰত বিদ্যাৰ্থী এন্ধাৰ ঠেলি
পোহৰ বিলাবলৈ..............
ৰেগিংৰ নামত চৰম দুৰ্ব্যৱহাৰ
অসহ্য যান্ত্ৰণা, শৰীৰত সোঁৰে বাৰে--
পিশাচৰ কলা নখৰ আচোঁৰ, কলিজাত ক'লা দাগ
পিশাচৰ প্ৰহাৰ---
উপায়ন্তৰ হৈ তুমি
ৰেলৰ সমান্তৰাল গতিপথেই বিচাৰি ল'লা
অজানলৈ বুলি ............
তোমাৰ আত্মাই মুক্ত পখীৰ দৰে গতি কৰক
মুক্ত আকাশলৈ
কামনা কৰো বাৰ বাৰ!!





# মনোৱাৰৰ মইনাজনী

শ্ৰীনৱজিৎ দাস
স্নাতক দ্বিতীয় বৰ্ষ

মৰমৰ মনোৱাৰ কৈছিলি বহুবাৰ
কবিতা লিখাৰ কথা
তোৰ ঐ মৰমীৰ সোনপাহী পখিলীৰ
হেৰোৱা যৌৱনৰ বেথা।
তাকেই ভাবিছোঁ কিদৰে লিখো মই
তোৰ ঐ দৰদীৰ কথা
হৰিণী নয়না চালে চকুৰোৱা
হৃদয়ত ঝংকাৰ উঠা।
লাহী ককালখনি কিনো ঐ শুৱনী
হৰৰ দম্বৰুৰ দৰে,
মিচিকিয়া হাঁহিটি অতি মোহনীয়া
সোনত শুৱগা চৰে।
দুয়োৰে মৰমে দুয়োকে বান্ধিলি
মৰমৰ পাৰাপাৰ নাই,
একেখন নাৱৰে একে নাৱৰীয়া
এধানি ভিনপৰ নাই।
যুগ্ম মৰমবোৰ যতনে ৰাখোতে
দুপাহি পঁদুম কলি,
হালিজালি ফুলিলে মৰমৰ বিলতে
সুমধুৰ গীতৰ কলি।
জয় পৰা প্ৰেমৰ মধুৰ স্মৃতিয়ে
আহিব সুবাস লই,
হেৰাব নিদিবি ছিঙিব নিদিবি
পিৰিতিৰ প্ৰেমৰ লয়।

# বাস্তৱিক

**শ্ৰীধনেশ্বৰ বড়ো**
**স্নাতক ১ম বৰ্ষ**

সদায় যোৱা চিনাকি বাটটোৰেই
প্ৰচণ্ড শীত আৰু আন্ধাৰ ফালি
মোৰ বহুদিনৰ চিনাকি সি
বেগাই খোজকাঢ়ি গৈ আছিল,
বিশেষ একো দেখা নাছিলো তাৰ হাতত
মাথোন মনিব পাৰিছিলো
পিঠিত থকা এখন বেগ,
মই পাচৰ পৰা মা্ত নিদিলো
পাচৰ পৰা মাতিলে হেনো যাত্ৰাভংগ হয়।
মাতি দিয়াই ভাল আছিল।
পাছদিনা পুৱা খৰৰ পালো
আত্মঘাতী বোমা বিস্ফোৰণ
বহু আহত আৰু বহু নিহত
আৰু আত্মঘাতীৰ তালিকাত
মোৰ চিনাকি নাম!
মই তেতিয়াহে বুজিলো
আগদিনা সন্ধ্যা সি বেগাই যোৱাৰ অৰ্থ।
সঁচাকৈয়ে সি মাৰিবলৈ আৰু
নিজও মৰিবলৈ গৈছিল।
উসঃ মই আগদিনা সন্ধিয়া তাক
পাছৰ পৰা মাতি দিয়াই ভাল আছিল।





# বৰষুণ

**শ্ৰীধৰিত্ৰী ডে**
**স্নাতক ১ম**

আহিছে বৰষুণ, আহিছে বৰষুণ
ধুনীয়া ধৰণীত পৰিছে বৰষুণ,
লগতে আনিছে ধুমুহা এজাক
যিয়ে সলাই তুলিব প্ৰকৃতি জগত
গছে বনেওঁ কোমল কুঁহিপাত।

আহিছে বৰষুণ, আহিছে বৰষুণ
টোপ টোপকৈ পৃথিৱীত পৰিছে বৰষুণ
শৰতত ফুলা গোলাপ কলি,
মিচিকিয়াই হাঁহিছে বৰষুণ পৰি,
ৰ'দৰ তাপত মৰহা গছৰ পাতে
মেলানি উঠিছে নতুনৰ বাটে।

আহিছে বৰষুণ, আহিছে বৰষুণ
সেউজীয়া ঘাঁহনিত পৰিছে বৰষুণ
খাল বিল পুখুৰী ভৰি পৰিব পানী,
খেতিয়কৰ মুখতো উঠিব এধানি হাঁহি
কুলি চৰাইটিয়ে কু কু কৈ বিনাব
শৰৎ গুছি বাৰিষা আকৌ আহিব।

❋ ❋ ❋

# সিপুৰী যাত্ৰা

শ্ৰীজিতুমণি কলিতা
স্নাতক ১ম বৰ্ষ

কেতিয়াবা ইচ্ছা হয়
সিপুৰী যাত্ৰাৰ
ইপুৰী ভয়ঙ্কৰ
কাৰোবাৰ ৰক্তিম চকু
কাৰোবাৰ নিদাৰুণ বুকু,
মৰমৰ মাত
সকলোতে একোটি আঘাত।
কাৰোবাৰ বুকুৰ উম,
কাৰোবাৰ কপালৰ ঘাম
কোনোবাই দিয়া মৰমৰ নাম
ধন, সোন,
জীৱনৰ ৰঙীণ নাট
সকলোতে একোটি আঘাত।
জীৱনৰ ৰূপ ৰঙত
মুগ্ধ হ'লো মায়াৰ বনত
ছায়াৰ মায়াত মন মজি
সকলো ল'লো আঁদৰি
পাৰ কৰিলো মৰম মাত্ৰাৰ
সেয়ে আজি ইচ্ছা হয়
সিপুৰী যাত্ৰাৰ।

* * *



# দুৰ্যোধন

শ্ৰীধনদা দেৱী
স্নাতক ১ম বৰ্ষ

তুমিতো জ্যেষ্ঠ ভাতৃ
কৌৰৱ বংশৰ
মাতৃৰ প্ৰথম সন্তান হৈওঁ
পোৱা নাই কিয়
মৃত্যুঞ্জয়ৰ পৰম আশীষ।
ধৰ্মযুদ্ধৰ নামত কিয়
ভাতৃঘাতী সংঘৰ্ষ
পিতৃৰ অন্ধস্নেহ আৰু
মাতৃৰ আশীৰ্বাদ
"যথাধৰ্ম তথাজয়"
ৰাজ্য আৰু ধনৰ লোভত
পদে পদে স্খলন হৈওঁ
পৰাজয়ৰ গ্লানি লৈওঁ
বিচলিত নহৈ নিজ ক্ষেত্ৰ
মাত্ৰ পদচ্যুত পথিক
তুমি অধৰ্মৰ প্ৰতীক
সৰ্বস্বান্ত, চিৰক্লান্ত তথাপি
পৰাজয় আৰু আত্মগ্লানি লৈ
মৃত্যুঞ্জয়ৰ পৰিৱৰ্তে
মৃত্যুমুখী মুমূৰ্ষ পথিক।

* * *

# তুমি



শ্ৰীনিৰঞ্জন ডেকা
স্নাতক ২য় বৰ্ষ

তুমি মোৰ হৃদয়ৰ সৰলতা
তুমি মোৰ দুওঁঠৰ অনাবিল হাঁহি
তুমিয়ে মোৰ জীৱনৰ উৎস
তুমি মানেই ভালপোৱাৰ অন্য এক নাম
তুমি হোৱা বা নোহোৱা ভাবিয়েই
ভাল লাগে তোমাক....
নাজানো কিয় ইমান ভাল পাওঁ তোমাক
তোমাৰ নামেৰেই ভৰাই পেলালো
মোৰ শূণ্য হৃদয়ৰ আকাশ
তুমিয়েই মৰুময় হৃদয়ৰ শইচভৰা
সেউজীয়া পথাৰলৈ ৰূপান্তৰিত কৰিলা
তুমিয়েই উকা হৃদয়ত ৰোপণ কৰিলা
আশাৰ বৰগছ
আৰু সেই বৰগছ জোপাতেই ওলমি
আছে মোৰ সপোনবোৰ
তুমি আহিবাচোঁ কোনোবা এটি
নিজান ৰাতি সুখ দুখৰ কথা পাতিবলৈ।

❋ ❋ ❋

# আহিনৰ গীত

শ্ৰীজুমি দাস
স্নাতক ৩য় বৰ্ষ

মোৰ দুহাতত আঁজলী ভৰাওঁ
নিয়ৰে গচকা আহিনৰ শেৱালি
পাৰ ভঙা সপোনে উচুপি কান্দে
বুকুত সাৰতি স্মৃতিৰ কুঁৱলী।
শৰৎ নিশাৰ শুভ্ৰ জোনাকতো
হৃদয় পথাৰত মৰা আউসী
হৈ ৰওঁ এটি আধা লিখা গীত
বিষাদে উবুৰিয়াই শব্দৰ কলচী।

❋ ❋ ❋



# মই বিপ্লৱী

শ্ৰীমন্টু ৰাম বড়ো
স্নাতক ২য় বৰ্ষ

য় হয় মই উগ্ৰ বিপ্লৱী
াৰ উগ্ৰতাত আগ্নেয়গিৰি উতলিব
াৰ উগ্ৰতাত সাগৰ শুকাব
য় হয় মই উগ্ৰ বিপ্লৱী।

াৰ উগ্ৰতাৰ উষ্ণতাত শোষক ভস্ম হ'ব
ৰ্নীতি ছাই হ'ব
ত্যাচাৰী পলাব
ভিচাৰী লুকাব
য় হয় মই উগ্ৰ বিপ্লৱী।

াৰ উগ্ৰতাৰ উষ্ণতাত অন্যায়কাৰীৰ হৃদয় জ্বলিব
লাধন ধ্বংস হ'ব
ৰ্দিয়ৰ মনত দয়া জন্মিব
ৰ্বলৰ মনত সাহসৰ জুই জ্বলিব
য় হয় মই উগ্ৰ বিপ্লৱী।

াৰ উগ্ৰতাৰ উষ্ণতাৰে মই জগত পোহৰাম
ানৰ পোহৰৰ বন্তি জ্বলাম
ৰ্নীতি বিৰোধী অস্ত্ৰ গঢ়োৱাম
ধীয়াৰ দুচকুত হাঁহি বিৰিঙাম
য় হয় মই উগ্ৰ বিপ্লৱী।

াৰ উগ্ৰতাৰ উষ্ণতা প্লাৱিত হব সত্যৰ হকে
ান্তিৰ হকে উন্নতিৰ হকে
ক্যৰ হকে, সম্প্ৰীতিৰ হকে
াৰু সদায় উতলিব অন্যায়ৰ বিৰুদ্ধে
য় হয় মই উগ্ৰ বিপ্লৱী।

❋ ❋ ❋



## মোক আৰু পোহৰ নালাগে

মিছ ডালিমী বেগম
স্নাতক দ্বিতীয় বৰ্ষ

কাঁহ পৰি জীন যোৱা সেউজখনিত
টোপ্ টোপ্ নিয়ৰৰ পানী।
আছে জানো তোমাৰ দুহাতত
জেতুকাৰ মিঠা লগা ৰং?
তোমাৰ সত্বাৰ বন্দনা।
ক'ত দিন, ক'ত ৰাতি মোৰ স্বপ্নালু মনে
বিচাৰিছিলি তোমাৰ স'তে একাত্ম গঢ়াৰ স্বপ্ন
মৰীচিকাৰ দৰে তুমি দূৰলৈ নাযাবা
মিছা হ'ব মোৰ পূজাৰ আয়োজন।
সন্ধিয়াৰ ভোটা তৰা, পূৰ্ণিমাৰ জোনাক,
সকলো যেন তোমাৰ চলনা
চলনাময়ী তুমি।
মোক আৰু পোহৰ নালাগে
গুচি যোৱা তুমি।
এন্ধাৰেই হওঁক মোৰ পথৰ লগৰীয়া
কিন্তু এন্ধাৰত বা জীৱনৰ প্ৰাচুৰ্য্য কিমান !!

# खसाब

**जथुनद्वीप महन बैछोमुथारी**
**बि. ए. मैथि बोसोर**

गांनै खसाब
गांसे नोंनि
गुबुन गांसेया आंनि
सोलेरनि आब्रुथि सिखोमानाय।
जों सानैबो मोनसे
गेलेनाय गेलेनि फै
मोनसे बिब्दि गेलेनाय
जाय गेलेनायखौ राववो
माब्लाबाबो गेलेफेराखै
जेराववो नुफेराखै
सानसेबो खोनाफेराखै
खसाब खुना खुबैलायनाय गेलेनाय।
नों आंनि खसाबखौ खुना
जोरजुलुमै, लाथिख आव खुबै हर
आरो आं नोंनिखौ खुबै हरगोन।
जोबनायाव फिथाइ ओंखारगोन
नों आंनि अंगुबै महर बेखेवना
लाथिख आव दिन्दांना थागोन
गांनै खसाब
गांसे नोंनि
गुबुन गांसेया आंनि......।

❊ ❊ ❊



# बर' शिखोला

**कु**
**बि. ए. २थि**

जोंलाय जादों बर सिखोला
मंगलियान रांगलियान फोलेरनि।
फै लोगोफोर सिगांलांनि
लैहोर लैहोर खौसे जाना,
राजा इरागडाउनि राज उलाफादखौ
उदां खालामनि सुथुर हानजानिफ्राय।
सिखना जोहोलाव बीर दैमालुनि
दाहल थुंग्रिखौ आखापा लाना,
सिखना जोहोलाव बीर दैमालुनि
दालाल युंग्रिखौ लोगोफोर ग्रिदफोल।
हारिनि थै सोबग्रा लांसुनियाकोरखौ,
स्रां स्रां एवस्रांना फोजोबस्रांदोनि।
हारिनि मानखौ लाखि फिनदोनि।
बोखांफिनदो नि फारि फारि
बर' नि बायखोन्दा नेरसोनफोखौ।
महर होफिनदोनि रंगिना बडलेन्द हादरख
गुलुगनि सिनायथि होदोनि
बर' नि खोराथा गेरेमसा हादरखौ।

❊ ❊ ❊

# नोंनिसिम, लिरगा- नै

मिथुन दैमारी
बि. ए. २ थि बोसोर

मैया आं मानोबा
जावलिया बायदि नायगिरनानैबो
आंजो अराय सिनाय जानाय
नोंनि बै अनसुलि महरखौ
मोनाखैमोन नोंनाव नायगिरना।
बेनि सोलाय मोन्दोंमोनल
नोंनि अननाय फुननाय थायनै मेगननि
जारौ साननि बायदि जाहाबनायजों,
नोंनि मिनिनाय बिलिरनाय फावदुर खावलायाव
समफ्राम थायसेनि समान बुगाखांनाय
गुबुन मोनसे आलादा महरखौ नोंनाव।
नोंनि बे हरखाब सोलायथियाव
गामाखालि जाफेरा-जाफेरानो
सयथिनोबो, गुरलाब मावखांदोंमोन
मैया मानोबा आंनि बिखाया,
नोंखौ गोमाजानो गिनानै।
सानख फारियाव दाजाब दानख' खालामना
मैयानो मोन्दांहादोंमोन आं नोंखौ
नों खुगा खेवाब्लाबो
नोंनि बे सोलायथिया
नोंहा आंनिसिम थानाय
गोब्राब अननायनि फोरमायथि अनगा गुबुन जेबो नङा बेयो
आंनि थाखै
ओंखायनो जेबो जिंगा एबा
जेबो बुंनांगौ गैया आंहा
नोंनि बे सोलायथियाव
(नोंखौ बे महराव मोनना)
मानोना बुंनायावनो दंखायो नङा-
"आंगोनि बोरनाय-बोराबनाय, बुगानाय-खुद्रिनायानो
मोजांमोननायषौ गोथौसिन खालामनायनि इसारा होयो।"
(आजोलिनि आखयाव गथायबाय, जोंनि साननि बान्था महरै)

***



## नोखो नेनानैनी

गिताञ्जलि बरो
बि. ए. २थि बोसोर

बेसेदि गोजानाव थायो रजे
नों आंनि मेगन नोजोरनिफ्राय
गोसोयाव माखासे मिजि लानानै
जाबाय आं मानोबा
उशाव-बादाव
नोखौ नेनानैनो।
बौशागो बोथाराव फैगोन शना
बुंलांनाय नोंनि रावआ
गोसोयाव जाखांफैयो मानो अराय?
नोखौ फैगोन शाननानै
खनले, खनले नायहरो लांगोना
मोखांथि
दरफोन जाफैगोन सान्नानै
आलारि बाथि फोजोना
नेनानै दं रजे
आनदाय फैगोन शाननानै।
नाथाय मानोबा फैदिया नों
लांगोनानि दुबुरि हाग्रायासो रानलांजोबबाय।
दाउ-खौओनि मैथायआबो जोबबाय
आंहासो फेलें जोउआ
जाबाय मानिबा दाहा
नोंखौ नेनानैनो।ष
❊❊❊



## मोनाबिलि समाव

रानु दैमारी
बि. ए. २थि बोसोर

मोनाबिलि समाव
दैमा गाथोन सेराव
लोगो मोनदेंमोन नोंखौ।
लाजिस्लु. मिनिस्लु महरै
रायदाव हरदोंमोन आंखौ
मिथिस हायासै
सिमांना मोगथांमोन।
उन्दु हालिया, जानाय लोंनाय
गैलिया, गोसो खाङेखाङे।
दान्दिसे नुआब्लानो
नागिर बायो
खाथियाव लोगो मोनब्ला
जंखाय, गिनाई रावजों
माबा बुंनो सानो
नाथाय बुंसनो हाया।
❊❊❊


# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত্ত











# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত্ত










# উপ-সভাপতিৰ প্ৰতিবেদন



প্ৰতিবেদনৰ পাতনিতে অসম আৰু অসমীয়াক বিশ্ব দৰবাৰত এক সু-সভ্য জাতি হিচাপে প্ৰতিষ্ঠা কৰিবলৈ আহোপুৰুষাৰ্থ কৰা ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছোঁ। লগতে পাতিদৰং মহাবিদ্যালয়ৰ যিসকল ছাত্ৰ-ছাত্ৰীৰ সহযোগত ২০০৮-০৯ ইং বৰ্ষৰ ছাত্ৰ একতা সভাৰ উপ-সভাপতি পদত নিৰ্বাচিত হোৱাৰ সুযোগ কণ দিলে সেই সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিলো।

মোৰ কাৰ্য্যকালৰ সময়ছোৱাত মোৰ এই গুৰু দায়িত্ব পালনত মই কিমানখিনি সফলতা লাভ কৰিছো সেইটো আপোনালোকৰ বিচাৰ্য্য। মই মোৰ ক্ষমতা অনুযায়ী অশেষ চেষ্টা কৰিছিলো। কিন্তু মই ভবামতে পাৰদৰ্শিতা দেখুৱাব নোৱাৰিলো।

মই উপ-সভাপতিৰ দায়িত্ব লৈ কেইবাটাও কাৰ্যসূচী চলাই নিবলগীয়া হয়। বিশেষকৈ খেল প্ৰতিভা সপ্তাহ আৰু বঁটা বিতৰণী সভা, নৱাগত আদৰণি সভাৰ লগতে বিভিন্ন উৎসৱ পাৰ্বন সমূহ। মোৰ এই কাৰ্য্যকালৰ বিভিন্ন সময়ত উৎসাহ আৰু সহায়ৰ হাত আগবঢ়োৱা আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয় আৰু বিভিন্ন বিষয়ৰ ছাৰ -বাইদেউ সকললৈ বিশেষভাৱে শ্ৰদ্ধা আৰু কৃতজ্ঞতা জনাইছো আৰু পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী, বন্ধু-বান্ধৱীলৈ আন্তৰিক শুভেচ্ছা জনাইছো। যিসকল বন্ধুৱে নিঃস্বাৰ্থ সহায়ৰ হাত আগবঢালে সেই কথা কোনোদিনে পাহৰিব নোৱাৰিম।

সদৌ শেষত মোৰ অজানিতে হোৱা ভুল-ক্ৰটিৰ ক্ষমা বিচাৰি পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাংগীন উন্নতি কামনা কৰি মই মোৰ প্ৰতিবেদনৰ মোখানি মাৰিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

"জয়তু পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা"

শ্ৰদ্ধাৰে----

*শ্ৰীঅম্বিকা প্ৰসাদ বড়ো*

*উপ-সভাপতি*

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০৮-০৯ ইং বৰ্ষ

# সাধাৰণ সম্পাদকৰ প্ৰতিবেদন

জয়-জয়তে সেই সকল মহান বীৰ বীৰঙ্গনাক শ্ৰদ্ধাৰে সোঁৱৰিছো, যিসকলে নিজৰ মাতৃভূমিৰ হকে বুকুপাতি দিছিল।



"হে শ্বহীদ প্ৰণামো তোমাক"

লগতে প্ৰতিবেদনৰ আৰম্ভণিতে সেইসকল মহান বুদ্ধিজীবীলৈ শলাগ লৈছো যিসকলৰ অক্লান্ত প্ৰচেষ্টা আৰু ত্যাগৰ বলত এই "পাতিদৰং মহাবিদ্যালয়"খন জন্ম পাইছে।

ৰাইজৰ সু-চিন্তা চৰ্চাৰে এক অনুন্নত ঠাইত মানুহৰ বৌদ্ধিক জগতক বিকাশ কৰি তুলি এক জ্ঞানৰ পোহৰ উজ্জলাই তোলাৰ মানসেৰে ১৯৮৯ চনৰ ৩১ আগষ্ট তাৰিকে নসত্ৰ (মুক্তাপুৰ) লোচ গাঁওত অনুষ্ঠিত কৰা হৈছিল। "পাতিদৰং মহাবিদ্যালয়" ছাত্ৰ-ছাত্ৰীক সু-শিক্ষাৰে সজ্জিত কৰি তেওঁলোকৰ ভৱিষ্যত জীৱনক পোহৰাই কৰি তোলাৰ দায়িত্ব এই মহাবিদ্যালয়খনে অতীতৰ পৰাই এক গধুৰ দায়িত্ব বহন কৰি আহিছে। বৰ্তমান সমাজত প্ৰচলিত হত্যা, হিংসা, অন্ধবিশ্বাস আদি সমস্যাবোৰ দূৰ কৰাত পাতিদৰং মহাবিদ্যালয়খনে এক বলিষ্ঠ অৰদান আগবঢ়াই আহিছে। এইখিনিতে মই শিক্ষাগুৰু তথা ছাত্ৰ-ছাত্ৰীলৈ শলাগ লৈছো যাৰ নেৰানেপেৰা প্ৰচেষ্টা আৰু সহায়-সহযোগিতাৰ ফলস্বৰূপে আজিৰ তাৰিখলৈকে "পাতিদৰং মহাবিদ্যালয়" ঠন ধৰি উঠিছে।

কিন্তু অতিকৈ দুখৰ বিষয় "পাতিদৰং মহাবিদ্যালয়"খন এতিয়াও নানান অভাৱ আৰু সমস্যাৰ পৰা মুক্ত নহয়। ছাত্ৰ-ছাত্ৰীক উপযুক্ত শিক্ষা দিয়াৰ বাবে আৰু বহুতো কৰণীয় কাম এই মহাবিদ্যালয়খনত আছে। সেয়েহে ছাত্ৰ-ছাত্ৰীৰ উপযুক্ত শিক্ষা লাভৰ বাবে অধ্যক্ষ মহোদয়ে চকু দিব লাগে।

**প্ৰিয় ছাত্ৰ-ছাত্ৰীবৃন্দ ঃ-**

অইন ছাত্ৰ-ছাত্ৰীসকলৰ দৰে ময়ো এজন সাধাৰণ ছাত্ৰ আছিলো। কিন্তু আপোনালোকৰ অশেষ মৰম আৰু সহায়-সহযোগিতাৰ বলত ইং ২০০৮-০৯ বৰ্ষৰ ছাত্ৰ একতা সভাৰ সাধাৰণ সম্পাদক হিচাপে নিৰ্বাচিত হওঁ। মহাবিদ্যালয়খনৰ কিবা এটা কৰাৰ মানসেৰে আৰু সমাজ সেৱাত বৰ্ত্তি হোৱাৰ মনোভাৱেৰে মই মোৰ কাৰ্য্যকালৰ দায়িত্ব গ্ৰহণ কৰো। এইখিনিতে মোৰ কাৰ্যকালৰ চমু বিৱৰণি দাঙি ধৰা হ'ল--

**কাৰ্য্যভাৰ গ্ৰহণ ঃ-**

ইংৰাজী ২৬/১১/২০০৮ তাৰিখে ছাত্ৰ-ছাত্ৰীসকলৰ উপস্থিতিত মহাবিদ্যালয়ৰ অধ্যক্ষ মাননীয় শ্ৰীগিৰিধৰ শৰ্মাদেৱৰ সভাপতিত্বত অনুষ্ঠিত হোৱা সভাত পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ-সন্থাৰ নৱ নিৰ্বাচিত সম্পাদক / সম্পাদিকাসকলৰ সৈতে কাৰ্য্যভাৰ গ্ৰহণ কৰি নিষ্ঠা আৰু সততাৰে দায়িত্ব পালনৰ শপত গ্ৰহণ কৰো।

**মহাবিদ্যালয়ৰ খেল সপ্তাহ ঃ-**

অইন বেলিৰ দৰে মোৰ কাৰ্য্যকালৰ প্ৰধান কাৰ্য্যসূচী হিচাপে ২৬, ২৭ আৰু ২৯ ডিচেম্বৰ, ২০০৮ তাৰিখে মহাবিদ্যালয়ৰ খেল সপ্তাহ অনুষ্ঠিত কৰা হয়। খেল সপ্তাহৰ লগত সংগতি ৰাখি মহাবিদ্যালয়ৰ পতাকা উত্তোলন কৰে শ্ৰীযুত গিৰিধৰ শৰ্মা, অধ্যক্ষ, পাতিদৰং মহাবিদ্যালয়। অলিম্পিক পতাকা উত্তোলন কৰে মাননীয় পৰেশ চন্দ্ৰ বড়ো, সভাপতি, কামৰূপ জিলা বড়ো ছাত্ৰ সন্থা। প্ৰতিভা খেল সপ্তাহৰ পতাকা উত্তোলন কৰে মাননীয় নৰেন দাস, প্ৰধান শিক্ষক পাতিদৰং বিদ্যাপীঠ হাইস্কুল, শ্বহীদ তৰ্পন কৰে মাননীয় গিৰীণ চন্দ্ৰ দাস, উপদেষ্টা, জিলা কাৰ্য্যনিৰ্বাহক, পাতিদৰং আঞ্চলিক ছাত্ৰ সন্থা।

অনুষ্ঠিত হোৱা খেল সমূহত দক্ষতা অৰ্জন কৰিব পৰা ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে বঁটা প্ৰদানৰ বাবে ইং ২৯/১২/০৮ তাৰিখে অধ্যক্ষ মহোদয়ৰ সভাপতিত্বত বঁটা বিতৰণী সভা অনুষ্ঠিত কৰা হয়। উক্ত সভাখনত মুখ্য

অতিথিৰূপে উপস্থিত আছিল মাননীয় শ্ৰীবিৰেণ ডেকা, প্ৰাক্তন সম্পাদক, পাতিদৰং মহাবিদ্যালয় পৰিচালনা সমিতি। নিৰ্দ্দিষ্ট বক্তাৰূপে উপস্থিত আছিল মাননীয় ৰমেন ডেকা, ব্যৱসায়ী। উক্ত খেল প্ৰতিভা সপ্তাহ কেইদিন শিক্ষাগুৰু আৰু ছাত্ৰ-ছাত্ৰীৰ সহায়-সহযোগিতাত জাক জমকতাৰে অনুষ্ঠিত কৰা হয়।

**বিভিন্ন উৎসৱ ঃ-**

বিগত বছৰ সমূহৰ দৰে ধাৰাবাহিকতা ৰক্ষা কৰি সৰস্বতী পূজা, বাথৌ পূজা, ফাতেহা- ই-দোৱাজ দাহম আদি ধৰ্মীয় পূজা উদ্‌যাপন কৰা হয়।

**নৱাগত আদৰণি সভাঃ-**

ন-পুৰণি ছাত্ৰ-ছাত্ৰীসকলক আনুষ্ঠানিকভাৱে আদৰাৰ উদ্দেশ্যে ৭ চেপ্তেম্বৰ, ২০০৯ ইং তাৰিখে বৰ্ণাঢ্য কাৰ্য্যসূচীৰে নৱাগত আদৰণি সভা অনুষ্ঠিত কৰা হয়। প্ৰীতি সন্মিলনৰ জৰিয়তে ন-পুৰণি ছাত্ৰ-ছাত্ৰীসমূহৰ মাজত আপোন মনোভাৱ জগাই তোলাৰ পিছত অনুষ্ঠিত কৰা হয় মুকলি সভা। দিনটোৰ কাৰ্য্যসূচী আছিল এনে ধৰণৰ—

মহাবিদ্যালয়ৰ পতাকা উত্তোলন
উত্তোলক — মাননীয় শ্ৰীগিৰিধৰ শৰ্মা, অধ্যক্ষ, পাতিদৰং মহাবিদ্যালয়
বৃক্ষৰোপন
ৰোপক- শ্ৰীদৈৱ্যশক্তি ডেকা, প্ৰৱক্তা, পাতিদৰং মহাবিদ্যালয়।
শ্বহীদ তৰ্পন
তৰ্পক- শ্ৰীঅম্বিকা প্ৰসাদ বড়ো, উপ-সভাপতি, পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা।
প্ৰাচীৰ পত্ৰিকা উন্মোচন
উন্মোচক— শ্ৰীতপন কুমাৰ শৰ্মা, প্ৰবক্তা, পাতিদৰং মহাবিদ্যালয়
মুকলি সভা
সভাপতি— মাননীয় শ্ৰীযুত গিৰিধৰ শৰ্মা, অধ্যক্ষ, পাতিদৰং মহাবিদ্যালয়।
মুখ্য অতিথি—
ড° প্ৰভাত চন্দ্ৰ কাকতি, জ্যেষ্ঠ প্ৰৱক্তা ও মুৰব্বী, হিচাপ বিজ্ঞান বিভাগ, কেঃচিঃ দাস, কমাৰ্চ কলেজ, গুৱাহাটী
নিৰ্দ্দিষ্ট বক্তা— ড° লীলাৱতী শইকীয়া বৰা, অধ্যাপিকা, অসমীয়া বিভাগ, গুৱাহাটী বিশ্ববিদ্যালয়
বিশিষ্ট অতিথি —— শ্ৰীপ্ৰদীপ দত্ত, বোলছবি অভিনেতা

**অনুভৱ ঃ-**


পাতিদৰং মহাবিদ্যালয়ত অন্যান্য মহাবিদ্যালয়ৰ তুলনাত যথেষ্ট সুবিধা নাথাকিলে ও মানুহ গঢ়াৰ শৈক্ষিক বাতাবৰণ এই মহাবিদ্যালয়ত আছে। এনে এক মহান প্ৰতিষ্ঠানত ২১ বছৰীয়া ইতিহাসৰ সাধাৰণ সম্পাদকৰ দৰে মোৰ বাবেও সদায় এক স্মৰণীয় হৈ ৰব। পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ আটাইবোৰ বিষয়ববীয়াই মোক যিদৰে সহায় কৰিলে তাক শলাগ নলৈ থাকিব নোৱাৰো।

সদৌ শেষত মহাবিদ্যালয়ৰ সন্মানীয় অধ্যক্ষ, অধ্যাপক-অধ্যাপিকা, কৰ্মচাৰী, বন্ধু-বান্ধৱী তথা ছাত্ৰ-ছাত্ৰী আৰু সমূহ ৰাইজৰ ওচৰত মোৰ কাৰ্য্যকালত হোৱা অনিচ্ছাকৃত ভুলৰ শুধৰণি বিচাৰি অপৈণত বুদ্ধিমত্তা আৰু সাধ্যানুসাৰে লিখা প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

*ধন্যবাদেৰে—*
*শ্ৰীবাজেশ স্বৰ্গীয়াৰী*
*সাধাৰণ সম্পাদক*
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ সন্থা
২০০৮-০৯ ইং চন

# সহঃ সাধাৰণ সম্পাদকৰ প্ৰতিবেদন



পোন প্ৰথমে মই সেই মহান ব্যক্তিসকলক শ্ৰদ্ধাৰে সুঁৱৰিছো যিসকলে দেশৰ উন্নতিৰ অৰ্থে নিজৰ বহুমূলীয়া জীৱন আহুতি দিবলগীয়া হৈছে। লগে লগে সুঁৱৰিছো সেই মহান আদৰ্শবান ব্যক্তিসকলক যিসকলৰ আদৰ্শত পাতিদৰং মহাবিদ্যালয়ৰ দৰে এটা মহান আৰু আদৰ্শবান অনুষ্ঠান গঢ়ি উঠি সমগ্ৰ অঞ্চল উজলাই তুলিছে। এই চেগতে ধন্যবাদ জনাইছো সেই ছাত্ৰ-ছাত্ৰীসকলক, যিসকলে মোক সহঃ সাধাৰণ সম্পাদক পদত অভিসিক্ত কৰালে।

পাতিদৰং মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ সহঃ সাধাৰণ সম্পাদকৰ পদত অধিষ্ঠিতি হৈ বহু আশা মহাবিদ্যায়ৰ উন্নতিৰ অৰ্থে পুহি ৰাখিছিলো আৰু তাৰ নগন্য অংশহে মই ব্যৱহাৰ কৰিছো বুলি মোৰ মনে ধৰে। মহাবিদ্যালয়ত অনুষ্ঠিত হোৱা নৱাগত আদৰণি সভা, খেল সপ্তাহ, বঁটা বিতৰণী সভা, শিক্ষক দিৱস পালন, মিলাদ এ মেহফিল, স্বাধীনতা দিৱস উদ্‌যাপন, বাথৌ পূজা উদ্‌যাপন আদি বিভিন্ন অনুষ্ঠানত মই প্ৰত্যক্ষভাৱে জড়িত থাকি সাধাৰণ সম্পাদকক যিখিনি, সহায় আগবঢ়াব লাগে তাক পূৰণ কৰিব পাৰিছো বুলি মোৰ ফালৰ পৰা মই ক'ব বিচাৰো। কিন্তু তাৰ ফলৰ বিষয়ে একমাত্ৰ মহাবিদ্যালয়ৰ ছাত্ৰ-ছাত্ৰী আৰু শিক্ষকবৃন্দইহে বিচাৰ কৰিব পাৰিব। যা নহওক এয়াই আমাৰ যথেষ্ট নহয়। আমাৰ কৰণীয় বহুতো আছে। এজনে ছাত্ৰ হিচাপে যদি সকলোৱে কলেজখনৰ প্ৰতি আনুগত্য আৰু প্ৰেম থাকে আৰু সচেতন হৈ ভুল বা দুৰ্নিতিবোৰ আতৰোৱাৰ চেষ্টা কৰে তেতিয়া এই মহাবিদ্যালয়ৰ লগতে আমাৰ সমাজখনো উন্নতিৰ পথত অগ্ৰগতি হব।

এই চেগতে প্ৰতিবেদনখনৰ জৰিয়তে অধ্যক্ষ মহোদয়ক ধন্যবাদ জনাইছো যাৰ শ্ৰম আৰু সুপৰিকল্পনাৰ ফলত অতি কম সময়ৰ ভিতৰত কেবাটাও শ্ৰেণীকোঠা নিৰ্মাণ কৰি পাঠদান কৰাত আৰু শিক্ষাগ্ৰহণ কৰাত সুবিধা কৰি দিয়াৰ বাবে। কিন্তু অভাৱৰ কোনো অন্ত নাই। এটাৰ পিচত এটাকৈ অভাৱ বাঢ়ি গৈ থাকে। আমাৰ মহাবিদ্যালয়খনৰ কেইটামান প্ৰধান অভাৱ তলত উল্লেখ কৰা হ'ল যাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ পাঠগ্ৰহণৰ ক্ষেত্ৰত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে—

১) শিক্ষাগুৰুসকলৰ কাৰণে বিশুদ্ধ খোৱা পানীৰ ব্যৱস্থা আছে যদিও ছাত্ৰ-ছাত্ৰীৰ কাৰণে বিশুদ্ধ খোৱাপানীৰ ব্যৱস্থা নথকাৰ ফলত ছাত্ৰ-ছাত্ৰীৰ যথেষ্ট অসুবিধা হৈছে। কিছুমানক মুক্তাপুৰ চকলৈকেও পানীৰ সন্ধানত অহাৰ পৰিলক্ষিত হৈছে।

২) মহাবিদ্যালয়ত এখন স্থায়ী চাইকেল ৰখা ঠাইৰ অভাৱৰ ফলত ছাত্ৰ-ছাত্ৰীৰ চাইকেলবোৰ বৰষুণৰ বতৰত অভাৱনীয় দৃশ্যলৈ পৰিণত হয়। অৱশ্যে সাধাৰণ সম্পাদক ৰাজেশ স্বৰ্গীয়াৰী আৰু ছাত্ৰ-একতা

সভাৰ বিষয়ববীয়া আৰু কেইজনমান সুচিন্তাশীল ছাত্ৰ-ছাত্ৰীৰ হেচা আৰু সহায়-সহযোগিতাৰ ফলত এখন অস্থায়ীভাৱে হলেও চাইকেল ৰখা ঠাই নিৰ্মিত হৈছে। ই অতি প্ৰশংসনীয়। তথাপিও স্থায়ী চাইকেল ৰখাৰ বাবে চাইকেল ষ্টেণ্ড ৰ অতি আৱশ্যক।

৩) ছাত্ৰ আৰু ছাত্ৰী জিৰণীকোঠাৰ লগতে এখন মিলিত কোঠাৰ অভাৱ। যাৰ ফলত ছাত্ৰ-ছাত্ৰী এগৰাকীয়ে ক্ষন্তেক জিৰণীৰ বাবে খালৰ পাৰলৈ যোৱা পৰিলক্ষিত হয়।

৪) পৰ্য্যাপ্ত পৰিমাণৰ ডেক্স-বেঞ্চৰ অভাৱ। মহাবিদ্যালয়ত যথেষ্ট পৰিমাণৰ ডেক্স-বেঞ্চ আছে যদিওঁ অধিকাংশই বহাৰ অনুপযোগী।

ওপৰোক্ত অভাৱসমূহৰ ফলত শিক্ষা গ্ৰহণত যথেষ্ট অসুবিধাৰ সন্মুখীন হৈছে। সেয়েহে মাননীয় অধ্যক্ষ মহোদয়ক এই অভাৱবোৰ যাতে অতি কম দিনৰ ভিতৰত পূৰণ কৰিব পাৰে তাৰ বাবে এই প্ৰতিবেদনখনৰ জৰিয়তে অনুৰোধ জনালো।

এই প্ৰতিবেদনৰ জৰিয়তে মই ধন্যবাদ জনাইছো সেই মহান শিক্ষাগুৰুসকলক যিসকলে নিজৰ পুঁজিৰ পৰা অৰ্থ ব্যয় কৰি এক মহান আদৰ্শ আগত ৰাখি চৰকাৰৰ মাহেকীয়া দৰমহা অবিহনে আমাক পাঠদান কৰাত ক্ৰুটি কৰা নাই।

সদৌ শেষত মই ধন্যবাদ জনাইছো শ্ৰীৰাজেশ স্বৰ্গীয়াৰী (সাধাৰণ সম্পদক), মনোৰাম, পল্লৱী, দীপক, কৈলাশ, মিনতি, মেনকা, ৰাণু, কুঞ্জ, ডালিমী, সোণজ্যোতিৰ লগতে সকলো বন্ধুবৰ্গক যিসকলে মোক বিভিন্ন কাৰ্য্যত সহায় আগবঢ়াইছে, লগতে মাননীয় শিক্ষাগুৰুসকলক ধন্যবাদ জনাইছো যিসকলে বিভিন্ন পৰামৰ্শৰে মোৰ কাৰ্যকালত উপদেশ দি আহিছে। শেষত মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ প্ৰতিবেদন ইমানতে সামৰণি মাৰিলো।

ধন্যবাদেৰে

"পাতিদৰং মহাবিদ্যালয় উজ্জ্বল হওঁক"

শ্ৰীমণ্টু ৰাম বড়ো
সহঃ সাধাৰণ সম্পাদক
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা
ইং ২০০৮-২০০৯ চন

# খেল বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰথমতে মই অসমীয়াৰ উন্নতিৰ স্বাৰ্থত নিজৰ জীৱনক আগবঢ়াই বৰ্তমানৰ পৰ্য্যয়লৈ অসমীয়া সমাজক যি বৰঙণি আগবঢ়ালে সেই মহান নমস্য ব্যক্তি সকললৈ মোৰ আন্তৰিক শ্ৰদ্ধা জ্ঞাপন কৰিছো। আনহাতে যিসকলৰ অনুপ্ৰেৰণা, চিন্তা, চেষ্টা আৰু অক্লান্ত শ্ৰমৰ ফলত আজি স্নাতক পৰ্য্যায়ৰ শিক্ষানুষ্ঠানৰ এই মহান ক্ষেত্ৰ "পাতিদৰং মহাবিদ্যালয়"ৰ জন্ম দিলে সেইসকল তথা বৰ্তমান কৰ্মৰত সমূহ কৰ্মকৰ্তাক মোৰ শ্ৰদ্ধা তথা হৃদয়ৰ পুষ্পাঞ্জলি যাচিছোঁ।

বৰ্তমান সময়ত ছাত্ৰ-সমাজ,যদিও কিছুক্ষেত্ৰত বিভিন্ন সামাজিক, ৰাজনৈতিক, অৰ্থনৈতিক তথা কৰ্ম বেছি পৰিমাণে, ভৌগলিক পৰিবেশৰ বাবে এক শংকাকুল পৰ্য্যায়ত, তথাপিওঁ এই শক্তিৰ উৰ্দ্ধমুখী চিন্তাই সাহিত্য-সংস্কৃতিৰ বিকাশৰ বাবে কোনো ধৰণৰ পিছহোহোকা মনোভাৱৰ সৃষ্টি কৰা বৰ্তমানলৈ দেখা পোৱা নাই। পৰিবেশ বিনষ্টকাৰী উপসৰ্গ ছাত্ৰ-জীৱনৰ শিক্ষা গ্ৰহণত প্ৰায়ে দৃশ্যমান। কিন্তু এই বিভিষীকা প্ৰকৃতি শিক্ষাইয়ো বিনাশ কৰিব পাৰিব। আমূল পৰিবৰ্তন নহ'লেও আংশিক পৰিৱৰ্তন হ'ব পাৰে। ছাত্ৰসমাজৰ দ্বাৰাহে। ছাত্ৰসমাজ বৰ্তমান সমাজৰ এক বৃহৎ ক্ৰিয়াশীল শক্তি।

ক্ৰীড়া সম্পাদকৰ দায়িত্বত থকা খেলসমূহ সুকলমে পৰিচালনা কৰিব পাৰিছো নে নাই সেয়া আপোনালোকৰ বিচাৰ্য। সীমিত অৰ্থেৰে কৰা কামত কোনো ত্ৰুটি হোৱা নাই নিশ্চয়।

সমস্যা অসীম। বিভাগীয় কিঞ্চিত অৰ্থেৰে সকলোবোৰ সমস্যা সমাধান কৰা অসম্ভৱ। মোৰ কাৰ্যকালত বাৰুকৈ জুৰুলা কৰা উল্লেখনীয় সমস্যাবোৰৰ ভিতৰত উপযুক্ত খেলৰ সামগ্ৰী, উপযুক্ত ক্ৰীড়াঙ্গনৰ অৰ্থাভাৱ আদিয়ে প্ৰধান। যিয়ে নহওঁক অভাৱৰ মাজেৰে হ'লেও মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ খন সুকলমে চলাই নিব পাৰিছো। তাৰে লগতে মোক মহাবিদ্যালয়ৰ ছাৰ, বাইদেউ আৰু সকলোবোৰ ছাত্ৰ-ছাত্ৰীয়ে সহায় -সহযোগ আগবঢ়াইছিল। এই প্ৰতিবেদনৰ মাজেৰে মোৰ শ্ৰদ্ধাৰ ছাৰ-বাইদেউ আৰু মহাবিদ্যালয়ৰ সমূহ ছাত্ৰ-ছাত্ৰীক মোৰ ফালৰ পৰা আন্তৰিক শ্ৰদ্ধা যাচিছোঁ।

অসুপ্ত প্ৰতিভাই থমকি ৰৈ বিকাশ প্ৰাপ্ত মাধ্যমলৈ বাগৰি গৈ যি ৰূপ ধাৰণ কৰে, তাতে আমিবোৰ ক্ষুব্ধ নহৈ নোৱাৰো। অৰ্থাৎ প্ৰতিভাৰ মৃত্যু নাই, দেহ-মনৰ, উৎকৃষ্ট সাধনাই হ'ল খেল। এই গুৰুত্বপূৰ্ণ বিভাগত সেৱা আগবঢ়োৱাত হাত উজান দি সহায় কৰাসকলক পুণৰ সুঁৱৰিছো। মোৰ অভিজ্ঞতা সীমিত। সেয়ে অজানিতে হৈ যোৱা ভুল-ক্ৰুটিৰ বাবে ক্ষমা বিচাৰিছো। শেষত মানৰ সম্পদ তৈয়াৰ কৰা এই মহান অনুষ্ঠানটিৰ উন্নতি হোৱাৰ কামনা কৰি প্ৰতিবেদন সামৰিছো আৰু নৱবৰ্ষৰ শুভেচ্ছা যাচিলো। সমূহ মহাবিদ্যালয়ৰ ছাৰ বাইদেউ আৰু ছাত্ৰ-ছাত্ৰীসকলক।

"জয় আই অসম"

"জয়তু পাতিদৰং মহাবিদ্যালয়"

ধন্যবাদেৰে—

শ্ৰীসমৰজ্যোতি ডেকা (দুল)

খেল সম্পাদক

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০৮-০৯ ইং বৰ্ষ

# সমাজ-সেৱা বিভাগৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে আমাৰ মহাবিদ্যালয়ৰ শ্ৰদ্ধেয় অধ্যক্ষ মহোদয়ৰ লগতে মোৰ শ্ৰদ্ধাৰ শিক্ষাগুৰু সকললৈ মোৰ আন্তৰিক কৃতজ্ঞতা জ্ঞাপন কৰিছোঁ আৰু মোৰ শুভকাংক্ষী সমূহ পাতিদৰং মহাবিদ্যালয়ৰ সতীৰ্থ বন্ধু-বান্ধৱীলৈ অভিনন্দন তথা কৃতজ্ঞতা জ্ঞাপন কৰিছো। লগতে মোৰ সাধাৰণ লিখনিৰ সম্পাদকীয় প্ৰতিবেদন আগবঢ়াইছো।

এই মহান অনুষ্ঠানটিৰ জৰিয়তে সমাজ ব্যৱস্থাৰ ঐক্য আৰু সংহতিৰ বাবে যুঁজ দিবলৈ মোক যি সাহস আৰু সহায়-সহযোগিতা কৰি ২০০৮-২০০৯ ইং বৰ্ষৰ পাতিদৰং মহাবিদ্যালয়ৰ সমাজ সেৱা বিভাগৰ সম্পাদক হিচাপে সুবিধাকণ দিলে তাৰ বাবে সমূহ বন্ধু-বান্ধৱীক পুণৰবাৰ মনত পেলাইছো।

মোৰ সতীৰ্থসকলে মোৰ পৰা মহাবিদ্যালয়ৰ উন্নতি বিচাৰি মোক এটা গুৰু দায়িত্ব দিছিল। কিন্তু মই চেষ্টা কৰিও বিশেষ একো উন্নতি কৰিব নোৱাৰিলো। ইয়াৰ বাবে মূল কাৰণ হ'ল মহাবিদ্যালয়ৰ অৰ্থৰ অভাৱ। কিয়নো অৰ্থই সৰ্বোচ্চ। সেয়েহে ইয়াৰ বাবে সমূহ ছাত্ৰ-ছাত্ৰীৰ ওচৰত মই ক্ষমা প্ৰাৰ্থনা বিচাৰিছো।

মোৰ কাৰ্যকালৰ প্ৰথমভাগতে মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহ, নৱাগত আদৰণী সভা, প্ৰতিষ্ঠা দিৱস আৰু সৰস্বতী পূজাতে মোৰ সেৱা আৱদ্ধ থাকিল।

শেষত মোৰ কাৰ্যকালৰ আধৰুৱা কামবোৰ সম্পূৰ্ণ কৰিবলৈ পৰৱৰ্ত্তী সম্পাদকক অনুৰোধ জনালোঁ।

অৱশেষত পাতিদৰং মহাবিদ্যালয়ৰ সৰ্বাঙ্গীন উন্নতি আৰু ছাত্ৰ একতা সভাৰ উজ্জ্বল ভৱিষ্যত কামনা কৰিলোঁ।

"জয়তু পাতিদৰং মহাবিদ্যালয়"
ধন্যবাদেৰে
শ্ৰীনিৰঞ্জণ ডেকা (নিখিল)
সম্পাদক, সমাজসেৱা বিভাগ
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৮-০৯ ইং বৰ্ষ

# সাংস্কৃতিক সম্পাদিকাৰ প্ৰতিবেদন



"জীৱনে মৰণে মই
চিৰদিন অসমীয়া
অসমীয়া দেহে প্ৰাণে মই
জীয়াই থাকোত মই
অসমৰে অসমীয়া
মৰিলেওঁ বৰি ল'ম
অসমৰে অমীয়া মৰণ।"

প্ৰতিবেদনৰ আৰম্ভণিতে যিসকলৰ অক্লান্ত পৰিশ্ৰমৰ আশাসুধীয়া প্ৰচেষ্টা আৰু সীমাহীন ত্যাগৰ বিনিময়ত পাতিদৰং মহাবিদ্যালয়খন গঢ় লৈ উঠিছে, লগতে স্বদেশ আৰু স্বজাতিৰ হিতাকাংক্ষী সকললৈ শ্ৰদ্ধাৰে প্ৰণিপাত জনাইছোঁ।

গীত, বাদ্য, নৃত্য এই তিনিওঁ ক'লাৰ সমন্বয়ক "সংগীত" বোলে—

"গীতং বাদ্যং তথা নৃত্যং এয়াং সংগীত মূচ্ছ্যতে" মহাবিদ্যালয়ৰ সংস্কৃতিৰ পথাৰখনত নামি পোন প্ৰথমে ভালেই লাগিছিল। কিন্তু মাজভাগত অৰ্থাৎ মোৰ কাৰ্যকালৰ যি পৰিণামৰ পৰিণতি সেয়া যেন বানে মৰা ৰোঁৱাৰ লেখিয়া হে পৰিছিল। কিয়নো মহাবিদ্যালয় কৰ্তৃপক্ষৰ পৰা সাংস্কৃতিক বিভাগলৈ যি পৰিমানৰ ধন মঞ্জুৰ কৰে তেনেই নগন্য। তথাপি মই নিজকে সফল কৰাৰ বাবে কেতিয়াওঁ চেষ্টাৰ ক্ৰটি কৰা নাই। কিন্তু দুখৰ বিষয় মহাবিদ্যালয়ৰ প্ৰতিভা সপ্তাহত প্ৰতিযোগীৰ অভাৱত দুই এটি অনুষ্ঠান বাতিল কৰিবলগীয়াত পৰিছিলো। সেয়া যি কি নহওঁক আগন্তুক দিনবোৰত এনে সমস্যা যাতে উদ্ভৱ নহয় তাৰ বাবে মই খুৱেই আশাবাদী।

শেষত অজানিতে কৰা ভুল ক্ৰটিৰ বাবে আটাইৰে ওচৰত ক্ষমা বিচাৰিলো আৰু যিসকল ছাত্ৰ-ছাত্ৰীয়ে মহাবিদ্যালয়ৰ সেৱা কৰিবলৈ সুযোগ কণ দিলে সেইসকল ছাত্ৰ-ছাত্ৰীলৈ মোৰ শ্ৰদ্ধাসহ কৃতজ্ঞতা জ্ঞাপন কৰি পাতিদৰং মহাবিদ্যালয় জাকত জিলিকা হোৱাৰ কামনাৰে মোৰ প্ৰতিবেদনৰ ইতিৰেখা টানিলো।

"জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে—
শ্ৰীপল্লৱী নাথ
সম্পাদিকা, সাংস্কৃতিক বিভাগ
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৮-০৯ ইং বৰ্ষ

# ছাত্ৰ জিৰণি কোঠাৰ সম্পাদকৰ প্ৰতিবেদন



প্ৰতিবেদনৰ প্ৰাক-মুহূৰ্ত্তত মই অসমৰ তেজে ধোৱা মাটিত মূৰ থৈ অসমৰ বিভিন্ন দাবী প্ৰতিষ্ঠা কৰিবলৈ গৈ তথা অসমীয়া জাতিৰ অস্তিত্ব ৰক্ষাৰ বাবে যিসকলে তেওঁলোকৰ অমূল্য জীৱন দেশ মাতৃৰ পূজাৰ বেদীত উচৰ্গা কৰিলে সেই সকল শ্বহীদলৈ মোৰ আন্তৰিক শ্ৰদ্ধা জনাইছোঁ।

যিসকল মহান ব্যক্তিৰ আশাসুধীয়া অপ্ৰাণ চেষ্টাত এই পাতিদৰং মহাবিদ্যালয়খন প্ৰতিস্থিত হ'ল তেখেত সকললৈ মোৰ ভক্তি অৰ্ঘ নিবেদিছো।

২০০৮-০৯ ইং বৰ্ষৰ মহাবিদ্যালয়ৰ ছাত্ৰ একতা সভাৰ "ছাত্ৰ জিৰণী কোঠাৰ" সম্পাদক হিচাপে নিৰ্বাচিত কৰি মোক অতি ক্ষুদ্ৰ পৰিমাণৰ হ'লেও আপোনালোকৰ সেৱা আগবঢ়াবলৈ দিয়াৰ বাবে মই মোৰ হিয়া ভৰা কৃতজ্ঞতা আগবঢ়ালো। ছাত্ৰ একতা সভাৰ "ছাত্ৰ জিৰণী কোঠাৰ" সম্পাদক হিচাপে কাৰ্য্যভাৰ গ্ৰহণ কৰাৰ পিছত এই বিষয়ৰ বহু কথা ভাবিছিলো বহুতো পৰিকল্পনা হাতত লৈছিলো যদিও এই চালুকীয়া অনুষ্ঠানটিৰ মহাবিদ্যালয়ৰ আৰ্থিক দুৰৱস্থাৰ বাবে বহুতো সমস্যাই সমাধান কৰিব পৰা নহল। তাৰ বাবে মই অতি দুঃখিত।

সুদীৰ্ঘ বছৰটোত মোৰ কৰণীয় কাম বহুতো ৰৈ গ'ল। মই তাৰ বাবে সকলোৰে ওচৰত ক্ষমা বিচাৰিছো।

পৰিশ্ৰান্ত মানসিক অৱসাদ দূৰ কৰিবলৈ ছাত্ৰ জিৰণি কোঠা এটিৰ যে অতি প্ৰয়োজন সেয়া মহাবিদ্যালয় কৰ্তৃপক্ষ নিশ্চয় অজ্ঞাত নহয়। সেয়েহে এই প্ৰতিবেদনৰ যোগেদি মই মহাবিদ্যালয়ৰ কৰ্ত্তৃপক্ষক অনুৰোধ জনাঁও যে এই কণ সুবিধা দি ছাত্ৰ-ছাত্ৰী সকলৰ প্ৰতিভা বিকাশত উদগণি যোগায়।

সদৌ শেষত মোৰ কাৰ্য্যকালত সহায়-সহযোগ কৰা সমূহ বন্ধু-বান্ধবীলৈ মোৰ আন্তৰিক অভিনন্দন জনালোঁ।

বিভিন্ন দিশত দিহা-পৰামৰ্শ আগবঢ়াই মোক উৎসাহিত কৰা গুৰুসকললৈ মোৰ সশ্ৰদ্ধ প্ৰণাম যাচিলোঁ।

এই সময়ছোৱাত মোৰ কাৰ্য্যকালত ৰৈ যোৱা ভুল ত্ৰুটিৰ বাবে ক্ষমা বিচাৰি পাতিদৰং মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ এই চমু প্ৰতিবেদনৰ সামৰণি মাৰিলো।

"জয় আই অসম"

"জয়তু পাতিদৰং মহাবিদ্যালয়"

শ্ৰদ্ধাৰে

শ্ৰীনৱজিৎ দাস

সম্পাদক, ছাত্ৰ জিৰণি কোঠা

পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা

২০০৮-০৯ ইং বৰ্ষ

# ছাত্ৰী জিৰণি কোঠাৰ সম্পাদিকাৰ প্ৰতিবেদন



প্ৰতিবেদনৰ আৰম্ভণিতে মোৰ আন্তৰিক শ্ৰদ্ধা আৰু প্ৰণাম নিবেদিছো। এই সুন্দৰ মাতৃভূমিৰ অস্তিত্ব ৰক্ষাৰ কাৰণে যিসকল মহান ব্যক্তিয়ে প্ৰাণ-আহুতি দিলে আৰু তাৰ পৰিৱৰ্তে এখন সভ্য সমাজ গঢ়াত নিজৰ অৱদান আগবঢ়ালে সেইসকলৰ মহান আত্মাক মই শ্ৰদ্ধাৰে সুঁৱৰিছো আৰু প্ৰণাম জনাইছো। যিসকল ছাত্ৰ-ছাত্ৰীয়ে মোক মহাবিদ্যালয়ৰ উন্নতিৰ অৰ্থে সেৱা কৰিবলৈ সুবিধাকণ দিলে তেওঁলোকৰ ওচৰত মই চিৰ কৃতজ্ঞ।

সম্পাদিকাৰ দায়িত্ব গ্ৰহণৰ পূৰ্বে ভাবিছিলো ছাত্ৰীসকলৰ গুৰুত্বপূৰ্ণ অসুবিধা দূৰ কৰি ছাত্ৰী জিৰণী কোঠা নিৰ্দ্দিষ্টকৈ বনাম। কিন্তু দুঃখৰ বিষয়, মহাবিদ্যালয়ৰ অধ্যক্ষৰ অমনোযোগেই হওঁক বা আৰ্থিক অসুবিধাই হওঁক, এটা নিৰ্দ্দিষ্ট ছাত্ৰী-জিৰণি কোঠা নিৰ্মাণত বাধাৰ সন্মূখীন হ'বলগীয়া হৈছে। যাৰ ফলস্বৰূপে ছাত্ৰ-ছাত্ৰীসকলে জিৰণিৰ বাবে ঠাই বিচাৰি হাবাথুৰি খাবলগীয়া হৈছে। কেতিয়াবা গছৰ তলত বহে যদিওঁ কণমানি বৰষুণ দিলে গৰু ছাগলীৰ দৰে মহাবিদ্যালয়ৰ বাৰাণ্ডাত থিয় হৈ থাকিবলৈ বাধ্য হয় আৰু হুলস্থুল হোৱা অপৰাধত মহাবিদ্যালয়ৰ কৰ্তৃপক্ষৰ পৰা কেতিয়াবা কেতিয়াবা টান কথাও শুনিবলগীয়া হয়,যাৰ কাৰণে ছাত্ৰ বা ছাত্ৰী এজন অপ্ৰস্তুত আছিল। মোৰ কাৰ্য্য কালছোৱাতেই অধ্যক্ষ মহোদয়ৰ লগত আলোচনামৰ্মে উত্তৰ দিশত কেইটামান কোঠা নিৰ্মিত হয় আৰু তাৰে এটা কোঠা ছাত্ৰী জিৰণি কোঠা হিচাপে ব্যৱহাৰ কৰাৰ অনুমতি লাভ কৰিছিল যদিওঁ শ্ৰেণীকোঠাৰ অভাৱ হোৱা পৰিলক্ষিত হৈ তাক পুণৰ শ্ৰেণীকোঠা হিচাবে ব্যৱহাৰ কৰিলে। যা নহওঁক এই প্ৰতিবেদনৰ জৰিয়তে অধ্যক্ষ মহোদয়লৈ মোৰ এটাই অনুৰোধ জনাঁও যেন অতি শীঘ্ৰে মহাবিদ্যালয়ত এটি ছাত্ৰী জিৰণি কোঠা নিৰ্মাণ কৰি ছাত্ৰীৰ সমস্যা সমাধান কৰে। যিটো প্ৰত্যেক ছাত্ৰীৰে নাৰ্য্য প্ৰাপ্য। অভাৱ মানুহৰ চিৰসংগী। তথাপিওঁ অধ্যক্ষ মহোদয়ে যেন ভৱিষ্যতে এটি উন্নত মানৰ ছাত্ৰী জিৰণীকোঠা নিৰ্মাণ কৰি বহুদিনীয়া অভাৱ পূৰণ কৰিব তাক বিশ্বাস আৰু আশা হিচাপে মনতে পুহি ৰাখিলো।

শেষত মোক সহায়-সহযোগিতা আগবঢ়োৱা সৰ্বশ্ৰী মনোৰাম বড়ো, ৰাজেশ স্বৰ্গীয়াৰী, দাউদ আলী আৰু ছাৰ-বাইদেউ সকলৰ ওচৰত মই চিৰ কৃতজ্ঞ। মোৰ অজানিতে হোৱা ভূলৰ বাবে ক্ষমা-প্ৰাৰ্থনা বিচাৰিলো আৰু মহাবিদ্যালয়ৰ উজ্জ্বল ভৱিষ্যত কামনা কৰি মোৰ বছৰেকীয়া প্ৰতিবেদন ইয়াতে সামৰিলো।


"জয়তু পাতিদৰং মহাবিদ্যালয়"

ধন্যবাদেৰে-

মিছ ডালিমী বেগম
সম্পাদিকা, ছাত্ৰী জিৰণি কোঠা
পাতিদৰং মহাবিদ্যালয় ছাত্ৰ একতা সভা
২০০৮-০৯ ইং বৰ্ষ

# পাতিদৰং মহাবিদ্যালয় আলোচনীৰ প্ৰাক্তন সম্পাদকসকল

| | | |
|---|---|---|
| ১। | শ্ৰীলংকেশ্বৰ ডেকা | ১৯৮৯-৯০ বৰ্ষ |
| ২। | মিছ্ সবিতা দাস | ১৯৯০-৯১ বৰ্ষ |
| ৩। | শ্ৰীতৰ্জন দাস | ১৯৯১-৯২ বৰ্ষ |
| ৪। | শ্ৰীবনমালী দাস | ১৯৯২-৯৩ বৰ্ষ |
| ৫। | শ্ৰীসত্যেন্দ্ৰ কলিতা | ১৯৯৩-৯৪ বৰ্ষ |
| ৬। | শ্ৰীকৃষ্ণকান্ত ডেকা | ১৯৯৪-৯৫ বৰ্ষ |
| ৭। | প্ৰকাশ নহ'ল | ১৯৯৫-৯৬ বৰ্ষ |
| ৮। | শ্ৰীভৈৰৱ ডেকা | ১৯৯৬-৯৭ বৰ্ষ |
| ৯। | শ্ৰীকমল নাৰায়ণ বৈশ্য | ১৯৯৭-৯৮ বৰ্ষ |
| ১০। | মহঃ মোজাম্মিল হক | ১৯৯৮-৯৯ বৰ্ষ |
| ১১। | শ্ৰীতপন চন্দ্ৰ ডেকা | ১৯৯৯-২০০০ বৰ্ষ |
| ১২। | শ্ৰীনৰজিৎ ডেকা | ২০০০-২০০১ বৰ্ষ |
| ১৩। | শ্ৰীনজৰুল ইছলাম | ২০০১-২০০২ বৰ্ষ |
| ১৪। | শ্ৰীৰমণী শৰ্মা | ২০০২-২০০৩ বৰ্ষ |
| ১৫। | মহঃ মোস্তাকিন হক | ২০০৩-২০০৪ বৰ্ষ |
| ১৬। | শ্ৰীমিণ্টু কুমাৰ বেজবৰুৱা | ২০০৪-২০০৫ বৰ্ষ |
| ১৭। | শ্ৰীহেৰম্ব শৰ্মা | ২০০৫-২০০৬ বৰ্ষ |
| ১৮। | শ্ৰীৰাকেশ কুমাৰ ডেকা | ২০০৬-২০০৭ বৰ্ষ |
| ১৯। | শ্ৰীঅম্বিকা প্ৰসাদ বড়ো | ২০০৭-২০০৮ বৰ্ষ |


- সমাপ্ত -




Sitting from left to right (1) Dulal Sarma, Member, (2) Paramesh Dutta- Incharge, Magazine, (3) Giridhar Sarma, President, (4) Tapan Kumar Sarma- Incharge, Magazine, (5) Dr. Banalata Kalita , Member, (6) Kalpana Basumatary, Member

Standing from left to right

(1) Rajesh Swargiary, General Secy., (2) Bhadreswar Das, Magazine Editor, (3) Ambika Prashad Boro, Vice President.

Union Body of Patidarrang College, - 2008-2009



Sitting from left to right (1) Rajesh Swargiary, General Secy, (2) Giridhar Sarma, President, (3) Ambika Prasad Boro, Vice President,


Standing from left to right (1) Mantu Ram Boro, Asstt. General Secy, (2) Dalimi Begum, Girls' Com. Room Secy, (3) Nabajit Das, Boys Com. Room Secy, (4) Bhadreswar Das, Magazine Editor, (5) Samarjyoti Deka, Games Secy., (6) Pallabi Nath, Cultural Secy

Unseen in the snap- (1) Niranjan Deka, Social Service Secy.

# মহাবিদ্যালয়ৰ বিভিন্ন মুহূৰ্ত















Cover Design- Tilak Ch. Nath